# ফুলগুৰিৰ ধেৱা

16925



SCU

শ্ৰীবেণুধৰ কলিতা

# ফুলগুৰিৰ ধেৰা

16925

নগাওঁ : অসম।

শ্ৰীবেণুধৰ কলিতা

প্ৰকাশক— শ্ৰীমান লক্ষেশ্বৰ কলিতা
শ্ৰীমান যুগল কুমাৰ কলিতা
শ্ৰীমান যুক্তি কুমাৰ কলিতা
শ্ৰীমান হিৰণ্য কলিতা

954.162
KAL

SCUL

১ম প্ৰকাশ— নৱেম্বৰ ১৯৬১
২য় প্ৰকাশ— আগষ্ট ১৯৯৪

16925

8.12.95


লিখক—
**শ্ৰীবেণুধৰ কলিতা** বি, এ,
( সাহিত্যিক পেঞ্চনাৰ )।

( লিখকৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত )

মূল্য— ১৫·০০ টকা
পকাবন্ধা— ২৫·০০ টকা

মুদ্ৰক— কবী প্ৰেছ, নগাঁও ( অসম )

## উছৰ্গা



নৰোবা বালিসত্ৰৰ সত্ৰাধিকাৰ আৰু
নগাঁও (চৰকাৰী) কলেজৰ প্ৰাক্তন অধ্যক্ষ মোৰ
দীক্ষাগুৰু ঁমহেশচন্দ্ৰ দেৱ গোস্বামী
দেৱৰ পুণ্য স্মৃতিত শ্ৰদ্ধাৰে
অৰ্পণ কৰিলোঁ।

শ্ৰীবেণুধৰ কলিতা

# আশীৰ্ব্বাদ

এশ বছৰৰ আগৰ কথা । ইংৰাজৰ শাসন-শোষণত অতিষ্ঠ হৈ নগাওঁ জিলাৰ দক্ষিণ-পশ্চিম অঞ্চলৰ ৰাইজ গৰজি উঠিল । বিপ্লৱৰ জুই জলিল আৰু সেই বিপ্লৱৰ জুই বীৰসকলৰ তেজেৰেই ইংৰাজে নুমালে । তাৰ অপব্যাখ্যা প্ৰচাৰ কৰি বাহিৰৰ ৰাইজক জনালে, সৰ্ব্বনশীয়া আফুখেতি ইংৰাজ চৰকাৰে ৰাইজৰ মঙ্গল কামনা কৰি উঠোৱাৰ কাৰণে এমুঠি কানীয়াৰ অবৈধ অন্যায় আক্ৰোশ । অঞ্চলৰ ৰাইজে গীত-মাতেৰে প্ৰকাশ কৰিলে, জীৱন-আহুতি দিয়া বীৰসকলৰ চমক লগোৱা কাহিনী, বিদেশী শাসনৰ বিৰুদ্ধে চলোৱা 'ফুলগুৰি ধেৱা'ৰ অতিৰঞ্জিত ঘটনাৰ বৰ্ব্বৰতা ।

এই সকলোবোৰ এতিয়া প্ৰায় পাহৰণিত গৰ্ভত । আমাৰ অপমানৰ অবধি নাই—আপোন পাহৰা জাতিক ইতিহাসেও ক্ষমা নকৰে । আমাক আমাৰ জাতীয় গ্লানিৰ পৰা মুক্ত কৰিবলৈ প্ৰয়াস কৰিছে 'ফুলগুৰি দেৱা'ৰ মননশীল লেখকে । ৰাইজৰ আশীৰ্ব্বাদ তেওঁ পাব ।

নগাওঁ
২৪।৬।৬১

ইতি
শ্ৰীমহীচন্দ্ৰ বৰা

# আগকথা

অন্যায়ৰ গৰ্ভৰ পৰাই বিপ্লৱৰ জন্ম। সেইবাবেই দেশৰ প্ৰতিটো বিপ্লৱেই জাতীয় জীৱনৰ একোগছি বন্তি স্বৰূপ। ফুলগুৰি ধেৱা বা ফুলগুৰি বিদ্ৰোহো বৃটিছ চৰকাৰৰ অবৰ্ণনীয় নিষ্পেষণ আৰু ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰেই কৰ-কাটলৰ হেঁচা ৰাইজে কেঁকো-জেঁকোকৈও বব নোৱাৰি সেইবোৰৰ বিৰুদ্ধে কৰা এটি স্বতঃস্ফূৰ্ত্ত আন্দোলন। ইংৰাজ আৰু চিপাহীবিলাকে বিদ্ৰোহক 'ধাৱা' বুলিছিল। ই অসমীয়াৰ জিভাত 'ধাৱা' গুচি 'ধেৱা' হল। সেয়েহে ফুলগুৰিৰ বিদ্ৰোহটো 'ফুলগুৰিৰ ধেৱা' নামেৰেহে জনাজাত হৈ পৰিছিল। সেই কাৰণেই পুথিৰ নামো 'ফুলগুৰিৰ ধেৱা' নামেৰেই নামাকৰণ কৰা হ'ল।

ফুলগুৰিৰ ধেৱা সাধাৰণ কৃষকৰ নেতৃত্বহীন বিদ্ৰোহ কাৰণেই হজুৱা মানুহৰ বিদ্ৰোহ বুলি কূটনীতিবিদ ইংৰাজ চৰকাৰে অপব্যাখ্যা দি বিদ্ৰোহৰ মূল্য অতি তুচ্ছভাৱে দেখুওৱাত সেই বিষয়ে আনকি কোনো শিক্ষিত মানুহে চিন্তাও নকৰিছিল আৰু ইংৰাজৰ বিৰুদ্ধে মাত মাতিবলৈ ভয় কৰিছিল। কিন্তু প্ৰকৃততে বিদ্ৰোহৰ কাৰণ তাতোকৈ বহুত ওপৰত আছিল। আজিও ফুলগুৰি বিদ্ৰোহক বহুতে ইংৰাজে দিয়া সূত্ৰমতেই বিচাৰ কৰে। কিন্তু হজুৱা মানুহৰ মূল্যহীন বিদ্ৰোহ বুলি ইয়াক জ্ঞান কৰাটো অসমীয়া জাতিৰ এটা কলঙ্ক। ফুলগুৰি বিদ্ৰোহ আছিল অন্যায়কাৰী সকলৰ ইচ্ছাৰ বিৰুদ্ধে হোৱা সমবেত ৰাইজৰ কণ্ঠস্বৰৰ কল্লোলধ্বনি। পৰাধীনতাৰ গ্লানিত নতশিৰ নহৈ ভাৰতৰ অন্যান্য ঠাইত ১৮৫৭ চনত কৰা চিপাহী বিদ্ৰোহৰ পৰিণতি স্বৰূপেই ফুলগুৰীয়া ৰাইজে মণিৰাম দেৱানে অসম ভূমিত এৰি থৈ যোৱা আশীৰ্ব্বাদৰ ভেঁটিত একুৰা

ডগ্‌মগীয়া বিদ্ৰোহৰ সূত্ৰপাত কৰি মাতৃ-মুক্তিৰ মহান আহ্বানত বিদ্ৰোহৰ পাতনি মেলিছিল ।

বিদ্ৰোহৰ উদ্দেশ্য অতি সৎ আছিল । কিন্তু বিদেশী চৰকাৰৰ চাতুৰি, কূটনীতি আৰু অপপ্ৰচাৰৰ জাল ভেদ কৰি বিদ্ৰোহৰ প্ৰকৃত উদ্দেশ্য বাহিৰত প্ৰচাৰ কৰিবলৈ উপযুক্ত মানুহৰ অভাৱ হোৱাৰ বাবেই আজিও বহুতৰ মানত সেই বিদ্ৰোহ 'কানীয়া-বিদ্ৰোহ' নামেৰেই আখ্যা পাই আহিছে । যি কোনো দুৰ্ঘটনাৰ পিচত তেতিয়া আজিৰদৰে তদন্ত কমিটিৰ ব্যৱস্থা কৰি ৰিপৰ্ট আদি সংগ্ৰহ কৰাটোও সম্ভৱপৰ নাছিল ।

ইংৰাজে অসম লৈ চাৰিওফালে পৰিবৰ্ত্তনৰ সূচনা কৰিলে । কৰ-কাটলৰ উপৰিও প্ৰাচীন অসমীয়া সমাজ, সভ্যতা, শিক্ষা, কৃষ্টি, বিচাৰ পদ্ধতি আদিৰ কামিহাড় ভাঙ্গি তাৰ ভেঁটিত আচহুৱা বিলাতী ৰীতি-নীতি প্ৰচলন কৰাত সেইবোৰ কোনো অসমীয়া মানুহেই মনে প্ৰাণে হজম কৰিব পৰা নাছিল । সেই কাৰণেই ভীষণ সংঘাতৰ সৃষ্টি হৈছিল । ফুলগুৰি ধেৱাও সেই সংঘাতৰ ফলতেই হোৱা ভাৰত-বিলৰ এপাহী পদুমফুল ।

যি কোনো বিদ্ৰোহৰ ফলত ৰাজশক্তিক পৰাভূত কৰি নতুনৰ পাতনি মেলিলে বিদ্ৰোহক বিপ্লৱ আখ্যা দিয়া হয় । বিদ্ৰোহে জয়লাভ কৰিব নোৱাৰিলে তাক বিদ্ৰোহ বুলিয়েই কোৱা হয় । গতিকেই বিদ্ৰোহৰ ক্ষেত্ৰত ৰাজ-শক্তিৰ অতুল প্ৰভাৱৰ ফলত বিদ্ৰোহ আৰু বিদ্ৰোহীসকলৰ কলঙ্কৰ সীমা নোহোৱা হয় । পুৰণিৰ সমল বিচাৰি পৰবৰ্ত্তী সমাজেহে তাৰ প্ৰকৃত মূল্য দিবলৈ চেষ্টা কৰে ।[১] কিন্তু, তেতিয়া কালৰ কুটিল গতিত বহুত তথ্য-পাতি হেৰাই যায় । গতিকেই সেই সমলবোৰ সম্পূৰ্ণ অভ্ৰান্ত বুলিও কব নোৱাৰি ।

আমিও ফুলগুৰি ধেৱাৰ এশ বছৰৰ পিছত এই বিষয়ে লিখিবলৈ যাওঁতে বহু কথাৰ শুং হেৰাই গ'ল । তথাপিও গেইট্ চাহাবৰ *'History of Assam,'* B. C. Allenৰ Assam Gezetteers, Vol, V. Nowgong, 1905,' A. J. Moffatt



Millsৰ ৰিপৰ্ট, শ্ৰীযুত কেশৱনাৰায়ণ দত্তৰ 'বিদ্ৰোহী' অসম,' শ্ৰীযুত বেণুধৰ শৰ্ম্মাৰ 'মণিৰাম দেৱান,' ডাঃ সূৰ্য্যকুমাৰ ভূঞাৰ ১৮৭৮ শকৰ বহাগ মাহৰ 'অৰুণাচল'ত প্ৰকাশিত 'অসমত কানি,' ডাঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ অসম সাহিত্য সভাৰ ২৭তম অধিবেশনৰ 'স্মৃতি গ্ৰন্থ'ত প্ৰকাশিত 'অৰুণোদই সংবাদপত্ৰত নগাঁৱৰ বাতৰি,' অসম সাহিত্য সভাৰ ভাষণাৱলী, শ্ৰীযুত মহেন্দ্ৰ বৰাৰ '1857 in Assam,' শ্ৰীৰামমল ঠাকুৰীয়াৰ 'ভাৰতৰ প্ৰথম স্বাধীনতা যুদ্ধ' আদিৰ পৰাও কিছু কথা বুটলি আনি কিতাপ ডোখৰ যুগুত কৰা হৈছে । এই ক্ষেত্ৰত জাগীয়াল মৌজাৰ মৌজাদাৰ ফুলগুৰিৰ শ্ৰীযুত পদ্ম সিং ডেকা বি, এল, ডাঙৰীয়াৰ পৰা ফুলগুৰি ধেৱাৰ বিষয়ে তেখেতৰ দেউতাক ৺উপেন্দ্ৰ সিং ডেকাই লিখি যোৱা কিছুমান তথ্য-পাতি নোপোৱা হলে কিতাপখনিৰ বহু কথাই অপূৰণ হৈ ৰ'লহেঁতেন । ৺উপেন্দ্ৰ সিং ডেকা ফুলগুৰি ধেৱাৰ ঘটনাকালত চেমনীয়া আছিল । ইয়াৰ উপৰিও ৰহা আৰু জাগীয়াল মৌজাৰ বিভিন্ন গাৱঁৰ বুঢ়া লোকসকলৰ পৰাও কিছু কথা বুটলি লোৱা হয় ।

অসমৰ সুসাহিত্যিক, সমাজসেৱী আৰু ৰাজনীতিবিদ্ শ্ৰীযুত মহীচন্দ্ৰ বৰা বি, এল, ডাঙৰীয়াই কিতাপখন প্ৰকাশৰ কাৰণে আশীৰ্ব্বাদ দিয়াত তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ হলো ।

মণিৰাম দেৱানৰ গীত : সমূহৰ লেখীয়া ফুলগুৰি ধেৱাৰ বিষয়ে ৰাইজৰ অন্তৰৰ বেদনা প্ৰকাশক লোক-গীতি কিছুমানো নগাৱঁৰ চুকে কোণে পৰি ৰৈছিল ।

"অ' আইটী এদোন ধান দোদোন ধান
অ' আইটী ফুলগুৰি ধেৱা খান
অ' আইটী কেনেকৈ লাগিলে
অ' আইটী তিনিজোপা আঁহতৰ তলতে
অ' আইটী ধেৱাখন লাগিলে .....।
ৰূপচিং-চিৰচিং-বাহু-ৰনমালী......।"

আদি গীতবোৰ সুললিত সুৰে গোৱা হৈছিল । তাহানি আমাৰ

সৰুকালত কুৰি দশকৰ শেষৰ পিনে কামপুৰৰ দেউৰী গাৱৰ নেপেনী বুঢ়ীয়ে এই গীতবোৰ গোৱাত শুনিবলৈ ভাল পাই তেওঁৰ পিচে পিচে ফুৰিছিলো। কিন্তু পূৰ্ব্বৰ বুঢ়া লোকসকলৰ মৃত্যু হোৱাত বহু প্ৰবন্ধ কৰিও সেইবোৰ উদ্ধাৰ কৰিব নোৱাৰি অত্যন্ত বেজাৰ পাইছোঁ। গীতবোৰ উদ্ধাৰ কৰিব পাৰিলে প্ৰকাশ কৰিবৰ হেঁপাহ আমাৰ আছে।

সদৌশেহত মোৰ জীৱনত বহু প্ৰকাৰে সহায় সাৰথি কৰি অহা শ্ৰীযুত ক্ষীৰোদ কুমাৰ বৰুৱা ডাঙৰীয়াই ছপা সম্বন্ধে ব্যৱস্থা লোৱা বাবে তেখেতৰ ওচৰত ঋণী হলো। আৰু কলিকতাৰ 'নৱজীৱন প্ৰেছে' অতি কম সময়ৰ ভিতৰতে কিতাপখন উলিয়াই দিয়াৰ কাৰণেও শলাগ নজনাই নোৱাৰিলোঁ।

কামপুৰ দেউৰীগাঁও
নগাঁও (অসম)
১৫. ৮. ৬১

ইতি
***শ্ৰীবেণুধৰ কলিতা***

## ২য় সংস্কৰণৰ বিষয়ে একেষাৰ

১৯৬১ চনত "ফুলগুৰি ধেৱা"ৰ শতবাৰ্ষিকী উৎসৱ উলহমালহেৰে পালন কৰিবৰ বাবে আমি পুথিখনৰ ১ম সংস্কৰণটি ততাতৈয়াকৈ প্ৰকাশ কৰা সময়ত তথ্যপাতি উদ্ধাৰ কৰাতো বৰ দুৰূহ হৈ পৰিছিল। কিন্তু, বৰ্ত্তমান অসম চৰকাৰে প্ৰকাশ কৰা "Political History of Assam, Volume One" নগাঁও ছোৱালী কলেজৰ খ্যাতনামা অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞাদেৱৰ "ঊনবিংশ শতিকাৰ অসম সংবাদ", আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ কলাগুৰু শ্ৰীযুতা অনুৰাধা দত্তৰ "Assam in Freedom Movement" আদি পুথিৰ উপৰিও এই বিষয়ে দুই এখন বাতৰি কাকত আৰু আলোচনী আদিত আমাৰ পুথিৰ তথ্যৰ লগতে অন্য তথ্যপাতিও প্ৰকাশ পোৱাত সেইবোৰৰ পৰাও কিছু কথা বুটলি আনি ২য় সংস্কৰণটি কিছু পৰিবৰ্দ্ধিত আকাৰত ছপাবলৈ মনস্থ কৰো। তদুপৰি বৰ্ত্তমানৰ সংস্কৰণটিত ঊনৈশ শতিকাৰ মধ্যভাগৰ পৰা কুৰি শতিকাৰ প্ৰথম দুটা দশকত আন্দামানত ইংৰাজ চৰকাৰৰ অত্যাচাৰৰ স্বাক্ষৰ বিখ্যাত চেলুলাৰ জেইলৰ বিষয়েও এটা নতুন অধ্যায় সংযোগ কৰা হৈছে যদিও সেই জেলখনৰ চিত্ৰ এখন দিব নোৱাৰাতো আমাৰ অক্ষমতাৰেই চিনাকি।

আজিৰ পৰা ১৩৪ বছৰৰ পূৰ্ব্বে বিদেশী ইংৰাজ চৰকাৰৰ কুশাসনৰ বিৰুদ্ধে অসম বুৰঞ্জীৰ পাতত ভালকৈ আচুৰি যোৱা "ফুলগুৰি-ধেৱা"ৰ ছহিদসকলৰ পুণ্য স্মৃতিত এটি সাধাৰণ স্তম্ভও থিয় কৰিব নোৱাৰাতো ফুলগুৰীয়া তথা নগঞা আৰু অসম চৰকাৰৰ অশ্ৰদ্ধাৰেই পৰিচায়ক।

যিসকলৰ পুথিৰ তথ্যপাতিৰ সহায়ত এই সংস্কৰণটি যুগুত কৰিবলৈ সমৰ্থ হলোঁ সেইসকলৰ প্ৰতি কৃতজ্ঞতা জনাইছোঁ। পুথিখনি অতি কম সময়ৰ ভিতৰতে ছপা কৰি উলিয়াই দিয়া কাৰণে ৰূবী প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীমান বিশ্বজিৎ বৰুৱা আৰু কৰ্ম্মীসকলকো ধন্যবাদ জনালোঁ।

***শ্ৰীবেণুধৰ কলিতা,***
শান্তিবন, জ্যোতিনগৰ
পোঃ নগাঁও (অসম)
পিন- ৭৮২০০১

নগাঁও
১।৮।৯৪

# ফুলগুৰিৰ ধেৱা

## প্ৰথম অধ্যায়

### চিপাহী বিদ্ৰোহ

১৮৫৭ চন। গুজৰাটৰ পৰা শদীয়ালৈকে বিদেশী ইংৰাজৰ শাসন আৰু শোষণৰ বিৰুদ্ধে গঢ়ি উঠা লাখ লাখ ভাৰতবাসীৰ শত বৰষৰ স্তূপীকৃত বেদনাৰ অগ্নিশিখাবোৰ বিদ্ৰোহৰ দাবানলেৰে ভাৰতৰ চাৰিওপিনে সিঁচৰতি হৈ দপ্ দপ্ কৈ জ্বলি উঠিছিল।

১৮৫৬ চনৰ ২৯ মাৰ্চ্চত অমৰ শহীদ মঙ্গল পাণ্ডেই বৰাকপুৰত ইংৰাজ কমাণ্ডাৰ এজনক গুলি কৰি মাত্ৰ বিদ্ৰোহৰ শিঙা ফুঁকিহে দিলে—সেই শিঙাৰ ফুঁত বাজি উঠিল দীপ্ত বিপ্লৱৰ অদমনীয় লহ লহ জিভাৰে বিপ্লৱৰ জুই! অতি অলপ সময়ৰ ভিতৰতে বিপ্লৱে লক্ষ্ণৌ, দিল্লী, আগ্ৰা, কানপুৰ, ঝাঞ্চী, অযোধ্যা, বাৰাণসী, জৌনপুৰ, ফৈজাবাদ, এলাহাবাদ, আদি সকলো ঠাইকেই আগুৰি পেলাই সুপ্ত ভাৰতভূমিত বন্দুক-বৰটোপৰ মহাপ্ৰলয়ৰ তাণ্ডৱনৃত্য আৰম্ভ কৰিলে। লাখ লাখ নৰনাৰীয়ে মুক্তি সংগ্ৰামৰ জ্বলা-জুইত নিজকে বলি দি যাউতি-যুগীয়াকৈ ভাৰত-মাতৃৰ কোলাত খিয়াতি ৰাখি গ'ল: নানা চাহাব, তাণ্ডিয়া টুপি, কুমৰ চিং,

ভূপাল চিং, আহম্মদ চাহ, আজিমুল্লাহ খান, ৰঙ্গ বাপুজী, বৃদ্ধ সম্রাট বাহাদুৰ চাহ আদিৰ নেতৃত্বত। চন্দ্ৰ-সূৰ্য্যই নেদেখা বীৰাঙ্গনা ভাৰতীয় কুলললনা, ব্ৰাহ্মণ ৰাজলক্ষ্মী ঝাঞ্চী-ৰাণী লক্ষ্মীবায়ে অন্ধকাৰ ৰাতিও মূৰত ৰেচমী পাগুৰি মাৰি ঘোঁৰাৰ পিঠিত প্ৰাণাধিক বালক দামোদৰ ৰাওক বুকুত বান্ধি লৈ "মেৰী ঝাঞ্চী নহী দুংগী" বুলি বীৰদৰ্পে ইংৰাজ সৈন্যক ব্যতি-বস্ত কৰি তুলিলে। সেই গৰাকী বীৰাঙ্গনাৰ আত্ম-বলিদানে আজিও ভাৰতৰ দুৱাৰে দুৱাৰে মাতৃমুক্তিৰ মঙ্গল আৰতি দিব লাগিছে।

ভাৰতৰ চাৰিওপিনে নৃশংস হত্যা, লুটপাত, অগ্নিদাহ আৰু আৰ্ত্তনাদ। আকাশ-পাতাল তাল-ফাল কৰা কামানৰ গৰ্জ্জন আৰু দানবীয় নৃত্যই মহাভাৰতত মহাপ্ৰলয়ৰ সৃষ্টি কৰিলে। অগ্নি-বৃষ্টি আৰু হেজাৰ শ্বহীদৰ কেঁচা তেজৰ টোপালেৰে মাতৃৰ বুকু তিতি গল।

পঞ্চাশ হেজাৰ সাহসী যুঁজাৰুৰ দলে উপযুক্ত নিপুণ সৈন্যাধ্যক্ষৰ অভাৱত আৰু কিছুমানৰ বাবে এমুঠি স্বৰ্ণমুদ্ৰা দেশৰ স্বাৰ্থতকৈ ডাঙৰ নোহোৱাহলে আৰু নিয়ম শৃঙ্খলা মানি নীতিৰ অপ-প্ৰয়োগ আৰু স্বেচ্ছা-চাৰিতা কৰি নৈতিকতা ভঙ্গ নকৰাহলে ১৮৩৭ চনতে ভাৰতে বিজয় তিলকৰে স্বাধীনতাৰ দীপ্ত নিচান পৃথিবীৰ বুকুত উকৱাব পাৰিলেহেঁতেন। হেনৰী লৰেন্স, জেনেৰেল হেভলক্, কলিন্স, কেম্পবেল, পল, ওৱালপুল, বেয়াৰ্ড স্মিথ, নিকলচন আলমবাৰ্গ, হড্চন আদি কেইজনমান আঙ্গুলিৰ মূৰত লেখিব পৰা ইংৰাজ সেনানায়কে ইংৰাজৰ পদলেহী কিছুমান বিশ্বাসঘাতক আৰু দেশদ্ৰোহীৰ সহায়ত চক্ৰান্ত কৰি বিপ্লৱ দমন কৰিবলৈ সমৰ্থ হৈছিল।

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ একেবাৰেই আকস্মিক নাছিল। অন্যায় কৰ-কটালৰ হেঁচা আৰু সেইবোৰ নিৰ্ম্মমভাৱে আদায় কৰাটো বিপ্লৱৰ এটা অন্যতম কাৰণ। ৰজা-মহাৰজা সকলৰ অতীত গৌৰৱ কূটনীতিৰ সহায়ত জোৰ কৰি লুপ্ত কৰা, চৰ্ব্বিযুক্ত বুলি বিশ্বাস হোৱা কাৰ্টিজ ধৰ্ম্মভীৰু চিপাহীসকলক দাঁতেৰে কামুৰিবলৈ বাধ্য কৰোৱা, ৰাজনীতিৰ সহায়ত লাখ লাখ ভাৰতীয়ক খৃষ্টান ধৰ্ম্মলৈ দীক্ষিত কৰোৱা আদি কাৰণত ইংৰাজে শাসনৰ অছিলা লৈ যুগমীয়া ধৰ্ম্মত হাত দি সমগ্ৰ ভাৰতবাসীৰ মনত



বিশ্বাসঘাতকতা আৰু নীচ ভাৱে ধৰ্ম্মপ্ৰচাৰ কৰি ভাৰতীয় ধৰ্ম্মত কুঠাৰাঘাত কৰিছে বুলি সৰ্ব্বসাধাৰণে ধাৰণা কৰিছিল। পূৰ্ব্বৰ ৰজা-মহাৰজা সকলৰ শক্তি ক্ষুণ্ণ কৰি ইংৰাজ প্ৰতাপশালী লোকসকলৰো শত্ৰু হৈ পৰিছিল। তাৰ উপৰিও ভাৰতৰ গাৱেঁ-ভূঞে সিঁচৰতি হৈ থকা কুটীৰ-শিল্পবোৰো ধ্বংস কৰি ইংলণ্ডৰ মিলৰ বয়বস্তুৰে ভাৰতীয় বজাৰ ওপচাই পেলোৱাৰ কাৰণেও দেশৰ নিম্নস্তৰৰ মানুহৰ মাজত আতঙ্কৰ সৃষ্টি হৈছিল। দেশত খাদ্যা-ভাৱৰ কাৰণে হোৱা দুৰ্ভিক্ষত হেজাৰ হেজাৰ মানুহ মৰিল, আকাশত বিমঙ্গলীয়া ধুমকেতু ওলাল। তাৰ উপৰিও শাসকসকলৰ শঠতা আৰু নীচতাৰ কাৰণে দেশত বিদ্ৰোহৰ সোঁত দুগুণে বিয়পি পৰিল।

সেই কাৰণেইহে যুগ যুগ ধৰি চলি থকা হিন্দু-মুছলমানৰ অনৈক্যৰ কথা পাহৰি প্ৰথমবাৰৰ কাৰণে বিদেশী শত্ৰুৰ বিৰুদ্ধে সকলো ভাৰতবাসী একমুঠে যুদ্ধত লিপ্ত হব পাৰিছিল। সৰ্ব্বসাধাৰণে ভাবিছিল ইষ্ট্ ইণ্ডিয়া কোম্পানীয়ে ভাৰতত সম্ৰাজ্য বিস্তাৰ কৰি ভাৰতীয়সকলক তৃণ-কুটা যেনো নেদেখিছিল।

ইংৰাজ সকলে ভাৰতত এখন ডাঙৰ কৃষি-পাম খুলি ভাৰতীয় কেঁচা মাল জাহাজেৰে ইংলণ্ডলৈ কঢ়িয়াই নি তাৰ পৰিবৰ্ত্তে ধুনীয়া ধুনীয়া কলৰ বস্তু ভাৰতলৈ পঠাই কোটি কোটি ভাৰতীয় জনতাৰ তেজ শোষণ কৰিবৰ কাৰণে উঠি পৰি লাগিছিল। আইন প্ৰণয়নতো বগা চাহাব সকলৰ কাৰণে বেলেগ বেলেগ সা-স্থবিধাৰ ব্যৱস্থা কৰা হৈছিল।

সেই কাৰণেই অপমান, অপযশ, লজ্জা আৰু গ্লানিত ভাৰতীয় সকল অতিষ্ঠ হৈ জ্বলি উঠাত বিপ্লৱে বিস্ফোৰণ কৰিছিল। আন্দোলনৰ ভিতৰতে ভাইচৰয় লৰ্ড কেনিঙে কবলৈ বাধ্য হৈছিল— "যদি সিন্ধিয়ায়ো বিপ্লৱত যোগ দিয়ে তেন্তে মই টালি-টোপোলা বান্ধিব লাগিব।" একমাত্ৰ মাৰাঠা নেতা সিন্ধিয়াইহে বিপ্লৱত যোগ নিদিয়াকৈ ইংৰাজৰ সপক্ষে যুঁজ কৰিছিল। সেই কাৰণেইহে দাক্ষিণাত্যত বিপ্লৱৰ জুই নজ্বলিল। তেওঁলোককে সাৰথি কৰি ইংৰাজে ভেদনীতি অৱলম্বন কৰি ১৮৫৯ চনৰ মে মাহৰ আদি ভাগত গঙ্গা-সিন্ধু-ব্ৰহ্মপুত্ৰৰ পাৰত গজি উঠা বিপ্লৱৰ ঢৌ নিজম পেলালে।

জাতিৰ আশাত চেঁচা-পানী ঢলা হল কিন্তু বিপ্লৱে ভাৰতীয় জনসাধাৰণক চিৰকালৰ কাৰণে একমুখে মাত মাতিবলৈ প্ৰথম বাৰৰ কাৰণে সুযোগ আৰু সুবিধা দিলে। ইয়াৰ পিছতো বহুত ঠাইত মাজে মাজে বৃটিছ শাসনৰ বিৰুদ্ধে বিভিন্ন আকাৰেৰে বিষবৃক্ষ গজি উঠিছিল যদিও সেইবোৰো উপযুক্ত নেতৃত্বৰ অভাৱত পুলিতে মোহাৰি পেলোৱা হৈছিল। একমাত্র মহামানব মহাত্মা গান্ধীৰ সত্য আৰু অহিংসা মন্ত্ৰেৰে দীক্ষিত হৈ মুক ভাৰতীয় জনতাই বিপ্লৱৰ ৰণশিঙা বজাই ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা বেলি মাৰ নোযোৱা সাম্রাজ্যৰ অধিপতি বৃটিছ সিংহক ভাৰতৰ সীমাৰ পৰা বাহিৰ কৰি দ্বিখণ্ডিত হৈও ৰাজনৈতিক স্বাধীনতা অৰ্জ্জন কৰিবলৈ সমৰ্থ হল।

চিপাহী বিদ্ৰোহত লিপ্ত চিপাহী আৰু সাধাৰণ নাগৰিকৰ সংখ্যা সমানেই আছিল বুলি জনা যায়। বিজেতাৰ পশুতুল্য অত্যাচাৰ আৰু উৎপীড়নৰ বিৰুদ্ধে হোৱা ক্ৰোধাগ্নিয়ে মাহৰ পিছত মাহ আৰু বছৰৰ পিছত বছৰ ধৰি বিপ্লৱৰ চিন ৰঙা পতুমৰ যোগেদি ঘৰে ঘৰে বিপ্লৱৰ বাতৰি কঢ়িয়াই নিছিল।

ভাৰতৰ বিভিন্ন ঠাইত হোৱাৰ দৰেই অসম সকলো প্ৰদেশতকৈ শেহতহে বৃটিছৰ অধীনলৈ গলেও অসমতো চিপাহী বিদ্ৰোহৰ আগৰ পৰাই বিদ্ৰোহৰ শিখাই ভালদৰে শিপা মেলিছিল। চিপাহী-বিদ্ৰোহৰ সময়ত অসমৰ ৰাজনৈতিক আকাশ সকলোফালৰ পৰাই ধুৰঁলি-কুঁৱলি হৈ পৰিছিল। অসমত সেই সময়ত গণ আন্দোলনৰ ধ্বনি তুলিছিল বিপ্লৱী বীৰ, বিচক্ষণ ৰাজনীতিবিদ, আৰু জননেতা মণিৰাম দেৱানৰ নেতৃত্বই। দেৱানৰ ব্যক্তিত্বৰ পিছত অসমৰ সকলো ডেকা-বুঢ়া ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হৈ উঠিছিল। সেই কালত অসমত থকা ইংৰাজৰ ভাৰতীয় চিপাহীবোৰো দেৱানৰ ছত্ৰ-ছায়াত সমবেত হৈছিল। সেই কাৰণেই চিপাহী বিদ্ৰোহৰ বুৰঞ্জীত বৃটিছ বুৰঞ্জীবিদ চাৰ্লচ বলে ( Charles Ball ) লিখিছে :— "১৮৫৭ চনৰ চেপ্তেম্বৰ মাহত বঙ্গদেশ পাৰ হৈ অসমৰ সীমাতো বিদ্ৰোহৰ ঢক্ ফুটে। ...দিনাজপুৰত বিদ্ৰোহ হোৱা মাত্ৰেই ডিব্ৰুগড়ত থকা পহিলা নম্বৰী অসম ফৌজৰ মাজতো সেই



বাতৰি ওলালগৈ। সিহঁতে খোলাখুলি ভাৱে ৰিদ্ৰোহত যোগ দিলে আৰু ভগা ৰজা পুৰন্দৰ সিংহক ইংৰাজৰ হাতৰ পৰা ৰাজ্য আনি দিবলৈ আশা দিলে। আৰু কলে যে ৰাজ্য পাবলৈ হলে তেওঁ চিপাহী সকলৰ গুৰি ধৰিব লাগিব। খৃষ্টানবোৰক লুটি-পুতি কাটি-মাৰি খেদিবৰেই সিহঁতৰ ইচ্ছা আছিল। .............. সেই কথা প্ৰকাশ হলত বহুত চাহাবে শিৱসাগৰৰ গীৰ্জ্জাঘৰত আশ্ৰয় ললেগৈ, আৰু কলিকতাৰ পৰা নতুন ফৌজ নহালৈকে সকলো চাহাব তাতে সোমাই থাকিল।" ( বেণুধৰ শৰ্ম্মাৰ সাতাৱন ছাল বা স্বাধীনতাৰ প্ৰথম যুদ্ধ ( পৃঃ ৪২ )

"গোৱালপাৰা জিলাতো ঢাকাৰ ৩৭ নং এন্, আই, ডিভিজনৰ বিদ্ৰোহী সৈন্য আহি সোমোৱাৰ কাৰণে কুৰিবাৰী থানা সমূলে ধ্বংস কৰি বজাৰ লুটপাত কৰিছিল। কাছাৰৰ লাটুত পদাতিক সৈন্যৰ মেজৰ বীঙক হত্যা কৰা হৈছিল। তাৰ উপৰিও ১৮৫৭ চনৰ ২৯ আগষ্টৰ দিনা গোলাঘাটতো সেখ বাহাদুৰ চুবাদাৰ, জামাদাৰ চন্দন চিং আৰু হাবিলদাৰ ৰামটহল চিঙৰ নেতৃত্বত চিপাহীসকল বিদ্ৰোহী হৈ ৰণশিঙা বজাবলৈ সাজু হৈছিল। এই বিদ্ৰোহে ভৰপক অৱস্থা নৌ পাওঁতেই কমিচনাৰ কৰ্ণেল জেন্‌কিনছ ডিব্ৰুগৰ আৰু শিৱসাগৰৰ প্ৰিঞ্চিপাল এচিচটেণ্ট কেপ্তেইন বিভাৰ আৰু কেপ্তেইন হলৰয়ড (Captain Holoroyd) আৰু পহিলা নম্বৰী অসম ফৌজৰ সেনাপতি কৰ্ণেল হেনৰী চাহাবৰ যত্নত বিদ্ৰোহ দমন কৰা হয়।"...( এডৱাৰ্ড গেইট ) ভালেকেইজন ৰিদ্ৰোহী চিপাহীক যাবজ্জীৱন কাৰাদণ্ড বিহি আন্দামানলৈ পঠায়।

১৭৭৯ শকৰ ফাগুন মাহৰ ১৬ তাৰিখে ( ইং ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰী ) অসমীয়াৰ 'অতিকৈ চেনেহৰ' মণিৰাম দেৱানক পিয়লী বৰুৱাৰ লগত হেজাৰ হেজাৰ জনতাক কন্দুৱাই যোৰহাটত ফাঁচি দিয়া হল। ইয়াৰ লগতে স্বাধীনচেতা নেতা আৰু নিৰ্ভীক ৰজা ৺কন্দৰ্পেশ্বৰ সিংহ, দুতিৰাম বৰুৱা, মায়াৰাম নাজীৰ, নাৰায়ণ বৰবৰা, মৰঙ্গীখোৱা গোঁহাই, মধু মল্লিক, সেখ বাহাদুৰ গাওঁবুঢ়া আদি নেতৃস্থানীয় লোক-সকলৰো কেইজনমানক কলীয়াপানী আৰু বাকীসকলক দীঘলীয়া কঠোৰ কাৰাবাস দি অসম নেতৃত্বশূন্য কৰিলে। সেই বছৰৰ দুৰ্গা পূজাৰ মহাষ্টমীৰ

দিনা সকলোৱে মিলি ফিৰিঙি সকলক বধ কৰিবলৈ আলচি থকা সকলো আঁচনিয়েই ধূলিস্যাৎ হৈ গ'ল।

অসম চৰকাৰে ১৮৫৭ চনৰ ১৭ আইনৰ বলত বহুত মুখিয়াল মানুহক অত্যাচাৰ কৰি ধৰাই অনাই ফাটেকত দিলে আৰু বহুতকে চাকৰি বাকৰি আৰু অন্যান্য সুবিধাৰ পৰাও বঞ্চিত কৰিলে। অসমৰ য'তে ত'তে জধে-মধে পুলিচৰ নিৰ্ম্মম অত্যাচাৰ চালছিল।

প্ৰথম দৃষ্টিত চাবলৈ গলে ভাৰতত হোৱা ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ এমুঠি ৰাজনৈতিক নেতাৰ ক্ষমতাৰ বাবে চিপাহীসকলৰ আলমত হোৱা এটি বিপ্লৱ। কিন্তু অসমত প্ৰবীণতম আৰু বিচক্ষণ নেতা মণিৰাম দত্ত সাধনিয়াৰে অসমীয়া ৰাইজৰ প্ৰাণৰ কথা খুলি কৈ সদৌ অসমতে এটি জনসাধাৰণৰ বিপ্লৱ গঢ়ি তুলিছিল। সেই বিপ্লৱত ৰজা, জমিদাৰ, ৰাজকোঁৱৰ আৰু সাধাৰণ ৰাইজ সকলোৱে বৰঙণি দিবলৈ সাজু হৈ পৰিছিল। বিপ্লৱে ভৰপক অৱস্থা পোৱা হলে অসমত চিপাহী বিদ্ৰোহতকৈও ভয়াবহ কাণ্ড এটা হৈ উঠিলহেঁতেন। কিন্তু দুৰ্ভাগ্যবশতঃ কলিকতাৰ পৰা দেৱানে ৰজা কন্দৰ্পেশ্বৰ সিংহলৈ কেচুৰ ৰসেৰে লিখা চিঠি এখন ভুলতে 'হৰকৰা ভাটে' ৰজাক চিনিব নোৱাৰি হৰনাথ পৰ্ব্বতীয়া ডাৰোগাৰ হাতত দিয়াত বিপ্লৱে পূৰ্ণ পৰ্য্যায় লাভ কৰিবলৈ নৌপাওঁতেই ইংৰাজ সকলক ইয়াৰ বিৰুদ্ধে সাজু হবলৈ সুবিধা দিলে।

অসমৰ হকে মাত মাতোঁতা দেৱান আৰু অন্যান্য ডা-ডাঙৰীয়া সকলক অন্যায় ভাৱে বধ কৰি, দ্বীপান্তৰী কৰি বা দীঘলীয়া কাৰাবাস দি ইংৰাজসকলে সকলো বিপদ আৰু অশান্তিৰ পৰা নিষ্কণ্টক হব বুলি ভাবিছিল; কিন্তু তাৰ পিছত অসমবাসী নেতৃত্ববিহীন হৈ কটা ঘাঁত খাৰণি লগাৰ দৰে চটফটাই ফুৰিব লগীয়া হৈছিল। সেই কাৰণেই কোনো কোনো ঠাইত মাতৃ-মুক্তিৰ কাৰণে সাজু হবলৈ অসি-যুদ্ধৰো আখৰা চলিবলৈ ধৰিলে। অসমত যি কোনো মুহূৰ্ত্ততে বিপ্লৱৰ সম্ভাৱনা দেখি চৰকাৰে বছা বছা লোকসকলক শাস্তি বিহিছিল। সেই সময়ত চিপাহী বিদ্ৰোহৰ লগত সম্পূৰ্ণ সঙ্গতি ৰক্ষা কৰি সৰ্ব্ব-ভাৰতীয় বিদ্ৰোহৰ লগত সহযোগিতাৰে কাম কৰি মণিৰাম দেৱানে অসমৰ



গাৱেঁ-ভূঞে অভিনৱ বিপ্লৱৰ পাতনি মেলিবলৈ চেষ্টা কৰা জনসাধাৰণে নেতৃত্বৰ অভাৱত ১৮৫৮ চনৰ পৰা আপোন গতিৰে বিদ্ৰোহৰ সোঁত পৰিবৰ্ত্তিত অৱস্থালৈ লৈ যাবলৈ বাধ্য হয়।

গতিকেই ৰাইজে ঠায়ে ঠায়ে বিদ্ৰোহৰ সূত্ৰপাত কৰে। অসমৰ এই নতুন জাগৰণৰ নতুন সোঁতটোক ভেটা দি ৰাখিবলৈ কাৰো সাধ্য নাছিল। এই যুগটোক অসম বুৰঞ্জীৰ পাতত 'কৃষক বিদ্ৰোহ'ৰ যুগ বুলিয়েই আখ্যা দিয়া হৈছে। এই কৃষক বিদ্ৰোহে সৰ্ব্বপ্ৰথমে নগাঁও জিলাৰ ফুলগুৰি অঞ্চলত ব্যাপকভাৱে দেখা দিয়াত সেই ঠাইৰ লোক সকলে সাম্ৰাজ্যবাদী বৃটিছ চৰকাৰৰ অবৰ্ণনীয় অত্যাচাৰ সহ্য কৰিব লগীয়া হয়। গতিকেই 'ফুলগুৰি ধেৱা'ই অসমৰ প্ৰথম কৃষক বিদ্ৰোহ। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পিছত অসমত হোৱা এই কৃষক বিদ্ৰোহ-টোৱেই সম্ভৱতঃ ভাৰতৰ ভিতৰতো প্ৰথম কৃষক বিদ্ৰোহ।

16925
8-12-95

## দ্বিতীয় অধ্যায়

### মানৰ আক্ৰমণৰ পৰা চিপাহী বিদ্ৰোহলৈকে অসমৰ ৰাজনৈতিক পৰিস্থিতি

১৭৮০ চনৰ পৰা ১৮২৬ চনলৈকে অসমত মোৱামৰীয়া বিদ্ৰো আৰু অবৰ্ণনীয় মানৰ আত্যাচাৰৰ ফলত ছশ বছৰ মহাপ্ৰতাপেৰে ৰা কৰা খুনলুং আৰু খুনলাইৰ বংশধৰসকলৰ গৌৰৱ আৰু ক্ষমতা চিৰকা কাৰণে লোপ পালে। আত্মকলহ, ষড়যন্ত্ৰ, বিদ্ৰোহ, অভাৱনীয় অভিসন্ধি আদি দোষৰ কাৰণেই সূৰ্য্যবংশী আহোম ৰাজত্ব অসমত পৰিল। আহোম ডা-ডাঙৰীয়া সকলৰ গৃহ-কন্দল আৰু বিশ্বাসঘাতকত দেশলৈ কাল নিশা মাতি আনিলে। সেয়ে নহলে ২৪ লাখ অসমী সৈন্যই কাকতি ফৰিঙৰ দৰে ছয় লাখ মানক কাটি টুকুৰা-টুকুৰ ক ৰৰনৈৰ সোঁতত উটুৱাই দিবলৈ একো টান কথা নাছিল।

অমানুষিক হত্যা, লুটপাত আদি হিয়া বিদীৰ্ণ হৈ যোৱা বৰ জাতিৰ অত্যাচাৰ অসমৰ বুৰৰ ওপৰেদি প্ৰায় এযুগ ধৰি চলিল। মানই একেটা ঘৰতে ৫০।৬০ জনকৈ মানুহ সাঙুৰি ঘৰৰ ভিতৰত সুমুৱাই দি মাৰিলে--গৰ্ভৱতী নাৰীৰ পেট ফালি ৰং চালে—সৰু সৰু দেৱশিশু সকলক ওপৰলৈ দলিয়াই মাটিত নৌ পৰোঁতেই মাকহঁতৰ আগ তৰোৱালেৰে কাটি আনন্দ কৰিলে। হেজাৰ হেজাৰ সুন্দৰী যুৱতী অ বোৱাৰীক মানসৈন্যহঁতে পাশবিক অত্যাচাৰ কৰিলে।

অত্যাচাৰৰ ফলত মানুহৰ শ শিয়াল-কুকুৰেও খাব নোৱাৰা হৈছিল মানৰ আক্ৰমণৰ কালছোৱাত হত্যাকাণ্ডৰ উপৰিও অতি কমেও



জাৰ অসমীয়া মুনিহ-তিৰোতাক মানে ধৰি ব্ৰহ্মদেশলৈ লৈ গৈছিল। ক্ৰমণত হোৱা অবৰ্ণনীয় শোক লগা ধ্বংস লীলাৰ ফলত দেশ গুচি ৰিশালী হল—সুজলা সুফলা অসমী আইৰ বুকু হাবি বননি আৰু ৰীয়া জীৱ জন্তুৰ বাসস্থান হৈ পৰিল।

মানুহে মানৰ ভয়ত পৰ্ব্বতে প্ৰান্তৰে সোমাই আলু-কচু ঢেঁকীয়া দিকে খাই হাৰিয়ে বননিয়ে বাস কৰিছিল। কিছুমানে গাঁত খান্দি ট্ৰৰ তলতো বাস কৰিছিল। গোটেই অসমকে করুণ ক্ৰন্দনৰ বিননিয়ে কাকুল কৰি জৰ্জ্জৰিত কৰিলে। বৰ্ব্বৰ মানৰ আক্ৰমণৰ ফলত অসমীয়া তিৰ যি ক্ষতি হৈছিল তাক কোনো কবি বা বুৰঞ্জীবিদে বৰ্ণনা কৰিব ৰাৰে। মোৱামৰীয়া বিদ্ৰোহৰ পৰা মানৰ আক্ৰমণলৈকে হোৱা নুষিক হত্যাকাণ্ডৰ পিছত অসমৰ প্ৰতি বৰ্গমাইলত মাত্ৰ ন জনকৈ হেহে বসতি কৰিছিল। একমাত্ৰ মানৰ আক্ৰমণৰ ফলতেই সমগ্ৰ মনৰ আঘাতকৈও অধিক লোক নিহত হৈছিল। অসমীয়া প্ৰজাৰ জেৰে দোকোলটকা ৰৰনৈৰ হুয়োকূল উপচি পৰিছিল।

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়া আৰু ভাৰ ৰজাৰ মাজত হোৱা সন্ধি চুক্তি মতে অসম ইংৰাজৰ অধীনলৈ । অথচ সেই সন্ধিত কোনো এজন অসমীয়া মানুহৰ মতামতো ৰা নাছিল। সেই সন্ধি ইংৰাজ আৰু ব্ৰহ্মদেশ দুই বিদেশী জাতিৰ তহে হৈছিল। সন্ধিত অসমীয়া নেতৃবৰ্গ সন্তুষ্ট নহলেও সাধাৰণ জে তেজৰ নৈৰ পৰা পৰিত্ৰাণ পাই প্ৰথমে ফিৰিঙিবোৰক ভগৱানে দূত স্বৰূপেহে অসমলৈ পঠাইছিল বুলি ধাৰণা কৰিছিল। একেবাৰেই ন হব ধৰা অসমলৈ ইংৰাজে শান্তি অনাত অপাৰ সমুদ্ৰত হোৱা ঢৌ আৰু ধুমুহাৰ পিচত সাগৰৰ মাজৰ নৌকাযাত্ৰীৰ অন্তৰত কৈ শীতল শান্তি বিৰাজ কৰে, তেনেকৈয়ে অসম মাতৃৰ কোলালৈও হত্যাকাণ্ডৰ শেষত অশান্ত মানসাগৰত ককবককৈ উটিবুৰি নামতে প্ৰাণ বচাই থকা অসমীয়া সকলৰ অন্তৰলৈ শান্তিৰ প্ৰেৰণা হৈছিল।

প্ৰথমতে দুৰ্গম পথ অতিক্ৰম কৰি কঠোৰ পৰিশ্ৰমেৰে

কেইজনমান ইংৰাজ চাহাবে হাৱা-পানীয়ে নুশুজা অসমৰ নিচিনা এখন দেশত ৰাজত্ব কৰাৰ কথা ভবাই নাছিল। গতিকেই পূৰ্বৰ অসমীয়া ৰজাকে অসমখন গটাই দিব বুলিও কোনো কোনো ইংৰাজ মহলত আলোচনা চলিছিল। মানক খেদাৰ আগতে ইংৰাজসকলে অসমীয়া প্ৰজাৰ মন জয় কৰিবৰ কাৰণে মানক খেদি অসম ৰজাকে ৰাজ্য দিব বুলি কৰা প্ৰতিশ্ৰুতি ভঙ্গ কৰি ১৮২৮ চনৰ ৭ মাৰ্চ্চৰ ঘোষণামতে অসম বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাত ছশ বছৰীয়া আহোম গৌৰৱ ৰক্ষা কৰি মাতৃভূমিক বন্ধন শৃঙ্খলৰপৰা মুক্ত কৰিবৰ কাৰণে কেইজনমান ডা-ডাঙৰীয়া উঠি পৰি লাগিল। দেশৰ মান মৰ্য্যদা ৰক্ষা কৰিবৰ বাবে আহোম ৰাজপৰিয়ালৰে গমধৰ কোঁৱৰ আৰু জয়ধন পিয়ালী বৰগোঁহাই আদিয়ে প্ৰথমতে ১৮২৮ চনত ইংৰাজৰ বিৰুদ্ধে উজনি অসমত বিদ্ৰোহৰ অগনি জ্বলালে। ১৮২৯ চনত বীৰ নেতা তিৰুৎ সিংৰ নেতৃত্বত খাচিয়া পাহাৰতো স্বাধীনতাৰ কাৰণে বিপ্লৱৰ ঢৌ উঠিল। খাচিয়া সকলে ইংৰাজ বিষয়া লেফ্‌টেনেন্ট বাৰ্লটন বেডিংচ্ ফিল্ডক বধ কৰি নংখ্লাও বঙলাত জুই দিয়ে। চিংফৌ আৰু গ্যাৰোসকলেও পূৰ্ণোদ্যমে ১৮৩০ চনত খাচি সকলৰ লগতে বিদ্ৰোহত যোগদান কৰিলে। আহোম ৰাজবংশী পলাতক নেতা গমধৰ কোঁৱৰৰ উপৰিও পিয়লীয়া বৰগোঁহায়ে চিংফৌ খাম্‌তি আদি জনজাতীয়সকলক বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ নেতৃত্বৰ যোগান ধৰিলে। ১৮৩৯ চনৰ ১৯ জানুৱাৰীৰ দিনা শদীয়াত খাম্‌তিসকলে কৰ্ণেল এডাম হোৱাইট্ ( Col. Adam White ) সহ ৮০ জন বৃটিছ সৈন্যক হত্যা কৰিলে। আবৰ, অঁকা আৰু নগা সকলেও ইংৰাজৰ বিৰুদ্ধে মূৰ ডাঙি উঠিল।

১৮৩০ চনৰ ২৫ মাৰ্চ্চ তাৰিখে জয়পুৰৰ তৰাতলিত সদলবলে যুদ্ধৰ আখৰা পাতি বৃটিছৰ খাৰখৰত জুই দি মান অনা বদনৰ পুত্ৰ চাকোলা পিয়লী বৰফুকন ঘটনাস্থলিতে ধৰা পৰে। দুই এজন নেতাৰ বাহিৰে বাকীসকলোকে গেলেকীত গ্ৰেপ্তাৰ কৰিবলৈ চৰকাৰ সমৰ্থ হয়। চাকোলা পিয়লীয়ে বৃটিছৰ কাৰাগাৰত সোমাই নিশ্চিত মৃত্যুৰ কথা জানিও— "চাহাব, পৃথিৱীৰ কোনো মানুহেই দাস হৈ মৰিবলৈ নিবিচাৰে



কাৰণেই মই মোৰ মাতৃভূমিক উদ্ধাৰ কৰিবৰ কাৰণে যুদ্ধ কৰিছোঁ" বুলি কোৱা উদ্দীপ্ত বাণীয়ে অসমীয়া ৰাইজৰ অন্তৰলৈ উদ্দীপনা আৰু স্ফুৰণ আনি দিলে। জেমচ্ মেথি চাহাবৰ আদেশত অদম্য স্বাধীনতাপ্ৰিয় পিয়লী বৰফুকনক জীউৰাম দুৱলীয়া বৰুৱাৰে সৈতে ফাঁচি দিয়া হল। বাকী সকলক দ্বীপান্তৰী কৰি কলিয়াপানীলৈ পঠোৱা হল।

উজনি অসমত হোৱা অসন্তোষৰ ফলত বিদ্ৰোহ সঘনে বাঢ়ি অহাত আৰু তাৰ শিপা পাহাৰী অঞ্চললৈকে বিয়পি পৰাৰ কাৰণে সেই অঞ্চলৰ ৰাইজৰ মন তোষণ কৰিবৰ কাৰণেই হবলা ১৮৩৩ চনৰ ২ মাৰ্চ্চ তাৰিখে এটি সন্ধি কৰি পঞ্চাশ হেজাৰ টকা বছৰি কৰ দিবলৈ মান্তি কৰাই উজনি অসমখন স্বৰ্গদেউ পুৰন্দৰ সিংহৰ হাতত গটাই দিলে। তেতিয়া অন্যান্য সকলো কথা বাদ দিও কেইবাবছৰৰ পিচত ৰাইজে স্বৰ্গদেউ এজনৰ ওচৰত পুনৰ মূৰ দোঁৱাবলৈ পাই তুষ্ট হৈছিল আৰু সকলোৱে আশা কৰিছিল যে হয়তো আকৌ অসমলৈ পূৰ্ব্বৰ গৌৰৱময় সোণালী দিনবোৰ ফিৰি আহিবলৈ বেচি দিন নেলাগিব। কিন্তু অন্য-হাতেদি জেন্‌কিন্স্ চাহাবে ৰজাৰ অসমৰ্থতা আৰু অকৰ্ম্মণ্যতা প্ৰমাণ কৰিবলৈ উঠি পৰি লাগিল। এনে সময়তে ১৮৩৮ চনত গোটেই অসমতে প্ৰবল ভূমিকম্প হৈ আৰু কাকতি ফৰিং ওলাই দেশৰ সকলো শস্য খাই উপান্ত কৰে। এনে দুৰ্য্যোগপূৰ্ণ কালৰ অন্ত নৌ পৰোঁতেই নানান চেলু বিচাৰি আৰু বহুত অসত্য আৰু অপ্ৰাসঙ্গিক কাৰণ দেখুৱাই ১৮৩৯ চনৰ ৩১ জুলাই তাৰিখে স্বৰ্গদেউ পুৰন্দৰ সিংহৰ পৰা উজনি অসমৰ শাসন-ভাৰো কাঢ়ি লৈ খাছ বৃটিছৰ তলতীয়া কৰা হল। অসমীয়া প্ৰজাই শেষবাৰৰ কাৰণে আশ্ৰয়স্থলকণো হেৰুওৱাত হেজাৰ হেজাৰ অসমীয়া ৰাইজ মনে প্ৰাণে বিদ্ৰোহী হৈ উঠিছিল। ইংৰাজে উজনি অসমৰ শাসন ভাৰ নিজ হাতলৈ নিয়াৰ প্ৰকৃত অৰ্থ হল সেই অঞ্চলৰ চাহ, তেল, কয়লা, কাঠ আদি প্ৰাকৃতিক সম্পদৰ কাৰণে লোভ আৰু অসমৰ স্বাধীনতা সম্পূৰ্ণভাৱে লুপ্ত কৰি ইংৰাজ শাসন প্ৰবৰ্ত্তন কৰা। এইবোৰ ঘটনাৰ পিছত অসমীয়া ৰাইজৰ চেতনা বৃদ্ধি পাবলৈ ধৰিলে। সেই কাৰণেই বিভিন্ন ঠাইত অসমৰ চুকে কোণে বিভিন্ন আকাৰেৰে বৃটিছ শাসনৰ বিৰুদ্ধে অগ্নিশিখা প্ৰজ্বলিত হৈ উঠিছিল।

উত্তৰ কাছাৰ পাহাৰত কছাৰী ৰজা তুলাৰাম সেনাপতি এজন প্ৰতাপী বীৰ আছিল। তেওঁ কেইবাবছৰো বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰি ১৮৫০ চনৰ ১২ অক্টোবৰ তাৰিখে মৃত্যু বৰণ কৰে। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ লৰা ছুটিৰ পৰা ৰাজ্যভাৰ কাঢ়ি লোৱাত কছাৰীসকলো ইংৰাজৰ বিপক্ষে থিয় দিলে। তুলাৰাম সেনাপতিৰ বীৰত্বৰ কাহিনী সম্বন্ধে বহুত অলৌকিক সাধুকথা আজিও নগাওঁ জিলাৰ কপিলী উপত্যকাৰ বুঢ়া লোকসকলৰ মুখত শুনা যায়।

ইয়াৰ লগে লগে ১৮৪০ চনৰ পৰা ১৮৫০ চনৰ ভিতৰত নগা, গাৰো, মিৰি, খামতি, ভোট, আঁকা, জয়ন্তীয়া, মণিপুৰী আদি অসমৰ সকলো পৰ্ব্বতীয়া জাতিয়েই বিদ্ৰোহী হৈ উঠিছিল। নগা সকলে অসীম সাহসেৰে ভৈয়ামৰ মানুহ মাৰি আৰু বয়বস্তু লুটপাত কৰি ইংৰাজ চৰকাৰক ব্যতিব্যস্ত কৰি তুলিছিল। ১৮৫১ চনত ২৭৮ জন মানুহক নগাহঁতে বধ কৰে আৰু বহুতক নগা পৰ্ব্বতলৈ ধৰি লৈ যায়। তেওঁলোকে ইংৰাজ সেনাপতি হলকম্ব ( Holcomb ) চাহাবকো সেই বছৰতে বনত পহু চিকাৰ কৰাদি নৃশংস ভাৱে হত্যা কৰিছিল। কিন্তু সেই বিদ্ৰোহীসকলৰ বিৰুদ্ধে ইংৰাজ চৰকাৰে বিশেষ একোকে কৰিব পৰা নাছিল।

১৮২৬ চনৰ পৰা ১৮৫০ চনৰ ভিতৰতে আহোম ৰজাসকলৰ উপৰিও শিলৰ সাঁকোৰ দৰে গঢ়ি উঠা কৌটিকলীয়া পৰ্ব্বত-ভৈয়ামৰ সম্প্ৰীতি বৃটিছ চৰকাৰে ভেদনীতিৰ জৰিয়তে ছিন্ন-ভিন্ন কৰি সাগৰ-সঙ্কাশ পাৰস্পৰিক ভয় আৰু ঘৃণাৰ অৱতাৰণা কৰাৰ ফলত পৰ্ব্বতীয়া জাতি বিলাকো ভৈয়ামবাসীসকলৰ পৰা আঁতৰাই পেলালে। কোনো ক্ষেত্ৰতে পৰ্ব্বতীয়া আৰু ভৈয়ামীয়া লোক সকল একেলগ হৈ ৰাজনৈতিক আৰু অন্যান্য আলোচনা কৰিবলৈ সুযোগ লাভ নকৰিছিল। তাৰ ফলত অসমত যুগে যুগে চলি অহা ভাই ভাই সম্বন্ধ চিৰকালৰ কাৰণে শিথিল হৈ পৰিল। ফটা বাঁহ যোৰা দি প্ৰেম-প্ৰীতি গঢ়িবৰ বাটো চিৰকালৰ কাৰণে ৰুদ্ধ হৈ গল।

বাৰেওটি কাল মিলিজুলি থকা পৰ্ব্বত-ভৈয়ামৰ সকলো অসমবাসীয়ে ইংৰাজৰ চক্ৰান্তত একমুখে বিদ্ৰোহৰ পাতনি মেলিবলৈ নেপালেও এই



সকলোবোৰ বিদ্ৰোহৰে একমাত্ৰ উদ্দেশ্য আছিল বৃটিছৰ কুশাসনৰ বিৰুদ্ধে জ্বলি পকি উঠা ৰাইজৰ ঐকান্তিক জনমত আৰু স্বাধীনতাৰ প্ৰতি অসীম আগ্ৰহ। সেই সময়ত অসমত পৰ্ব্বতে ভৈয়ামে সকলো মানুহৰ অন্তৰত স্বাধীনতাৰ দীপ্ত শক্তি জাগৃত হৈ উঠিছিল। দুখ-দৈন্য, ঘৃণা আৰু ক্লেদৰ জৰিয়তে, ৰাইজৰ অন্তৰৰ চকুলো বিপ্লৱৰ ধ্বনিৰে উদ্‌গীৰণ হৈ আগ্নেয়গিৰিৰ সৃষ্টি কৰিছিল। অসমৰ চিৰকলীয়া স্বাধীন বুৰঞ্জীৰ পাতত এলান্ধু লাগি ঘৰতে প্ৰবাসী হোৱাৰ ক্ষোভে সকলোৰে আত্মচেতনা জগাই তুলিছিল। সেই কাৰণেই হে অসমৰ চাৰিওফালে বিপ্লৱৰ বান উঠিছিল। প্ৰত্যেকজন অসমীয়াৰ মনৰ কোঁহে কোঁহে, পৰ্ব্বতৰ টিঙে টিঙে আনকি গছ-বিৰিখ চৰাই-চিৰিকতিয়েও মাতৃ মুক্তিৰ কাৰণে বাতৰি বহন কৰি জাতীয় জীৱনলৈ এটি নতুনৰ ঢল আনিছিল।

এনে সময়তে দেশত নেতৃত্বৰ যোগান ধৰিবলৈকেহে যেন ভগৱানে মণিৰাম দেৱানক দেৱদূত স্বৰূপে অসম মাতৃৰ বুকুলৈ আহ্বান কৰি আনিলে। দেৱানৰ গাত স্বদেশহিতৈষিতা, পাণ্ডিত্য, বিচক্ষণতা, শাসনকৰ্ত্তা আৰু দেশৰ হেজাৰ হেজাৰ প্ৰজাৰ মন বুজি উপযুক্ত নেতৃত্ব দান কৰা আদি অলেখ সদ্‌গুণে বিভূষিত কৰাৰ কাৰণেই তেওঁ ৰজা-প্ৰজা সকলোৰে অতিকৈ শ্ৰদ্ধাৰ পাত্ৰ হব পাৰিছিল। পৰ্ব্বতীয়া ৰজা-প্ৰজাসকলৰ ওপৰতো দেৱানৰ অতুল প্ৰভাৱ আছিল। স্বৰ্গদেউ পুৰন্দৰ সিংহক উজনি অসমত ৰজা পতা কালছোৱাত দেৱানে বৰভাণ্ডাৰ বৰুৱা স্বৰূপে কাৰ্য্য চলাইছিল। তেওঁৰ বেহা-বেপাৰ, সমাজসেৱা আদি দেশৰ আৱশ্যকীয় সকলো বিষয়তে প্ৰত্যুৎপন্নমতিত্ব আৰু অগাধ ব্যক্তিত্ব থকাৰ কাৰণেই সকলোকে প্ৰকৃত পথ প্ৰদৰ্শন কৰিব পাৰিছিল। ইংৰাজ সকলেও প্ৰথমতে দেৱানৰ বুদ্ধি-পৰামৰ্শ লৈহে যি কোনো ডাঙৰ কামত হাত দিছিল। অসমসাহসী স্বদেশপ্ৰিয় দেৱানক ইংৰাজ বিষয়াসকলে যিমানেই দন্দুৰা আৰু বিশ্বাসঘাতক আখ্যা দিয়ক অসমীয়া প্ৰজাই তেওঁক হাড়ে হিমজুৰে চিনিব পাৰি গণনেতা স্বৰূপে গ্ৰহণ কৰিছিল। দেৱানক অন্যায় ভাৱে ফাঁচি দিয়াত আৰু অন্যান্য নেতৃবৰ্গৰ দুখ-দুৰ্গতি দেখি অসমৰ ডেকা-বুঢ়া সকলোৰে মন বিপ্লৱী হৈ পৰিছিল।

সমগ্ৰ অসমতে বিপ্লৱৰ পাতনি মেলিবলৈ নামঘৰ, মছজিদ আৰু, অন্যান্য ধৰ্ম্ম-মন্দিৰ বোৰত ভাওনা,নাম-কীৰ্ত্তন-বৰসবাহ, ধৰ্ম্মালোচনা, ভকত, সেৱা আদিৰ জৰিয়তে বৃটিছৰ বিৰুদ্ধে প্ৰৱল আন্দোলন গঢ়ি উঠিছিল। শিক্ষা-দীক্ষাত ভাৰতৰ অন্যান্য প্ৰদেশৰ তুলনাত বহুত পিছপৰি থাকিলেও স্বাধীনতাৰ বাবে সকলো অসমবাসীৰে ধমনীত আত্মচেতনা জাগৰিত হৈ উঠিছিল। কিন্তু আনহাতেদি ৰাইজৰ পৰা সম্পূৰ্ণভাৱে বিচ্ছিন্ন হৈ থকা কাৰণেই শাসক গোষ্ঠীয়ে সেইবোৰৰ ভূকে পোৱা নাছিল।

ধৰ্ম্মগুৰু আৰু ডা-ডাঙৰীয়াসকলেও আন্দোলন গঢ়ি তোলাত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আঠঘৰীয়া আহোম আৰু চাৰিসত্ৰীয়া গোঁসাই সকলৰ লগতে অন্যান্য সকলৰো পূৰ্ব্বৰ সন্মান হেৰাল। সেইসকলৰো অন্তৰ গুজৰি গুমৰি আছিল। অসম ৰজাৰ দিনত ধৰ্ম্ম-অনুষ্ঠান সমূহলৈ সকলো প্ৰকাৰৰ ৰজাঘৰীয়া সাহায্য আগবঢ়োৱা হৈছিল। কিন্তু ১৮৪২ চনৰ আইনৰ সূত্ৰমতে অসমৰ সকলো ধৰ্ম্ম অনুষ্ঠান আৰু গোঁসাই মহন্তসকলক ৰাজঘৰীয়া সকলো প্ৰকাৰৰ সহায়-সহানুভূতিৰ পৰা বঞ্চিত কৰাত গুৰুসকলো ইংৰাজৰ বিদ্ৰোহী হৈ উঠি শিষ্যসকলক উত্তেজিত কৰি তুলিছিল।

তেতিয়াৰ দিনত চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাত তিনিটা ৰেজিমেণ্ট ৰখাৰ দিহা কৰিছিল। প্ৰথম অসম লাইট ইনফেনট্ৰি (Ist. Assam Light Infantry) দলটো শিৱসাগৰত, দ্বিতীয় Sebundry Corpsৰ আধা গুৱাহাটী আৰু আধা ৰংপুৰত আৰু তৃতীয়টো দ্বিতীয় অসম লাইট ইনফেনট্ৰি (2nd Assam Light Infantry) দলটো ডিব্ৰুগড়ত ৰখা হৈছিল। অসমত উপযুক্ত পৰিমাণে ইংৰাজ সৈন্য নথকাৰ কাৰণে ৰাইজে অলপ আয়াসতে দেশৰ লুপ্ত গৌৰৱ উদ্ধাৰ কৰিব পাৰিব বুলিও ধাৰণা কৰিছিল।



# তৃতীয় অধ্যায়

## মানৰ আক্ৰমণৰ পিচত অসমৰ অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতি

ইংৰাজে অসম দখল কৰিয়েই প্ৰথমতে দুবছৰ মানলৈ প্ৰজাৰ ৰীতি-নীতি, শাসন পদ্ধতি, ধৰ্ম্ম সংস্কৃতি একোতেই হাত দিয়া নাছিল। তেওঁলোকে পূৰ্ব্বাপৰ ৰজাদিনীয়া নীতিৰেই দেশৰ সকলোবোৰ শাসন পৰিচালনা কৰি প্ৰজাৰ মনত অসন্তোষ নিদিবলৈ চেষ্টা কৰিছিল। চৰকাৰৰ সেই কাৰ্য্যৰ বাবে ৰাইজ সুখীও হৈছিল। কিন্তু, ১৮২৮ চনৰ পৰাই অতি দ্ৰুততৰ গতিৰে ইংৰাজী আইন কানুন, বিচাৰ পদ্ধতি আৰু খাজনা বৃদ্ধি আদিত হাত দিয়াত প্ৰজা অতিকৈ অসন্তুষ্ট হৈ পৰিল। ৰজাদিনীয়া সকলো আচাৰ নীতি সম্পূৰ্ণৰূপে পৰিহাৰ কৰাৰ ফলত দেশৰ বতাহ পানীয়ে নুশুজা শাসন-প্ৰণালীয়ে ৰাইজক আচহুৱা কৰি ঘৰতে আলহি কৰিলে। হেজাৰ হেজাৰ বছৰ অসমত সুখেৰে বাস কৰি অহা অসমীয়া জাতিয়ে নিজৰ ঘৰতে বাস কৰিও সকলোপ্ৰকাৰে অতীতক হেৰুৱাই বিদেশী যেন অনুভৱ কৰিলে।

তেতিয়া অসম শাসন কৰিবৰ কাৰণে আইন কানুনৰো কোনো বন্ধা-ধৰা নীতি নাছিলেই বুলি কলেও বঢ়াই কোৱা নহব। ১৮৩৭ চনৰ পৰা বিশেষ আইন অনুসৰি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম শাসন কৰিছিল। ১৮৫০-৫১ চনতহে অন্যান্য প্ৰদেশত প্ৰচলিত ভাৰতীয় দণ্ডবিধি আইন অসমত প্ৰণয়ন কৰা হয়। গতিকেই ১৮৫২ চনৰ আগলৈকে বহুক্ষেত্ৰত নিজ খুচিমতে ইংৰাজ বিষয়াসকলে অসমৰ শাসন কাৰ্য্য চলাইছিল।

অসমীয়া প্ৰজাই চিৰকালেই বিদেশীক ম্লেছ বুলি ঘিণ কৰি

আহিছিল। দেশৰ গুৰিবঠা দেশীয় মানুহৰ বাহিৰে কোনো কালেই বিদেশীয়ে চলোৱাৰ প্ৰমাণ অসম বুৰঞ্জীৰ পাতত পাবলৈ নাই। আন কি মোগল সম্ৰাট সকলেও সোতৰ বাৰ অসম আক্ৰমণ কৰি বিফল মনোৰথ হৈ অসমীয়া ৰজা প্ৰজাৰ বীৰত্ব শতমুখে স্বীকাৰ কৰি গৈছিল। অথচ বৃটিছ চৰকাৰে অসম লোৱাৰ পিছৰে পৰা অসমত উপযুক্ত লোক থকা স্বত্বেও দলে দলে বঙালী কৰ্মচাৰীৰ উপৰিও মাৰোৱাৰী আৰু হিন্দুস্থানী ব্যৱসায়ীসকলক অবাধ গতিৰে অসমলৈ আনি তেওঁলোকৰ হাততে অসমৰ চাকৰি বাকৰি আৰু ব্যৱসায় বাণিজ্যৰ চাবি-কাঠি তুলি দিয়াত আৰু খিলঞ্জীয়া অসমীয়া ৰাইজৰ হক স্বাৰ্থৰ কাৰণে অলপো চিন্তা নকৰাত ৰাইজৰ দুখৰ সীমা নোহোৱা হল। কুন্ধিয়ে কুন্ধিয়ে অসমী আইৰ বুকুৰ ধন বিদেশলৈ যোৱাত ৰাইজৰ দুৰ্গতিৰ সীমা নোহোৱা হল। ইংৰাজ শাসনৰ ছত্ৰছায়াত সেই অন্যায়কাৰীসকলে ছলে চাতুৰীয়ে অধিক লাভ কৰি অসমীয়া ৰায়তৰ তেজ শুহিবলৈ ধৰিলে। তাৰ বিৰুদ্ধে যি কোনো মানুহে মাত মাতিলেই কঠোৰ শাস্তিৰ হে সন্মুখীন হব লগীয়া হল। বিহাৰ, উৰিষ্যা আৰু অন্ধ্ৰৰ পৰা হেজাৰ হেজাৰ কুলি আনি অলপ দিনৰ ভিতৰতে অসমৰ পৰ্ব্বতে প্ৰান্তৰে বিনা খাজনাতে ধুনীয়াকৈ ইংৰাজ চাহাবে কৰা চাহ বাগানবোৰত মেলি দিয়াত তেওঁলোককো কৌটিকলীয়া অসমীয়া সকলেই পোহপালনৰ যোগান ধৰিব লগা হল। চাহবাগান পাতিবৰ কাৰণে হেজাৰ বিজাৰ খিলঞ্জীয়া ৰায়তে পৈত্ৰিক ভেঁটি বিনামূল্যে এৰি দিবলৈকো বাধ্য হব লগীয়া হল।

দেশত কৰ-কাটল দিনে দিনে বৃদ্ধি কৰি আৰু ন ন কৰ বহুৱাই ৰাইজক অতিষ্ঠ কৰা হল। ৰাইজৰ সপোনৰো অগোচৰ কিছুমান কৰ লগোৱাত অসমীয়া ৰাইজ বিমোৰত পৰিছিল; কিয়নো আহোম স্বৰ্গদেউ সকলৰ দিনত ৰাইজে কৰৰ বোজা বহন কৰিব লগীয়া নহৈছিল। "দেবোত্তৰ-ব্ৰহ্মোত্তৰ-নানকাৰ-লাখেৰাজ—হাটঘাট-ফাট" আদিও নিলাম কৰাই সকলোৰে জমা স্থিৰ কৰি লোৱা হল। দেশৰ সামাজিক, ঐতিহাসিক আৰু ভৌগোলিক সকলো ক্ষেত্ৰতে ন ন অপৰিচিত কথাই ঠাই পালে। স্বৰ্গদেউ সকলৰ দিনত পাৰঘাট, বজাৰ, মাছমৰা বিল



আদিৰ মাচুল লোৱা নহৈছিল। ইংৰাজে সেইবোৰতো কৰ লগালে।

অসমত শ শ বছৰ চলি অহা পঞ্চায়তী বিচাৰ ৰাইজৰ অনিচ্ছা সত্বেও জোৰ কৰি তুলি দি ঠায়ে ঠায়ে নগৰ পাতি কাছাৰি ঘৰ সাজি মুন্সিফ্ আমিন্ আদি নিয়োগ কৰা হল। আহোম ৰাজত্বত গাওঁবোৰতহে প্ৰাধান্য দিয়া হৈছিল। বৃটিছ অহাৰ আগেয়ে অসমত নগৰৰ ব্যৱস্থা নাছিল বুলিলেই হয়। নগৰৰ ব্যৱস্থাই শিক্ষা, বাণিজ্য, বিচাৰ আদি কেন্দ্ৰীভূত কৰিলে। বিকেন্দ্ৰীভূত অসমত কেন্দ্ৰীয়কৰণ আঁচনিয়ে ৰাইজৰ বহু অসুবিধা আৰু অশান্তিৰ সৃষ্টি কৰিলে। অসমৰ বাহিৰে ইতিপূৰ্ব্বে ভাৰতৰ অন্যান্য প্ৰদেশসমূহত নগৰবোৰ গঢ়ি উঠি বুদ্ধি, বৈভৱ আৰু ক্ষমতাৰ কেন্দ্ৰ হৈ পৰিছিল। শাসকৰ ভাব-ভাষা আৰু আইন-পদ্ধতি ৰাইজৰ চিন্তাধাৰাৰ পৰা একেবাৰেই পৃথক হোৱা গতিকে মধ্যস্থতাকাৰী উকিল মহৰীৰ আশ্ৰয় লব লগা হল। উকিল ধৰিবলৈ টকাৰ আৱশ্যক। টকা নহলে একোৱেই নহয়। আদালততো পুলিচ কেৰাণী সকলোকে ভেঁটি খুৱাব লাগে। একমাত্ৰ ভেকো-ভাওনাহে বিচাৰৰ ক্ষেত্ৰত ৰাইজে দেখিবলৈ পালে। স্বৰ্গদেউ সকলৰ ছত্ৰছায়াত অসমীয়া প্ৰজাই সদা-সৰ্ব্বদা সুবিচাৰেই পাই আহিছিল। বৃটিছৰ দিনত টকা আৰু বুদ্ধি হলে সঁচাকো মিছা আৰু মিছাকো সঁচা কৰিব পৰা দেখি উচিত বিচাৰৰ পৰা একেবাৰেই বঞ্চিত হোৱাত বিচাৰৰ ক্ষেত্ৰতেই ৰাইজ আটাইতকৈ অসন্তুষ্ট হৈ পৰিছিল।

আহোম স্বৰ্গদেউ সকলৰ দিনত সহজ-সৰল বিচাৰ আছিল। ব্ৰহ্মথূলৰ মাজত শপত খুওৱা হৈছিল। ধৰ্ম্মত মানুহৰ অগাধ মতি থকাৰ কাৰণেই তেতিয়া শপতৰ মূল্যও অব্যৰ্থ আছিল বুলি মানুহৰ ধাৰণা হৈছিল। কিন্তু ইংৰাজ শাসনত শপতৰো মূল্য নোহোৱা হল। এইবোৰ দেখি শুনি ধৰ্ম্মপ্ৰাণ অসমীয়া ৰাইজৰ মাজত আতঙ্কৰ সৃষ্টি হৈছিল। বাট-ঘাটৰ অসুবিধা স্বত্বেও দূৰণীবটীয়া আৰু আওহতীয়া ঠাইৰ পৰা গোছৰীয়া-পদকীয়া সকলে হাবি-জঙ্ঘল-নৈ বিল অতিক্ৰম কৰি হাতী-বাঘ-ভালুক-সাপ আদিৰ লগত যুদ্ধ কৰি নানান কষ্টেৰে বাটকুৰি বাই নগৰলৈ আহি আদালতত নিৰ্দ্ধাৰিত সময়ত উপস্থিত হব নোৱাৰাৰ কাৰণেই মোকৰ্দ্দমা

ডিচমিচ্ কৰা হৈছিল। আবেদন নিবেদনৰ দ্বাৰা আৰ্ত্তনাদ কৰিলেও তাৰ পুনৰ বিচাৰ কৰা নহৈছিল। এইদৰে অগম্য পথ ভ্ৰমণ কৰি আহোঁতে কোনো কোনো জন হিংস্ৰ জন্তুৰ হাতত পৰি প্ৰাণো বিসৰ্জ্জন দিব লগা হৈছিল।

দাৰোগাসকলে দুখীয়া আৰু নিঃসহায়সকলৰ ওপৰত মাৰধৰ কৰি অত্যাচাৰ কৰিছিল। অথচ তেওঁলোকেই আছিল ধন-মান আৰু বিচাৰ ৰক্ষাৰ একমাত্ৰ আশ্ৰয়স্থল। টকাৰ জোৰত দোষী সাৰি যায়, নিৰ্দ্দোষীৰ শাস্তি হয়। দাৰোগাসকলৰ বিৰুদ্ধে কোনো গোচৰো নহৈছিল। বৰঞ্চ কোনোবাই কেতিয়াবা গোচৰ তৰিলেও তাৰ বাবে কঠোৰ ভাৱে পোটক তোলা হৈছিল।

অসম চিভিল আইনৰ ২য় অধ্যায়ৰ ৫ম আৰু ৬ষ্ঠ আইন মতে দেশীয় বিচাৰকসকলক সদৰ-দেৱানী আদালতত বিচাৰ কৰিবৰ কাৰণে ক্ষমতা দিয়া নহৈছিল। সেই গতিকেই ইংৰাজ চাহাবসকলৰ কামৰ বোজাও বাঢ়ি গৈছিল। তেওঁলোকে কেতিয়াবা খং কৰিছিল আৰু দোষী-নিৰ্দ্দোষীৰ প্ৰকৃত বিচাৰ নকৰি মনত যিহকে আহে তাকে খুচিমতে ৰায় দিছিল। অন্য হাতেদি দেৱানী-ফৌজদাৰী আৰু কলেক্টৰী আদালতৰ মেৰপাক সৰ্ব্বসাধাৰণ ৰাইজৰ পক্ষে একেবাৰেই বোধগম্য নাছিল কাৰণেই অসমীয়া ৰায়ত হতাশ হৈ পৰিছিল।

"১৮৫৩ চনত চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছখন জিলাৰ প্ৰিন্সিপাল এচিচ্টেণ্টসকল, তিনিজন জুনিয়ৰ এচিচটেণ্ট আৰু আঠজন সহকাৰী এচিচ্টেণ্টৰ শাসন কাৰ্য্যত চকু দিবৰ কাৰণে এজন কমিচনাৰ আৰু এজন ডেপুটি কমিচনাৰ নিয়োগ কৰে। তেওঁলোক দুয়োজনে গুৱাহাটীত থাকি শাসনভাৰ চলাইছিল। তাৰ উপৰিও দেৱানী বিভাগৰ শাসনকাৰ্য্য চলাবৰ বাবে এজন প্ৰিন্সিপাল সদৰ আমিন, ছজন সদৰ আমিন আৰু ১৭জন মুন্সিফো আছিল। কমিচনাৰ জনে মাহিলী ২,০০০্ টকা ৪জন প্ৰিন্সিপাল এচিচ্টেণ্টে ১,০০০্ টকা, দুজনে ৭৫০্ টকা, জুনিয়ৰ এচিচটেণ্ট সকলে ৫০০্ টকা সহকাৰী এচিচ্টেণ্টসকলে ৩৫০্ টকা, সদৰ আমিন আৰু মুন্সিফসকলে ৩০০্ টকা আৰু ১০০, টকাকৈ মাহিলি দৰমহা



পাইছিল।" ( গেইট চাহাবৰ History of Assam ) শাসনকাৰ্য্যৰ নিম্ন খাপৰ বিষয়াসকলকহে ভাৰতবাসীৰ মাজৰ পৰা মকৰল কৰা হৈছিল। "১৮৬১ চনৰ পৰা প্ৰিন্সিপাল এচিচ্টেণ্ট, ডেপুটি কমিচনাৰ, জুনিয়ৰ এচিচচ্টেণ্ট, এচিচ্টেণ্ট কমিচনাৰ আৰু সহকাৰী এচিচ্টেণ্টসকলক একষ্ট্ৰা এচিচ্টেণ্ট কমিচনাৰ ( Extra Assistant Commissioner ) পদবীৰে নামাকৰণ কৰা হৈছিল।" ( এডৱাৰ্ড গেইট )।

সাধাৰণ সৈনিকৰ পৰা আৰম্ভ কৰি জিলাৰ বৰচাহাবলৈকে যি কোনো ইংৰাজে কোনো অসমীয়া মানুহক অত্যাচাৰ কৰিলে বা তিৰোতাৰ সতীত্ব নষ্ট কৰিলে আনকি গৰু কাটি দৌল-দেৱালয় অপবিত্ৰ কৰিলেও তাৰ বিচাৰ কৰা নহৈছিল। কিন্তু, কেতিয়াবা ভুলতো কোনোবাই খৃষ্টান ধৰ্ম্মৰ বিৰুদ্ধে এষাৰ মাত মাতিলেও তাৰ সমুচিত প্ৰতিবিধান কৰা হৈছিল। আহোম স্বৰ্গদেউ সকলৰ দিনত দৌল-দেৱালয় আৰু ৰজা-মৈদাম বিলাকক উচ্চ স্থান দি সেইবোৰৰ ৰক্ষণাবেক্ষণৰ কাৰণে সকলো প্ৰকাৰৰ সুব্যৱস্থা কৰা হৈছিল। কিন্তু ইংৰাজৰ দিনত সেইবোৰ নষ্টহে কৰা হৈছিল আৰু তাত থকা শ-শ মোণ সোণ-ৰূপ-হীৰা-মুকুতা লুট কৰি ভাপ-নাৱত তুলি ইংলণ্ডলৈ চালান দিয়া দেখি ধৰ্ম্মপ্ৰাণ অসমীয়া প্ৰজাই ভাবিছিল যে ইংৰাজে আহি হিন্দুধৰ্ম্মক অৱজ্ঞা কৰাত আৰু দেৱ-দেৱীৰ পূজা-পাতল আদি নোহোৱাতহে মাউৰ-বসন্ত-বজ্ৰপাত-বানপানী আদিৰ উৎপাত দিনক দিনে বেছি হৈছিল; আৰু খেতি-খোলাও নোহোৱা হৈছিল। আন হাতেদি চৰকাৰী খৰচত খৃষ্টান পাদুৰীসকলে পৰ্ব্বতে-ভৈয়ামে খৃষ্টধৰ্ম্ম প্ৰচাৰৰ কাৰণে উঠি পৰি লাগিছিল। গতিকেই ৰাজশক্তিয়ে জোৰ কৰি দেশখন খৃষ্টান কৰি বিধৰ্ম্মী কৰিবলৈ ধৰিছে বুলিহে সৰ্ব্বসাধাৰণ ৰাইজে অনুমান কৰিছিল।

মৌসনা অসমীয়া ভাষাৰ পৰিবৰ্ত্তে স্কুলবোৰত বঙালী ভাষা প্ৰচলন কৰা হল। আদালততো ইংৰাজী আৰু বঙালী নহলে চলিব নোৱাৰি। বঙালী ভাষাইহে স্কুল আৰু বিচাৰালয়ত মুখ্যস্থান পালে। ইও অসমীয়া ৰাইজৰ ওপৰত বাৰুকৈয়ে কুঠাৰঘাত কৰিলে। একমাত্ৰ সেই কাৰণেই অসমীয়া জাতি আৰু অসমীয়া সাহিত্য ভাৰতৰ অন্যান্য জাতিৰ তুলনাত

শ শ বছৰ পিচ পৰি ৰল । সেইকথাও প্ৰত্যেকজন অসমীয়া মানুহে মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰিব পাৰিছিল । ইয়াৰ বিৰুদ্ধে মাত মাতি কোনেও একোকে কৰিব নোৱাৰিছিল ।

আহোম ৰজাসকলে দেশত অসমীয়া আৰু সংস্কৃত শিক্ষাৰ কাৰণে অশেষ চেষ্টা কৰি এই দুই ভাষাৰ লিখক আৰু পণ্ডিতসকলকো ৰজাঘৰৰ পৰা সমাদৰ কৰিছিল । গীতা-জ্যোতিষ-ব্যাকৰণ আদিৰ দেশত প্ৰচুৰ প্ৰচলন আছিল । কিন্তু, ইংৰাজ অহাৰ পিছৰে পৰা সেইবোৰ চৰ্চ্চাৰ ক্ষেত্ৰতো ভিকাচন ভাগিল ।

অন্যহাতেদি ইংৰাজ চৰকাৰে ইংৰাজী পঢ়াই দেশত এটা শক্তিশালী শাসক দল গঢ়ি তুলিবৰ কাৰণে উঠি পৰি লাগিছিল । কিন্তু অসমীয়া মানুহে জাত্যান্তৰ আৰু ধৰ্ম্মান্তৰ হোৱাৰ মৃত্যুসম ভয় কৰি ইংৰাজী পঢ়াৰ বিপক্ষেহে ঠিয় দিছিল । তাৰ অন্যতম কাৰণ আছিল সেই সময়ত শিক্ষাৰ অছিলা লৈ খৃষ্টান পাদ্ৰীসকলে আপ্ৰাণ চেষ্টা কৰি হেজাৰ হেজাৰ মানুহক খৃষ্টানধৰ্ম্মলৈ দীক্ষিত কৰাইছিল ।

স্বৰ্গদেউ সকলৰ দিনত প্ৰজাৰ কুশলৰ হকে ৰাজভঁৰালৰ পৰা [illegible] প্ৰদান কৰি উপকাৰ সাধন কৰা হৈছিল । কিন্তু ইংৰাজসকলে [illegible] খাজনাতো ৰাইজৰ উপকাৰৰ অৰ্থে ফুটা কড়ি এটিও ভগন [illegible] তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য আছিল প্ৰজাৰ পৰা জোৰ [illegible] অন্যায়ভাৱে কৰ আদায় কৰাটোহে । ৰাইজৰ গাৰ ছাল [illegible] শাসন কৰিবলৈ চিন্তা কৰিছে বুলিহে সৰ্ব্বসাধাৰণে [illegible] দিনত একোজন মানুহে চাৰি পুৰালৈকে [illegible] পাৰিছিল । শিৱ সিংহ ৰজাৰ দিনৰে [illegible] প্ৰজাই পুৰাত একঅনা দহ পাইৰ [illegible] কিন্তু ইংৰাজ চৰকাৰে [illegible] খাজনা বঢ়াই [illegible]



মানুহমূৰি আৰু নাঙলমূৰিও খাজানা লগোৱা হল । আনকি হাবিৰ ইকৰা-খাগৰিৰ ওপৰতো কৰ লগাবলৈ চৰকাৰে ব্যৱস্থা কৰিলে । ৰাইজ কৰৰ হেঁচাত অতিষ্ঠ হৈ পৰিছিল । সেই কাৰণেই আনন্দৰাম ঢেকিয়াল ফুকনে অসমৰ মাটিৰ খাজানাৰ বিষয়ে লিখিছে :—

"The assessment on some of the poorest classes of Roopit lands is equal in the value of one half of their produce." ( নিম্নতম শ্ৰেণীৰ ৰুপিত মাটিৰ খাজানা সেই মাটিৰ পৰা উৎপন্ন হোৱা শস্যৰ মূল্যৰ অৰ্দ্ধেক ! ( মিলচ্ ৰিপৰ্ট ) । অসমৰ আটাই কেইখন জিলাতে খাজানা নিৰ্দ্ধাৰণৰ সমতা আৰু নীতিগত ব্যৱস্থাও নাছিল ।

এইবোৰ কাৰণত অসমীয়া প্ৰজাই স্বাধীন অসমৰ সোণালী দিনবোৰৰ কথা সুঁৱৰি সুঁৱৰি চকুপানী টুকিছিল । ৰজা-দিনত টকাৰ পৰিবৰ্ত্তে ধান-চাউল-শস্য আদিৰেও খাজানা লোৱা হৈছিল । কিন্তু, ইংৰাজৰ দিনত একমাত্ৰ চিকা ৰূপেৰেহে খাজানা লোৱাৰ দিহা কৰা হল । ইও প্ৰজাক অসুবিধাত পেলাইছিল ।

অসমত উৎপন্ন হোৱা ধান-মাহ-সৰিয়হ-তিল-লা-কপাহ-মুগা-তাম-পিতল জালুক-জলকীয়া-কাঁহ-পিতলৰ বাচন—চাহ আদি সকলো বস্তু হাদিৰা-চকিয়েদি অন্য প্ৰদেশলৈ অবাধে চালান দিবলৈ সুবিধা দিয়াত অসমত সেইবোৰ বস্তুৰ দাম বেছি হোৱাৰ কাৰণেও প্ৰজা বিপদত পৰিছিল ।

আহোম স্বৰ্গদেউসকলৰ দিনত "কুমাৰ, কমাৰ, খনিকৰ, মিস্ত্ৰী, ধনুচোঁচা, লাঠিকৈয়ে, জাপিসজীয়া, শিলাকুটীয়া আদি বিভিন্ন ধৰণৰ শিল্পীসকলে অসমখন নদন-বদনকৈ সজাইছিল । অসমীয়া তিৰোতাই ৰেচমী, মুগা, এৰিয়া আৰু কপাহী কাপোৰত অপেশ্বৰী আঁকিছিল ; পবিত্ৰ ধৰ্ম্মৰ আলোচনাই নিৰ্ম্মল আধ্যাত্মিক ভাৰত মানুহক ঈশ্বৰমুখী কৰিছিল ।" ( বেণুধৰ শৰ্ম্মা ) । অসমীয়া তিৰোতাই ফুল-জালিৰ জৰিয়তে কাপোৰতো বৈ থকা যমুনাৰ তীৰত ৰাধা-কৃষ্ণৰ কেলিৰে স্বৰ্গৰ পথ ৰচনা কৰিছিল ।

দেশৰ কুটীৰ-শিল্পবোৰৰ উৎকৰ্ষ সাধনৰ অৰ্থে আহোম ৰজাসকলে

সম্পূৰ্ণ সহযোগিতা আগ বঢ়াইছিল। কিন্তু, ইংৰাজ শাসনত সেইবোৰৰ প্ৰতি অলপো সহানুভূতি কৰা নহল। বৰঞ্চ এইবোৰ দেশৰ বুকুৰপৰা সকলো প্ৰকাৰে উৎখাৎ কৰিবৰ কু-অভিসন্ধিহে চলিল। গাঁৱে-ভূঞে নানান আকাৰে পৰি থকা এই কুটীৰ-শিল্পবোৰৰ পৰিবৰ্ত্তে ইংলণ্ডৰ পৰা কলৰ তৈয়াৰী বিলাতী ধুনীয়া ধুনীয়া বস্তুবোৰ ভাপ জাহাজেৰে ভাৰতলৈ আমদানি কৰি কলিকতাৰ পৰা গুৱাহাটীলৈ আনি অসমৰ সকলোবোৰ বজাৰ ওপচাই পেলালে। সেইবোৰৰ প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি অসমীয়া শিল্পীসকলে পৰিশ্ৰম কৰিও দুবেলা দুমুঠি ভাত মোকোলাব নোৱাৰা হল। এইবোৰৰ ৰক্ষণাবেক্ষণৰ কাৰণে কোনো চেষ্টাকেই কৰা নহল।

স্বৰ্গদেউ সকলৰ দিনত ৰাইজৰ সুবিধাৰ অৰ্থে ৰজাঘৰীয়া সাহায্যত বান-পানীৰ পৰা খেতি-খোলা ৰক্ষা কৰিবলৈ মঠাউৰি আৰু চলাচলৰ সুবিধাৰ অৰ্থে আলি-পদূলি বন্ধোৱা হৈছিল। কিন্তু, ইংৰাজে সেইবোৰ সকলোলৈকে পিঠি দিলে। বাৰিষা নাও আৰু খৰালি খোজ কাঢ়ি অহা-যোৱা কৰাটোৱেই তেতিয়াৰ দিনত একমাত্ৰ পথৰ সম্বল আছিল। বাট পথবোৰো মানৰ আক্ৰমণৰ পিচৰে (তাৰে কিছুমান মোৱামৰীয়া বিদ্ৰোহৰে) পৰা বহুদিন সেইমতি নকৰাত আৰু মানুহৰ বসতি অতি কম হোৱাত ডাঠ হাবিলৈ পৰিবৰ্ত্তন হৈছিল।

আহোম ৰাজত্ব আৰু তাৰ পৰৱৰ্ত্তী কালছোৱাতো অসমীয়া সমাজত গোঁসাই-মহন্তসকলৰ অতুল প্ৰভাৱ আছিল। তেখেতসকলক সদায় সমাজৰ উচ্চ আসনত স্থান দিয়া হৈছিল। কিন্তু, ইংৰাজ ৰাজত্বত সেইবোৰ পৰিহাৰ কৰাত ধৰ্ম্মগুৰুসকলো ইংৰাজৰ বিৰুদ্ধে উঠিপৰি লাগিছিল।

ভগা ৰজা-ৰাণী আৰু ডা-ডাঙৰীয়া সকলৰ সকলো প্ৰকাৰৰ সা-সুবিধা কাঢ়ি নিয়াত তেওঁলোকৰো দুখে কুলাই পাচিয়ে নধৰা হল। সেই কাৰণেই দেশৰ সকলো সম্ভ্ৰান্ত লোকেই ইংৰাজ শাসনৰ বিৰুদ্ধে থিয় দিলে।

চৰকাৰে খাজানা বঢ়াই বঢ়াই নি ১৮৫২-৫৩ চনত ৰূপিত মাটিৰ পুৰাত এটকা ছ অনা আৰু ফৰিঙতিৰ ১৲ টকা কৰিলে। ১৮৩৯



চনত স্বৰ্গদেউ পুৰন্দৰ সিংহৰপৰা ৰাজ্য কাঢ়ি লৈ দুৰ্য্যোগপূৰ্ণ কালতো অসমৰ অন্যান্য অঞ্চলৰ দৰেই উজনিতো নাঙলটোৱে প্ৰতি ২৲ টকা আৰু কোৰখনে প্ৰতি ১৲ টকাকৈ খাজানা লোৱাৰ ব্যৱস্থা কৰা হল। অন্য হাতেদি টকাত ১৭।১৮ পুৰাকৈ (প্ৰায় এক কুইণ্টল) কৃষকে ধান বিক্ৰী কৰিব লগীয়া হৈছিল। ধান-চাউলৰ দাম কিন্তু ৰজা-দিনৰে পৰাই প্ৰায় সমানেই আছিল। গতিকেই টকাৰ জৰিয়তে খাজনা দিব নোৱাৰি কৃষকসকলৰ বহুতেই খেতি কৰিবলৈকে এৰি দিছিল। খাজানা আৰু কৰৰ হেঁচাই মানুহক কিমান বিপাঙত পেলাইছিল ইয়াৰ পৰাই সহজে অনুমান কৰিব পাৰি।

দেশত খাজানা বৃদ্ধি কৰা হ'ল কিন্তু, চৰকাৰে খেতিয়কসকলৰ কাৰণে অলপো চিন্তা নকৰাত খেতি নহল। মানুহৰ হাতৰ কামবোৰো মৰি যোৱাত মানুহবোৰ নিৰন্নৱা হৈ অৰ্থ-নৈতিক দুৰৱস্থাৰ চৰম সীমাত উপনীত হৈছিলগৈ। দেশত "ভোকাতুৰৰ ভাত, দুখীয়াৰ ভিক্ষা, পথিকক আশ্ৰয় দান আৰু দানপুণ্য আদি নাইকিয়া হৈ পৰিল।" মানুহে যি খেতি কৰে তাৰ আধা অন্যান্য কৰৰ উপৰিও খাজানা দিওঁতেই খৰচ হৈছিল।

অসমৰ সকলো জেইলতে ফাটেকীয়ালবোৰক একেচৰুতে ভাত খাবলৈ দিয়া হৈছিল। সেই নীতিৰ কাৰণে সদৌ অসমতে চাঞ্চল্যৰ সৃষ্টি হৈছিল। মানুহে ভাবিছিল চৰকাৰে মানুহক জেইলত দি অন্যান্য বস্তুৰ লগতে জাতটোও মাৰিছিল। জাতিভ্ৰষ্ট হোৱাতকৈ অসমীয়া মানুহে মৃত্যুকেই শ্ৰেয়ঃ বুলিহে বিবেচনা কৰিছিল।

সেই সময়ত কলেৰা আৰু বসন্ত হৈ শই শই মানুহ মৰি গাওঁবোৰ উচ্ছন্ন হৈ পৰিছিল। মানুহৰ উপৰিও জীৱ-জন্তুবোৰো নানান অচিন বেমাৰত পৰি হেজাৰে হেজাৰে মৰিছিল।

অসমীয়া সমাজত কানি এটা মহাব্যাধি হৈ পৰিছিল। কানিয়ে অসমীয়া প্ৰজাৰ প্ৰাণ-কেন্দ্ৰও তিলতিলকৈ খাই নষ্ট কৰিছিল। অসমৰ অধিক সংখ্যক মুনিহ তিৰোতাই সেই সময়ত কানি খাইছিল। আনকি সকামে নিকামেও ব্যাপক ভাৱে কানি ব্যৱহাৰ কৰা হৈছিল। সেই কালত

অসমীয়া মানুহে অভাৱ বোলা বস্তুটো বুজিবকে নোৱাৰিছিল। ঘৰৰ ধান-চাউলে ভাত মুঠি, এৰি মুগাই কাপোৰ কানি আৰু গৰু, ম'হ, নৈ-বিলে প্ৰচুৰ পৰিমাণে গাখীৰ মাছ যোগাইছিল। মানুহৰ বেহা-বেপাৰো আৰু উচ্চাকাঙ্ক্ষা একেবাৰেই নাছিল। ব্যৱসায় পদ্ধতিটো মাৰোৱাৰী আৰু বঙ্গালীসকলে একচেটিয়াকৈ হাতত ৰাখি সৰল সহজ অসমীয়া মানুহক ঠগি ঠগি প্ৰচুৰ পৰিমাণে ধন উপাৰ্জ্জন কৰিছিল। অসমীয়া মানুহৰ আৱশ্যকতাতকৈ অধিক অৰ্জ্জন আৰু উৎপাদন নীতিৰ বাহিৰত যেনহে অনুভূত হৈছিল। একমাত্ৰ কানি বৰবিহেইহে আছিল অসমীয়াৰ প্ৰধান শত্ৰু।

**আনন্দৰাম ঢেকীয়াল ফুকনৰ প্ৰতিবেদনত অসমৰ চিত্ৰ :—**

১৮৫৩ চনত কলিকতাৰ পৰা সদৰ জৰ্জ এ. জে. মুফাট মিলচ চাহাব অসমলৈ আহোতে আনন্দৰাম ঢেকীয়াল ফুকনে দিয়া প্ৰদেশ খনৰ শাসন প্ৰণালীৰ নিৰীক্ষণ ( Anandaram Dhekial Phukan's Observation on the Administration of the Province of Assam ) ত লিখিছে—

"Under the oppression and lawless tyranny of the Burmese, whose barbarous and inhuman policy depopulated the country and destroyed more than one-half of the population, which had already been thinned by intestine commotions and repeated civil wars." ( Mills report on the Province of Assam, Page 93 ).

"Dacoity is seldom or never heard of Assam in any of the districts of the province".

( মানৰ বৰ্ব্বৰ আক্ৰমণ আৰু গৃহকন্দলৰ কাৰণে দেশৰ জনসংখ্যা আধাতকৈও অধিক ধ্বংসৰ মুখত পৰিছিল... .. ৰাজ্যখনৰ কোনো এখন জিলাতে ডকাইতি হোৱা নাছিল।)



খাজানাৰ বিষয়ে লিখিছে, "When a collecting officer is unable to show any increase in revenue at the expiration of his short lease, or to assign good reason for the same, he is liable to dismisal from his charge for mismanagement, without any reference as to whether he had, or had not, sufficent means and inducements to incite to exert himself in the improvement of his charge." ( কোনো মৌজাদাৰে খাজানা বেচিকৈ তুলিব নোৱাৰি উপযুক্ত কাৰণ প্ৰদৰ্শন কৰিব নোৱাৰিলে তেওঁক পদবীৰ পৰা বৰ্খাস্ত কৰা হৈছিল )।

ফুকনৰ দৰে এজন চৰকাৰী কৰ্ম্মচাৰীয়েই চৰকাৰৰ উৰ্দ্ধতন কৰ্তৃপক্ষক জনাইছিল যে, অনাবৃষ্টি, বানপানী, গৰু-ম'হৰ মাৰিমৰক আদি যিকোনো প্ৰাকৃতিক দুৰ্য্যোগৰ কথা কৃষকসকলৰ খাজানা বৃদ্ধি আৰু আদায়ৰ ক্ষেত্ৰত বিবেচনা কৰা নহৈছিল। আমাৰ ৰাজ্যৰ বহুতেই এই কথা নেজানে যে ঢেকীয়াল ফুকনে ৰাজ্যখনৰ শাসন পদ্ধতিৰ সম্পৰ্কত যিবোৰ পৰামৰ্শ আগবঢ়াইছিল তাৰ অধিকাংশকেই চৰকাৰে আইনত পৰিণত কৰিছিল। তেওঁৰ অসমীয়া প্ৰজাৰ বিষয়ে সম্যক জ্ঞান থকাৰ কাৰণে কৃষকসকলৰ স্বত্ব আৰু স্বাৰ্থ ৰক্ষাৰ বাবে চেষ্টা কৰিছিল। মিলচ্‌লৈ লিখা তেওঁৰ দীঘলীয়া প্ৰতিবেদনত অসমৰ বানপানী, দুৰ্ভিক্ষ, খেতিৰ উপযোগীকৈ খালখন্দা, বান্ধ আৰু মথাউৰি বন্ধা, জলসিঞ্চন কৰা আদি ভালেমান প্ৰস্তাৱো ডাঙি ধৰিছিল। তেওঁ কৈছিল, "There is not a Single family in Assam that is not engaged in the culture of lands, and every family provides itself by agriculture with almost all the necessaries of life, They cultivate rice, Pulses, fruits and vegetables to supply their table, mustered to light their houses and silk or cotton to provide their garments.

There is no improvements of Ploughs, harrows,

hoes, spades etc. and the breed of cattle, seeds, plants from the days of their ancestors and fore fathers."

(অসমৰ প্ৰতিটো পৰিয়ালেই কৃষিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। কৃষিয়েই অসমীয়া মানুহক খাদ্য, পোহৰ, কাপোৰ কানি আদিৰ যোগান ধৰিলেও কৌটিকলীয়া হাল, ফাল, গৰু গাই, বীজ আদিৰ অকণো উন্নতি হোৱা নাই।)

শিক্ষাৰ বিষয়ে সেই সময়ত এটা প্ৰবাদত পৰিণত হৈছিল যে "Assamese would never improve in European Language" (অসমীয়া মানুহে কোনো দিনেই ইংৰাজী ভাষাত উন্নতি কৰিব নোৱাৰে।) কিন্তু আনন্দৰাম ঢেকিয়াল ফুকনে তাৰ দোৰ্ঘোৰ প্ৰতিবাদ কৰি কৈছিল, "We are inclined to believe that the low progress made by English schools in Assam must be imputed more to defects in the system of instruction pursued in them, than to the want of Zeal and promtitude on the part of the students ; since it has never been advanced by anybody that the Assamese are inferior in their intelectual capacities to any other Indian nation and that competant teachers may be appointed and an improved system of instruction introduced." (Mills report,— page 107)

(অসমৰ শিক্ষা পদ্ধতিহে অসমীয়া ছাত্ৰৰ উন্নতিৰ ক্ষেত্ৰত হেঙাৰ হৈ পৰিছে। উপযুক্ত শিক্ষক আৰু উন্নত শিক্ষা পদ্ধতিৰ অভাৱতহে অসমীয়া ছাত্ৰই ভাৰতৰ অন্যান্য ৰাজ্যৰ ছাত্ৰৰ দৰে ইংৰাজীত উদ্‌গতি কৰিব পৰা নাই)।

ফুকনে অসমৰ ঘাই ঘাই নগৰবোৰ চুই যোৱাকৈ এটাও ৰাষ্ট্ৰীয় পথ নথকাত দুখ প্ৰকাশ কৰিছিল। আনকি ইখন গাৱৰ পৰা সিখন গাৱলৈ যাবলৈকো বছৰৰ পাচমাহ সময় নাৱৰ বাহিৰে গত্যন্তৰ নাই আৰু বেপাৰ বাণিজ্যৰো উন্নতি একেবাৰেই নোহোৱাত মানুহৰ দুৰ্গতিৰ সীমা নোহোৱা হৈছিল। তেওঁ ৰজা দিনীয়া দৌল, দেৱালয়, মঠ, মন্দিৰ আদিৰ ৰক্ষণাবেক্ষণ নোহোৱাত সেইবোৰৰ টকা শিকাবোৰ ৰক্ষকসকলৰেই ভোজ হৈ ধৰ্ম্মৰ খুটা লৰাত অত্যন্ত দুখ প্ৰকাশ কৰিছিল আৰু তাৰ উপযুক্ত ৰক্ষণাবেক্ষণ আৰু পৰিচালনাৰ দাবী জনাইছিল)।

অসমত কানিৰ প্ৰচলনৰ বিষয়ে ঢেকীয়াল ফুকনে মিলচক জনাইছিল, "The universal use of opium has converted the Assamese., once a hardy industrious and enterprising race, into an effeminate, weak, indodent and degraded people. Health and physical Constitution became undermining."

"Large quantities of Government opium have been of late imported ; and the expediency of abolishing the cultivation of Poppy by the people is at present under consideration. We are not aware of the precise intention of Government on the subject, whether by interdicting the culture of the drug by the people, the Government contemplates to expel the general use of opium from the country or whether the Government Proposes to substitute its own in lieu of the Native opium, we are alike ignorant. The extensive introduction of Government opium, however leads us to conclude that the measure will be Productive of consequences other than the extipation of the drug from the country, If it be advanced that by abolishing the production of opium in the country, and rendering it dearer to the People, the use will be rendered less universal, we would beg to submit that people will never shrink from the

use of the drug as long as they continue to obtain supplies of it ; and that whatever may be the price put upon it, they would seldom consider themselves too poor to purchase it." ( Mills report ; page 110 )

( একালৰ সাহসী পৰিশ্ৰমী আৰু উদ্যোগী অসমীয়া জাতিক কানিয়ে পঙ্গু আৰু অধঃপতিত কৰি পেলালে । শেহতীয়াকৈ চৰকাৰে অধিক পৰিমাণে আমদানি কৰা কানি আৰু ততাতৈয়াকৈ সেই খেতি নিসিদ্ধকৰণৰ হুকুমে ৰাইজে কৰা খেতি বন্ধ কৰি চৰকাৰেই কানিৰ বেহা পাতিবলৈ বিচাৰিছেনেকি তাকেহে ৰাইজে বুজিব পৰা নাই । কানিৰ চৰকাৰী বেহাই কানি নিবাৰণত অকণো সহায় নকৰে । বৰঞ্চ নিজে কৰা খেতিৰ পৰা বঞ্চিত হৈ বেচি দৰত চৰকাৰী কানি কিনি কানীয়াবোৰ অতিকৈ নিচলা হৈ পৰিব । )

ঢেকীয়াল ফুকনে ততাতৈয়াকৈ কানি খেতি উঠাই দিয়াৰ বিৰোধে মত পোষণ কৰিছিল । তেওঁৰ মতে কানি খোৱাতো যাতে বিলাসীতা ( luxury ) নহয় আৰু নতুন পুৰুষে যাতে কানি খাবলৈ উৎসাহ পাব নোৱাৰে তাৰ বাবেহে দীৰ্ঘকালিন ব্যৱস্থা হাতত লব লাগে ।

জনসংখ্যাৰ সম্পৰ্কত ফুকনৰ প্ৰতিবেদনত প্ৰকাশ পাইছে যে মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ অত্যাচাৰৰ ফলত অসমৰ লোকসংখ্যা আধাতকৈও অধিক হানি হোৱাৰ উপৰিও কেইবা হেজাৰ মুনিহ তিৰোতাক মানহঁতে ধৰি বান্ধি সেইখন দেশলৈ লৈ গল আৰু বহু হেজাৰ লোকে প্ৰাণৰ ভয়ত পৰ্ব্বতীয়া ৰাজ্য আৰু ত্ৰিপুৰা, মণিপুৰ, বঙ্গদেশত সোমাই চিৰকালৰ কাৰণে অসম ত্যাগ কৰিলে । তাৰ বাহিৰেও প্ৰতি বছৰেই কলেৰা বসন্ত আৰু ক'লাজ্বৰত ভোগী অসংখ্য লোকে প্ৰাণ হেৰুৱাই । জ্বৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ আৰু মাত্ৰাহীন গাৱলীয়া ঔষধৰ বাহিৰে অন্য কোনো চিকিৎসাৰ ব্যৱস্থা তেতিয়া নাছিল ।

আনন্দৰাম ঢেকীয়াল ফুকনে পুলিছ বিভাগৰ দুৰ্নীতিত ৰাইজ অতিষ্ঠ হোৱাৰ কথা উল্লেখ কৰিছে । আৰু চৰকাৰক পৰামৰ্শ দিছিল যে, "The office of Darogah in the present form be abolished,



that a class of mofussil courts be established in each thanah jurisdiction, under a judicial officer of rank and responsibility ( ডাৰোগাৰ পদবীটো তুলি দি প্ৰতিখন থানা এলেকাত একোজন দায়িত্বপূৰ্ণ ন্যায়িক বিষয়াৰ তলত মফচলীয়া আদালত পাতিবৰ কাৰণে পৰামৰ্শ আগ বঢ়াইছিল ফুকনে )।

আহোমৰ দিনত একোটা জটিল গোছৰৰ বিচাৰ কৰিবলৈকো অতি বেচিকৈ এটা পৰ্যেকহে লাগিছিল । সকলোবোৰ গোছৰৰ বিচাৰ জবানবন্দীৰ ওপৰতেই নিৰ্ভৰ কৰা হৈছিল । ইংৰাজৰ দিনত অতি দীঘলীয়া, জুলুম দায়ক আৰু নানান মেৰপেচ বুজিব নোৱাৰা বিচাৰ পদ্ধতিত মানুহ অতিষ্ঠ হৈ পৰিছিল । পবিত্ৰ চৰিত্ৰৰ সহজ সৰল অসমীয়া মানুহৰ কাৰণে ইংৰাজৰ আচহুৱা বিচাৰ বনৰীয়া বাঘতকৈও ভয়ঙ্কৰ হৈ পৰিছিল । ১৮৫০-৫২ ৰ ভিতৰতে অসমৰ আদালত সমূহত ইংৰাজৰ বিচাৰ-নীতি প্ৰয়োগ কৰা হৈছিল । শতকৰা ৯৯ ভাগ গোচৰীয়াই সত্যত থাকিও উচিত বিচাৰৰ পৰিবৰ্ত্তে শাস্তি ভোগিব লগীয়া হোৱাত ভাগ্যক ধিয়াই হা-হুমুনিয়া কাঢ়িছিল । আদালতৰ ভাষাও নুবুজে, নীতি নিয়মো আচহুৱা, আশ্ৰয় লবলগীয়া উকিল মহৰি সকলো চৰিত্ৰহীন । এনেস্থলত মানুহৰ কি দুৰ্গতি হৈছিল তাক সহজেই অনুমান কৰিব পাৰি । সেই সময়ত উকিলসকল শিক্ষাগত অৰ্হতাৰো অন্তৰ্ভুক্ত নৈহেছিল । মাতব্বৰী কৰি আদালতলৈ সঘনে অহাযোৱা কৰিলেই উকিলৰ শাৰীত পৰিছিল । ফুকনৰ প্ৰতিবেদনত পোৱা যায় যে উকীলে আইনৰ কথা জানক নেজানক বঙালী কব পাৰিলেই হৈছিল । নিম্ন আদালতৰ বিচাৰপতি সকলৰো নিয়োগৰ ক্ষেত্ৰত শিক্ষা, আৰু পৰীক্ষা আইনৰ জ্ঞান আদি একোকে বিবেচনা কৰা নোহোৱাত তেওঁলোকৰ বিচাৰনো কি হব পাৰে তাকো সহজেই অনুমান কৰিব পাৰি ।

# চতুৰ্থ অধ্যায়

## *এশ বছৰৰ আগৰ নগাওঁ*

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে মান আৰু ইংৰাজৰ মাজত হোৱা সন্ধি চুক্তিমতে অসমখন বৃটিছৰ হাতলৈ গলেও প্ৰকৃতপক্ষে কবলৈ গলে ১৮২৫ চনৰ মেই মাহতেই কামৰূপ আৰু দৰং জিলাৰ লগতে নগাওঁ জিলাখনো বৃটিছৰ অধীনলৈ যায়। প্ৰথমে ডেভিড্ স্কট্ চাহাবক নগাঁৱৰ সাধনিয়াৰ নিযুক্ত কৰা হৈছিল। তেওঁ পঞ্চায়ত পাতি ৰজাদিনীয়া নীতিৰেই কিছুমান গোচৰ নিষ্পত্তি কৰিবৰ নিয়ম কৰে। সকলোবোৰ ৰজাদিনীয়া নিয়ম-কানুনকেই প্ৰথমে তেওঁ প্ৰচলন কৰিছিল। কিন্তু, ১৮২৮ চনৰ পৰাই আগৰ ৰীতি-নীতি পৰিবৰ্ত্তন কৰি তাৰ ভেটিত ৰাজনৈতিক, সামাজিক, অৰ্থ নৈতিক আৰু ধৰ্ম্ম সম্পৰ্কীয় সকলো ক্ষেত্ৰতে সাম্ৰাজ্যবাদী পদ্ধতি প্ৰয়োগ কৰিবলৈ উঠিপৰি লাগিল। বছৰি বছৰি খাজানাও বৃদ্ধি কৰা হল।

১৮২৬ চনত ইংৰাজে অসম লৈ ক্ৰমান্বয়ে কেপ্তেইন মেথি (Mathie), কেপ্তেইন ৰাডাৰফৰ্ড (Rutherford) আৰু কেপ্তেইন ব'গল (Bogle) চাহাবক দৰং, নগাওঁ আৰু কামৰূপ জিলাৰ প্ৰিন্সিপাল এচিচ্টেণ্ট বা কলেক্টৰ (Principal Assistant or Collector) নিয়োগ কৰে। এওঁলোকে গভৰ্ণৰ জেনেৰেলৰ এজেণ্ট ডেভিড্ স্কট চাহাবৰ অধীনত কাম কৰিছিল। ১৮৩৪ চনৰ পূৰ্ব্বলৈকে এই তিনিখন জিলা একগোট কৰি এজন প্ৰিন্সিপাল এচিচ্টেণ্টৰ অধীনত শাসন কৰিছিল। ১৮৩৪ চনতহে এই তিনিওখন জিলা পৃথক কৰা হয়। তেতিয়াৰ দিনত এই তিনিখন জিলাৰ লগতে গোৱাল-পাৰা জিলাখনো জিলা কলেক্টৰ চাহাব সকলৰ অধীনত ১৮৩৫ চনৰ



২নং আইন অনুসৰি কলিকতাৰ সদৰ আদালতৰ তত্বাৱধানত ফৌজদাৰী আৰু দেৱানী আৰু বেঙ্গল বোৰ্ড অৱ ৰেভিনিউৰ (Bengal Board of Revenue) জৰিয়তে কলেক্টেৰী সংক্ৰান্তীয় কথাবোৰ নিষ্পত্তি কৰা হৈছিল। ৰেভিনিউ বোৰ্ডৰ তললৈ যোৱাৰ পিচত নগাৱত প্ৰথমে ব্ৰডী (Mr. T. Brodie) তাৰ পিচত বিগী (Leintt, H. Biggi), বিগীৰ পিচত গৰ্ডন (I, J. Gordon), গৰ্ডনৰ পিচত ষ্ট্ৰং (Mr. Strong), তেওঁৰ পিচত উদ (Mr. Wood), উদৰ পিচত বাটলাৰ (Maji Butler) আৰু বাটলাৰৰ পিচত লেফ্টেনেণ্ট স্কনচ্ (Lt. Sconce) নগাৱৰ বৰচাহাব বা ডিষ্ট্ৰিক অফিচাৰ হয়।

প্ৰথমতে নগাৱঁৰ সদৰ ঠাই নগাৱঁতে পতা হৈছিল। ১৮৩৩ চনৰ পৰা কিছুদিনৰ কাৰণে পুৰণিগুদামলৈ সদৰ ঠাই তুলি নিয়া হৈছিল যদিও পুৰণিগুদামত যথেষ্ট পৰিমাণৰ ওখ মাটি নথকাৰ কাৰণে ১৮৩৫ চনত ৰঙাগড়ালৈ সদৰ ঠাই পৰিবৰ্ত্তন কৰা হয়। ৰঙাগড়াও অস্বাস্থ্যকৰ বুলি প্ৰমাণিত হোৱাত ১৮৩৯ চনত পুনৰ নগাৱঁলৈকে সদৰ ঠাই তুলি অনা হয়।" (B. C. Allen) ১৮৩৪ চনত ব্ৰডী চাহাবৰ দিনতে নগাৱঁত ডাঙৰ ভূমিকম্প হৈ সদৌ অসমতে প্ৰভূত ক্ষতি সাধন কৰে। ১৮৩৪ চনত নগাওঁ জিলাৰ লোকসংখ্যা মাত্ৰ ৯০,০০০ জনহে আছিল।

অসমীয়া প্ৰজাবো বৃটিছ শাসনৰ তলত থাকি কিয় অসন্তুষ্ট হৈছিল সেই বিষয়ে অনুসন্ধান কৰিবলৈ ১৮৫৩ চনত কলিকতা সদৰ আদালতৰ জজ চাৰ এণ্ড জন মুফাট্ মিলচ্ (Sir Andrew John Moffatt Mills, Judge of Sudder Court on deputation to Assam) এজনীয়া কমিচনৰ সদস্য কৰি গভৰ্ণৰ জেনেৰেলে অসমলৈ পঠায়। তেওঁৰ ৰিপৰ্টৰ পৰা জনা যায় যে ১৮৫৩ চনত নগাওঁ জিলাৰ আয়তন ৮৭৬৯ বৰ্গমাইল আছিল। ইয়াৰ উত্তৰে ব্ৰহ্মপুত্ৰ নদী, পূবে ধনশিৰি আৰু দৈয়াং আৰু আঙ্গামী নগাসকলে দখল কৰি থকা অনি-দিষ্ট সীমা; পশ্চিমে কামৰূপ জিলাৰ ডুমুৰীয়া মৌজা; দক্ষিণে জয়ন্তীয়া আৰু কাছাৰৰ টালিঙ্গু নদী আৰু অসমক মণিপুৰৰ পৰা পৃথক কৰা পৰ্ব্বতমালা। জিলাখন নগাওঁ, ৰহা, চাপৰি, মায়ং, কলিয়াবৰ,

যমুনামুখ, মিকিৰপুৰ, মিকিৰ পাহাৰ, উত্তৰ কাছাৰ, জাগী আদি চৈধ্যটা মহলত ভাগ কৰা হৈছিল।

তেতিয়া গোলাঘাট মহকুমাৰ এটা ডাঙৰ অংশও নগাওঁ জিলাৰ অন্তৰ্গত আছিল। জিলাখনৰ জনসংখ্যা আছিল ২,৪১,৩০০ জন। তাৰ বাহিৰেও একলাখ আঙ্গামী নগাই বাস কৰিছিল। পাহাৰীয়া অঞ্চলটোত নগা, কুকি, কছাৰি, লালুং, মিকিৰ আদিৰ বসতি আছিল। কিলিঙৰ পৰা ধনশিৰিলৈকে ৰেঙ্গামী নগাসকলে বাস কৰিছিল। তাত বাস কৰা ৫২ খন গাৱঁত মাত্ৰ ৫২৫ ঘৰ মানুহেহে কৰ দিছিল। বাকী সেই বিৰাট অঞ্চলটোৰ বিষয়ে চৰকাৰে একোকে নেজানিছিল। আঙ্গামী নগা থকা অংশটোও মণিপুৰ পৰ্য্যন্ত নগাওঁ জিলাৰ ভিতৰতে আছিল। সেই অঞ্চলটোত ৭৮ খন নগা গাৱঁত ২,০১,৩৯ ঘৰত ১,০০,৬৯৫ জন মানুহ আছিল বুলি জনা যায়। তেওঁলোক স্বাধীন হোৱাৰ কাৰণে ইংৰাজক কৰ-কাটল দিব নেলাগিছিল। ভৈয়ামলৈ আহিলে তেওঁলোকে কৰ্ত্তৃপক্ষক উপহাৰ আদি দি দেখা কৰিছিল মাথোন। মাজে সময়ে নগাহঁত ভৈয়ামলৈ আহি লুট-পাত কৰি মানুহৰ মূৰ কাটিও নিছিল।

নগাঁও মহলটো কলঙৰ দুয়োপাৰে আছিল। মিল্চ চাহাবে কসঙেদি জাহাজেৰে যাওঁতে এই অঞ্চলটোৰ ধুনীয়া আৰু সমৃদ্ধিশালী গাওঁবোৰ দেখি মোহিত হৈছিল। নগাঁও জিলাৰ ভিতৰত এই ঠাইডোখৰেই অতিকৈ জনবহুল আছিল। খেতি-খোলাও ভালকৈ হোৱাত এই ঠাইডোখৰ অতি উন্নত আছিল। ৰহা মহলটো সেনচোৱাৰ পৰা বোকনি চাপৰিলৈকে আছিল। এই অঞ্চলটো অসম ৰজাৰ আমোলত পাঁচজন ৰজা বা প্ৰধানে ৰহীয়াল বৰুৱাৰ অধীনত শাসন কৰিছিল।

## খাজানা

মিলচ্ ৰিপৰ্টৰ পৰা জনা যায় যে ইংৰাজে অসম লৈয়েই নগাঁৱত খেলে খেলে মুৰব্বীসকলৰ ওপৰত খাজানা তুলিবৰ কাৰণে ভাৰ দিছিল। কিন্তু, ১৮৩২-৩৩ চনত বহুত খাজানা বাকী পৰাত আৰু বহুত মানুহে



খাজানা আদায় কৰিব নোৱাৰি কাছাৰ, খাচীয়া জয়ন্তীয়া পাহাৰ আদিলৈ চিৰকালৰ কাৰণে উঠি যোৱাত শতকৰা বাৰ টকা দুঅনাকৈ কমিচন দি কামৰূপৰ চৌধুৰীসকলৰ আহিৰেই জিলাখনত মৌজাদাৰ নিযুক্ত কৰিলে। ১৮৩৪-৩৫ চনত গাওঁ-কাকতি আৰু টেকেলা নিয়োগ কৰাৰ ব্যৱস্থাও কৰা হল। প্ৰতিজন গাওঁ-কাকতিক শতকৰা দুটকা আঠ অনা আৰু টেকেলাক এটকা তিনি অনা দুপাইকৈ বানচ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। ১৮৪১-৪২ চনৰ পৰা ১৮৫২-৫৩ চনলৈকে নাঙলমূৰি কৰ বছৰি বছৰি বঢ়াই নিয়া হৈছিল। ৰহা, চাপৰি আৰু মৰাং অঞ্চলত মাটিৰ খাজানাৰ পৰিবৰ্ত্তে নাঙল প্ৰতি তিনি টকা আৰু কোৰ প্ৰতি এক টকাকৈ কৰ লগোৱা হৈছিল। যমুনামুখ মহলত দুটকা আঠ অনা আৰু এক টকাকৈ কৰ নিৰ্দ্ধাৰণ কৰা হৈছিল। তাৰ উপৰিও প্ৰতিজন সমৰ্থবান হাৰি, কৈৱৰ্ত্ত আৰু হৰিজনৰ ওপৰত জনমূৰি পাঁচ টকাকৈ কৰ লগোৱা হৈছিল। ১৮২৬ আৰু ১৮৩০ চনৰ ভিতৰতে ৰজাদিনতকৈ চাৰিগুণ খাজানা বৃদ্ধি কৰা হৈছিল।

তেতিয়াৰ দিনৰ মৌজাবোৰো আজিৰ দৰে ডাঙৰ নাছিল। মৌজাবোৰৰ উদ্দেশ্য আছিল সৰু সৰু সমষ্টি গঠন কৰি কম সময়তে বছৰি বছৰি সম্পূৰ্ণৰূপে খাজানা আৰু অন্যান্য কৰ কাটল আদায় কৰা। ১৮৫২-৫৩ চনৰ মিকিৰ পাহাৰ আৰু পৰ্ব্বতজোৱাৰ মহলৰ বাহিৰেও নগাঁও জিলাত ১৫৮ জন মৌজাদাৰ আছিল; অথচ তেতিয়া এতিয়াৰ তুলনাত মানুহৰ বসতিও অতি পাতল আছিল। দুই চাৰিখন গাৱঁৰেই একোটা গোট বা সমষ্টি কৰি মৌজা পাতি প্ৰতি মৌজাতে একোজন মৌজাদাৰ নিয়োগ কৰা হৈছিল। ১৫৮ জন মৌজাদাৰক খাজনা তোলাত সহায় কৰিবৰ কাৰণে ১৫৮ জন গাঁও-কাকতি আৰু ১৬৯ জন টেকেলাও নিয়োগ কৰা হৈছিল। যমুনামুখ মহলত লস্কৰ আৰু ৰহা আৰু দন্তিপাৰ মহলত পূৰ্ব্বৰ ৰজাসকলৰ পো-নাতিসকলকো মৌজাৰ গৰাকী পতা হৈছিল। কোনোবা মৌজাদাৰ মৰিলে তেওঁৰ নাবালক পুত্ৰকো মৌজাদাৰ পতা হৈছিল। কিন্তু, তাৰ কাৰণে এজন চুজাৱাল (Suzawal) নিযুক্ত কৰা হৈছিল। এই চুজাৱাল জনে নাবালক মৌজাদাৰৰ হকে

কাম কৰিবৰ কাৰণে তেওঁৰ সম্পত্তি চৰকাৰৰ ঘৰত বন্ধকত ৰাখিব লাগিছিল।

১৮৩৩-৩৪ চনৰ পৰা ১৮৫২-৫৩ চনলৈকে নগাঁও জিলাৰ খাজানা তলত লিখা নিৰিখে আদায় কৰা হৈছিল।

( মিলচ্‌ ৰিপৰ্ট, পৃঃ ৪৬৬ আৰু ৪৬৭ )

১৮৩৩-৩৪ চনত

| | | | |
|---|---|---|---|
| ৰূপিত মাটিৰ পুৰাত | ... | ১্‌ | টকা |
| অন্য ” ” | ... | | আঠঅনা |
| লাখেৰাজ ” | ... | | পাচঅনা |
| ১ম শ্ৰেণীৰ নাঙল মূৰি | ... | ৩্‌ | টকা |
| ২য় ” ” ” | ... | ২্‌ | টকা |
| কোৰ প্ৰতি | ... | | এটকা ছঅনা |
| মানুহ মূৰি কৰ | ... | ১্‌ | টকা |
| কৈৱৰ্ত্তৰ জনমূৰি কৰ | ... | ৫্‌ | টকা |
| মৰিয়াৰ জনমূৰি কৰ | ... | ৫্‌ | টকা |
| সোণাৰীৰ ” ” | .. | ৫্‌ | টকা |

১৮৩৬-৩৭ চনত

| | | |
|---|---|---|
| ৰূপিত মাটিৰ পুৰাত | ... | এটকা চাৰিঅনা |
| অন্য ” ” | ... | চৈধ্যঅনা |

অন্যবিলাক কৰ আগৰদৰেই ৰখা হয়। একমাত্ৰ জনমূৰি কৰ তুলি দিয়া হৈছিল।

১৮৪১-৪২ চনত

কোৰ প্ৰতি এটকা আঠঅনা। অন্যবোৰ আগৰদৰেই ৰখা হয়।

১৮৪৪-৪৫ চনত

| | | |
|---|---|---|
| লাখেৰাজ ৰূপিত মাটিৰ পুৰাত | ... | দহঅনা |
| লাখেৰাজ অন্যান্য মাটিৰ পুৰাত | ... | ছঅনা |

( অন্যবোৰ আগৰ দৰেই থাকে )।



১৮৫২-৫৩ চনত

| | | |
|---|---|---|
| ৰূপিত মাটিৰ পুৰাত | ... | এটকা ছঅনা |
| অন্য মাটিৰ পুৰাত | ... | এটকা |
| লাখেৰাজ ৰূপিত মাটিৰ পুৰাত | ... | দহঅনা |
| লাখেৰাজ অন্য মাটিৰ পুৰাত | ... | আঠঅনা |

১৮৫২-৫৩ চনত নগাঁও জিলাত তলত লিখাৰ দৰে খাজানা উঠিছিল—

| প্ৰকাৰ | খাচদখল | খাজানা |
|---|---|---|
| খেতি — | ৫,১১,৮৩৩ বিঃ ২ কঠা ১ লোচা | ১,৪২,২৯৫ টঃ এক অনা ১০ পাই |
| লাখেৰাজ — | ১৬,৮২০ বিঃ ১ কঠা ১৩½ লোচা | ২,১৩৬ টঃ ২ অনা ৭ ” |
| নিষ্কৰ আৰু পতিত মাটি— | ৫৪,৭৭০ বিঃ ১ কঠা ১৪ ৩/১৬ লোচা | × |
| মুঠ | ৫,৬৫,১৮১ বিঃ তিনি কঠা ৯ লোচা— | ১,৪৪,৪৩০ টঃ পাঁচ অনা ৫ পাই |
| মাছমৰীয়াৰ ওপৰত কৰ— | | ২,৬২৭ টকা |
| অন্যান্য কৰ ( Capitulation Tax )— | | ৮,৫৯৩ টঃ বাৰ অনা |
| | মুঠ খাজানা— | ১,৫৫,৬৫১ টঃ এক অনা ৫ পাই |
| | কমিচন— | ২৫,২১৩ টঃ চৈধ্য অনা ৪ পাই |
| | মুঠ জমা — | ১,৩০,৪৩৭ টঃ তিনি অনা ১ পাই |

১৮৩৬-৩৭ চনত মৰীয়া-সোণাৰী আদিৰ ওপৰত আৰু ১৮৫০-৫১ চনত নাঙলমূৰি বহুওৱা কৰো তুলি দিয়া হৈছিল।

নগাঁও জিলাত ১৮৩৫ চনত ৬০,৪৭৫ টকা খাজানা সংগ্ৰহ কৰা হৈছিল। কিন্তু, ১৮৪৫ চনত ১,৩১,০০০ টকালৈ বৃদ্ধি হয়। ১৮৫২-৫৩ চনত বানপানী, কলেৰা, বসন্ত, ক'লা বেমাৰ আৰু কানিৰ বাবদ খাজানাৰ পৰিমাণ অসম্ভৱৰূপে কমি গৈছিল বুলি জনা যায়।

১৮৫২ চনৰ ৩০ এপ্ৰিলত মাটিৰ পূৰ্ব্বৰ ম্যাদ শেষ হোৱাত গোটেই জিলাতে নতুনকৈ মাটি পিয়ল কৰাই কোন ডৱা মাটিত কি

খেতি হয়, ক'ৰপৰা কিমান খাজানা আদায় হয়, কোনবিধ মাটিত ভৱিষ্যতে খাজানা বৃদ্ধি কৰিবৰ স্থল আছে ইত্যাদি বিষয়েও পুঙ্খানুপুঙ্খ ৰূপে জানিবলৈ সমর্থ হয়। চিপাহী বিদ্রোহত হোৱা খৰচৰ বোজা বিদ্রোহৰ ঠিক পিচতেই অসমীয়া মানুহৰ ওপৰতো তুলিবৰ কাৰণে অত্যধিক খাজানা আৰু বহুবিধ কৰ লগাইছিল।

পূৰ্ব্বতে নোহোৱা-নোপজা নৈ-বিল-খাল-ঘাট-বজাৰ আদি ডাকত বিক্রি কৰিও জমা স্থিৰ কৰা হল। হাবিৰ গছ-গছনি আৰু খেৰ, ইকৰা খাগৰি কাটিলেও কৰ দিব লাগে।

ৰজাদিনীয়া আলি-পদূলি-মঠাউৰি আদি মোৱামৰীয়া বিদ্রোহৰে পৰা বিশেষকৈ মানৰ আক্রমণৰ পিচৰে পৰা, একেবাৰেই মেৰামতি নকৰাৰ ফলত আৰু চৰকাৰেও একমাত্র খাজানা তোলাৰ বাহিৰে অন্য কোনো কথালৈ কাণখাৰ নিদিয়াৰ ফলত জিলাখনত ঘনে ঘনে বানপানী হৈ খেতি-খোলা নষ্ট কৰি ৰাইজক জুলুকি জুলুকিকৈ শিকাইছিল।

১৮৫৩ চনৰ ২৮ জুনৰ দিনা মিল্‌চ চাহাব নগাৱঁলৈ আহোঁতে সেই সময়ৰ জিলা কলেক্টৰ বাট্‌লাৰ চাহাবে জিলাখনৰ খিলঞ্জীয়া প্রজাসকলৰ বিষয়ে এবাৰ মহৎ অপকাৰী মন্তব্য কৰাৰ ফলত নগঞা ৰায়তে জীয়াতু ভুগিব লগীয়া হল। তেওঁ কৈছিল—"দেশত ৰাজহ বৃদ্ধি নোহোৱাৰ ঘাই কাৰণ হল এই জিলাখনত মানুহৰ বসতি অতি পাতল অথচ বহুত খেতিৰ উপযোগী আৰু হাবিতলীয়া মাটি আছে। ঘনে ঘনে মাউৰত পৰি হাবি ভাঙি খেতি কৰাটোও ৰায়তৰ পক্ষে সম্ভৱ নহয়। অন্যহাতেদি অসমীয়া মানুহবোৰ বৰ নিৰুৎসাহী। তেওঁলোকে আৱশ্যকতকৈ অধিক উৎপাদন কৰাটো অনাৱশ্যক বুলি ভাবে। সেই কাৰণেই যদিহে বঙ্গদেশৰ পৰা মানুহ আনি এই জিলাখন ভৰপূৰ কৰা নহয় তেনেহলে ই কেতিয়াও শস্য-শ্যামলা হৈ নুঠিব।" তেওঁৰ প্রতিবেদনৰ ১১২ পৃষ্ঠাত আছে, "We are further impressed with a belief that people from some of the badly provided Parts of Bengal could be likewise provided to emigrate." (বঙ্গদেশৰ ঘন বসতিপূৰ্ণ ঠাইবোৰৰ পৰা নগাৱঁলৈ প্রব্রজনৰ দিহা



কৰিব লাগে বুলি আমি বিশ্বাস কৰো)। তেতিয়াৰ পৰাই সেই মন্তব্যৰ কাৰণেই বঙ্গদেশৰ বিভিন্ন জিলাৰপৰা নগাৱঁলৈ মানুহৰ সোঁত প্রৱলভাৱে বৰলৈ ধৰিলে। সেই সময়ত নগাওঁ জিলাত প্রতি বর্গমাইলত ২৪ জনকৈ মানুহে বসতি কৰিছিল। ১৯০৫ চনত বঙ্গ ভঙ্গ কৰি অসমক পূৰ্ব্ব বঙ্গ আৰু অসম প্রদেশত পৰিণত কৰি ঢাকাত ১৯১১ চনলৈ ৰাজধানী পতাত সোঁত তীব্রতৰ হয়।

পূৰ্ব্বতে সৰ্ব্বসাধাৰণ নগঞা ৰাইজে ভাপ-নাও বা জাহাজ দেখাই নাছিল। মিলচ্‌ চাহাব ২৮।৬।১৮৫৩ তাৰিখে কলঙেদি, নগাওঁ চহৰলৈ জাহাজেৰে আহোঁতে কলঙৰ দুয়ো-পাৰৰ ৰাইজে জাহাজখন অদ্ভুত বস্তু চোৱাৰ দৰে চাইছিল।

সৰ্ব্বপ্রথমে ১৮৪৮ চনত কলিকতাৰ পৰা ব্রহ্মপুত্রইদি গুৱাহাটীলৈ চৰকাৰী জাহাজেৰে অসমলৈ মালবস্তু অনা-নিয়া কৰাৰ দিহা কৰা হয়। ১৮৫৫ চনত ডিব্রুগড় পৰ্য্যন্ত জাহাজ চলোৱা হয়। তেতিয়া কলিকতাৰ পৰা ডিব্রুগড়লৈ আহোতে একোজন মানুহে ১৫০্ টকাকৈ ভাৰা দিব লাগিছিল। ১৮৬০ চনত দি ইণ্ডিয়ান জেনেৰেল ষ্টিম নেভিগেচন কোম্পানী (The Indian General Steam Navigation Company) ক ডিব্রুগড়লৈকে জাহাজ চলাবলৈ চৰকাৰে অনুমতি দিয়ে।

মিলচ্‌ চাহাবৰ ৰিপৰ্টত পোৱা যায় যে—১৮৫২-৫৩ চনত নগাওঁ জিলাৰ ভাল খেতি হোৱা ৰূপিত মাটিৰ পুৰাত ৩।৪্ টকাত আৰু ভাল বাৰী মাটিৰ পুৰাত ৫্ টকাৰ পৰা ১০।১২্ টকালৈকে বিক্রি হৈছিল। অন্য হাতেদি ৰূপিত মাটিৰ খাজানা লোৱা হৈছিল পুৰাত এটকা ছয় অনাকৈ। গতিকে মাটিৰ খাজানা তুলনামূলক ভাৱে কিমান বেছি হৈছিল তাক অতি সহজেই অনুমান কৰিব পাৰি।

সেই সময়ত ৰূপ আৰু তামৰ মুদ্রা প্রচলন কৰা হৈছিল। ৰজা-দিনীয়া সকলো মুদ্রা বজাৰৰ পৰা বহিষ্কাৰ কৰা হৈছিল যদিও গাৱেঁ-ভূঞে সেইবোৰৰ প্রচুৰ প্রচলন আছিল। নতুন তামৰ পইচাই কিন্তু সকলোতে সমাদৰ লাভ কৰিছিল।

নগাওঁ জিলাত তেতিয়া ৰহা, জাগী, যমুনামুখ আৰু কলিয়াবৰত চাৰিখন থানাহে আছিল। মৌজাদাৰ সকলেও নিজ নিজ অঞ্চলৰ দোষবোৰৰ কথা বৰচাহাবক মাহে মাহে চহৰলৈ আহি খাজানা তোলাৰে

বাতৰিৰ লগতে জনাৰহি লাগিছিল। ১৮৩৯-৪০ চনত প্ৰথমতে নগাঁৱৰ কিছুমান মৌজাত কুৰি বছৰীয়া পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

জিলাৰ জিলাধিপতি বাটলাৰ চাহাবৰ প্ৰতিবেদনত ১৮৫২-৫৩ চনত জিলাখনত ৭,৯৭০ বিঘা মাটিত আফু খেতি কৰি চাৰিশ মোন কানি উৎপন্ন কৰা হৈছিল বুলি জনোৱা হৈছিল। ("The quantity grown (Kanee) in the district is estimated to be about 400 maunds, the land under poppy cultivation last season was 7,970 bighas.)— Mills Report, P: 456.

## অপৰাধ

সেইকালত অসমীয়া মানুহে হত্যা কৰাটো অতিকৈ পাপ বুলি ভাবিছিল। ১৮৫২-৫৩ চনত অসমৰ ভিতৰতে আটাইতকৈ বৃহৎ এই জিলাখনত এটাহে মাত্ৰ হত্যাকাণ্ড ঘটিছিল। চুৰি-চাতুৰিৰ কিন্তু অভাৱ নাছিল। দুঃচৰিত্ৰ কানীয়াবোৰৰ কাৰণেই চুৰি বেছিকৈ হৈছিল। আনকি কোনো কোনো কানীয়াই নিজৰ লৰা-তিৰোতাকো বেচি কানি খাইছিল। কানিৰ বাবেই বেশ্যাৰ সংখ্যাও বৃদ্ধি হৈছিল।

১৮৫৩ চনত নগাঁও জেইলত ১০১ জন কয়দী আছিল। তেওঁলোকৰ খোৱা-পিন্ধাৰ কাৰণে চৰকাৰে একেবাৰেই তত্ত্বাৱধান লোৱা নাছিল। প্ৰতি সাজত প্ৰতিজন কয়দীৰ কাৰণে মাত্ৰ ৭ পাইকৈহে খৰচ কৰা হৈছিল। কয়দীবোৰক একেটা চক্ৰতে বান্ধি খুৱাই জাত মৰা বুলি মিলচ্ চাহাবক ৰাইজে তীব্ৰভাৱে আপত্তি জনাইছিল।

## যাতায়াত

১৮২৬ চনৰ পৰা ১৮৫২ চনলৈকে ২৬ বছৰৰ ভিতৰত নগাঁও জিলাত একমাত্ৰ প্ৰশাসন সুবিধাৰ অৰ্থে (১) নগাঁও চহৰৰ পৰা কঠিয়াতলিলৈ, (২) কঠিয়াতলিৰ পৰা ডিমাপুৰলৈ আৰু (৩) ডবকাৰ পৰা কাছাৰলৈকে নিয়মিতভাৱে মানুহ চলাচল কৰিব পৰা সৰু ৰাস্তা তৈয়াৰ কৰা হৈছিল। ৰাইজৰ কোনো প্ৰকাৰৰ অভাৱ-অভিযোগলৈ চৰকাৰে কৰ্ণপাত কৰা নাছিল। জিলাখনৰ বেছি ভাগ ঠাই ডাঠ



হাবিয়নিলৈ পৰিবৰ্ত্তন হৈছিল। বাট-পথৰ ভীষণ অসুবিধা আৰু হিংস্ৰজন্তুৰ অত্যাচাৰৰ কাৰণে অ'লৈ ত'লৈ অহা-যোৱা কৰাটো বিপদজনক হৈ পৰিছিল।

## কৃষি

শতকৰা এশজন লোকেই খেতিৰ ওপৰতে জীৱননিৰ্বাহ কৰিলেও ১৮৫৩ চনলৈকে জিলাখনত কৃষি উন্নয়নৰ অৰ্থে চৰকাৰে অকণো চেষ্টা কৰা নাছিল। ধান-মাহ-সৰিয়হ-কল-কুঁহিয়াৰ-শাক-পাচলি, লা, তামোল-পাণ আদিয়েই মানুহৰ জীৱন ধাৰণৰ ঘাই অৱলম্বন আছিল। কপাহ-পাট-মুগাই মানুহক বসন যোগাইছিল। ৰাস্তা-পদূলিৰ অভাৱত আৰু চৰকাৰৰ অমনোযোগিতাত বান ভেটিবৰ কোনো ব্যৱস্থা নথকাৰ কাৰণে বছৰি বছৰি বানপানীয়ে খেতি-খোলা নষ্ট কৰি মানুহক অত্যন্ত জুমুৰি দিছিল। তেতিয়া ৰাইজৰ অৱস্থা আছিল "নাই কঠীয়া নাই গৰু, নাই শক্তি নাই চৰু।" কপিলী, কলং আৰু ধনশিৰি নৈত প্ৰৱল গৰাখহনীয়া হৈ নৈ কেইখনৰ ওখপাৰ খহি যোৱাত বানপানী আহিলেই ৰাইজৰ বিপদৰ সীমা নোহোৱা হৈছিল। কিন্তু, অন্য হাতেদি চাপৰি আৰু কলঙৰ বানে পলস পেলাই যোৱা অঞ্চলবোৰত মুকলি-মুৰীয়াকৈ কৰা আফুখেতি অলপ পৰিশ্ৰমতে নন্দন-বদনকৈ হৈছিল। মাহ-সৰিয়হ আদিৰ খেতিও সেই অঞ্চলবোৰত ভালকৈ হৈছিল। অন্যান্য উপসৰ্গৰ উপৰিও ১৮২২, ১৮৪০ আৰু ১৮৪৮ চনত কাকতি-ফৰিঙে আহু আৰু বাও ধান খাই উপান্ত কৰাৰ কাৰণে জিলাখনত আকালে দেখা দিছিল। খাদ্য বস্তুৰ দৰো অতিপাতকৈ বাঢ়ি গৈছিল।

১৮৩৪ চনত গৱৰ্ণৰ জেনেৰেল লৰ্ড উইলিয়াম বেন্টিঙ্কে ভাৰতত চাহখেতিৰ সম্প্ৰসাৰণৰ অৰ্থে পৰামৰ্শ আগ বঢ়াবলৈ তিনি জনীয়া সদস্যৰ এখন কমিটি পাতি দি ইংৰাজ চাহ-খেতিয়কসকলক সকলো প্ৰকাৰে উৎসাহিত কৰিবৰ বাবে চেষ্টা কৰাৰ কাৰণেই অসমৰ আলে কেইখন জিলাকে চাহ-বাগিচাবোৰে আগুৰি পেলাইছিল। ১৮৩৭ চনত চীনদেশৰ পৰা প্ৰশিক্ষণ প্ৰাপ্ত মানুহ অনাইও চাহ খেতি কৰা হল। চাহ-বাগিচাবোৰে ঠাল ঠেঙুলি মেলি বেঢ়ি ধৰাৰ ফলত হেজাৰ হেজাৰ অসমীয়া

খেতিয়কক যাউতি-যুগীয়া পৈত্ৰিক সম্পত্তিৰ পৰা বিনা ক্ষতিপূৰণে উচ্ছেদো কৰা হল। নগাঁও জিলাতো ১৮৫৩ চনৰ পূৰ্ব্বেই নেলি, চিকনি, চালনা, বামুনি, কন্দলি, কুলিকুছি, বালিজুৰি, নিজৰি, ৰঙাগৰা, চাপানলা, কলিয়াবৰ, আমলখি আদি চাহবাগানবোৰ খিলঞ্জীয়া ৰায়তৰ বুকুৰ ওপৰত ঠিয় দি উঠাৰ উপৰিও বিহাৰ আৰু অন্যান্য প্ৰদেশৰ পৰা চাহ-বাগানত কাম কৰিবলৈ অহা হেজাৰ হেজাৰ বনুৱাকো নগঞা সকলেই পুহিব লগীয়াও হৈছিল। তথাপিও ইংৰাজ চাহ-মালিকসকলে অসমীয়া প্ৰজাক পশুৰ দৰেহে ব্যৱহাৰ কৰিছিল। নিমখ, দাইল, চেনি, কাপোৰ, সৰিয়হ তেল, লো আৰু লোৰ সৰঞ্জাম, মচলা, সুতা আদি বস্তুবোৰ আমদানি আৰু সৰিয়হ কপাহ, লা, ৰবৰ, চাহপাত, তামোল পাণ বেত-বাঁহৰ সৰঞ্জাম আদি বস্তুবোৰ জিলাখনলৈ ৰপ্তানি কৰা হৈছিল।

### *প্ৰাকৃতিক দুৰ্য্যোগ*

১৮৫০ চনৰ পৰা ১৮৫৩ চনলৈকে গোটেই জিলাখনতে ভীষণ ভাৱে হাইজা আৰু বসন্ত হৈ শই শই মানুহ মৰাত ৰাইজৰ দুখ দুৰ্গতিৰ সীমা নোহোৱা হৈছিল। মাজে মাজে অচিন বেমাৰেও দেখা দিছিল। ৰাইজে বৰসবাহ ভাওনা-নাম কীৰ্ত্তন পাতি খেলে খেলে, নামঘৰে নামঘৰে বিপদৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে ঈশ্বৰৰ ওচৰত জয়দেউ কাকুতি কৰিছিল। কিন্তু, ভগৱানে হলে অলপো চকু মেলি চোৱা নাছিল। বেমাৰত মানুহ মৰি গাওঁ উচ্ছন্ন হৈ পৰিছিল। আনকি কোনো কোনো ঘৰত মৰাশ কঢ়িয়াবলৈকো মানুহৰ অভাৱ হৈছিল—শুশ্ৰূষা আদিৰ কথাতো দূৰৈত থাওক। মাজে সময়ে তেনে দুৰ্য্যোগৰ ওপৰতে ভূতৰ ওপৰত দানহ হৈ কিছুমান স্বাৰ্থপৰ মানুহে সহজ সৰল জনসাধাৰণৰ মাজত নানান জনৰব উলিয়াই আতঙ্কৰ সৃষ্টি কৰিছিল। তেনেলোকৰ ওপৰত শাস্তি বিধানৰো কোনো প্ৰকাৰৰ ব্যৱস্থা লোৱা নহৈছিল।

মানুহৰ উপৰিও গৰু-মহবোৰো বেমাৰত হেজাৰে হেজাৰে মৰিছিল। আনকি বনৰীয়া বাঘ-ভালুক-পহু-গাহৰি-সাপ-শিয়াল আদি জন্তু আৰু বিলৰ মাছো মৰিহাজি নাইকিয়া হৈছিল। নগাঁও জিলাৰ জল-স্থল, হাবি বননি সকলোতে দুৰ্দ্দিনে দেখা দিছিল। শিয়াল-শগুনেও মৰা শ খাই অন্ত কৰিব



নোৱাৰাৰ কাৰণে পোকে লাকু লাকু হৈছিল। ৰাইজে ভাবিছিল যে বিধৰ্ম্মী দুষ্ট ৰজাৰ কুশাসনৰ ফলতেই ৰাইজৰহে নেলাগে হাবিৰ পশু পক্ষীবো এনে অবৰ্ণনীয় দুখ-দুৰ্দ্দশা হৈছিল।

চাৰিওফালে আকাল আৰু মহামাৰীৰ বিভীষিকাই মানুহক বিমোৰত পেলাইছিল। দিনত শিয়ালৰ হোৱা হোৱা আৰু ৰাতি কাউৰীৰ কা-কা শব্দই ৰাইজক বিপদৰ সঙ্কেত দিছিল।

আকাশতো বহু দিনধৰি নেজাল তৰাই দেখা দিয়াত দেশত আৰু কি ভীষণ বিপদে দেখা দিয়ে তাৰ কাৰণে ৰাইজে মুহূৰ্ত্তে মুহূৰ্ত্তে সাৱধান হব লগাত পৰিছিল। সঘনে ভূমিকম্প হোৱাত আৰু জ্যোতিষী-সকলেও দেশলৈ ভীষণ দুৰ্দ্দিন আহিব বুলি ভবিষ্যৎবাণী শুনোৱাত ধৰ্ম্মপ্ৰাণ ৰাইজ অতিশয় আতুৰ হৈ পৰিছিল।

### *খৃষ্টান ধৰ্ম্ম প্ৰচাৰ*

নগাৱঁত আমেৰিকান পাদুৰিসকলে সেই সময়ত খৃষ্টান ধৰ্ম্ম প্ৰচাৰৰ অৰ্থে অহোপুৰুষাৰ্থ কৰিছিল। গুৰু আৰু সত্ৰৰ পৰিবৰ্ত্তে পাদুৰিসকলে স্বৰ্গৰ বাট দেখুৱাই মুক্তিৰ বাণী প্ৰচাৰ কৰি হেজাৰ হেজাৰ মানুহক খৃষ্টান ধৰ্ম্মত দীক্ষিত কৰোৱাৰ কাৰণেই বগা-চাহাব সকল অসমীয়াৰ শত্ৰু হৈ পৰিছিল। ১৮৫৩ চনত নগাৱঁৰ খৃষ্টান পট্টীত কেইবা হেজাৰ খৃষ্টানলোকে বসতি কৰিছিল। খৃষ্টান ধৰ্ম্মলৈ দীক্ষিত হলেই কিছুমান বিশেষ ধৰণৰ সা-সুবিধা ভোগ কৰিবলৈ দিয়াৰ উপৰিও লৰা-ছোৱালীৰ শিক্ষাৰ কাৰণেও সু-বন্দবস্ত কৰি দিয়া হৈছিল। প্ৰথমে এখন লৰাৰ আৰু তাৰ পিচত এখন ছোৱালীৰ স্কুল পাতি খৃষ্টান সকলৰ মাজতেই প্ৰথমে স্ত্ৰী-শিক্ষাৰো প্ৰচলন কৰা হৈছিল। নগাওঁ মিচন ( Mission ) স্কুলখন পাদুৰি সকলে এখন আদৰ্শ স্কুলত পৰিণত কৰি সমগ্ৰ অসমৰ ভিতৰতে এখন আকৰ্ষণীয় স্কুল কৰি গঢ়ি তুলিছিল। দুই এজন অসমীয়া লৰাক খৃষ্টান কৰি আমেৰিকা আদিলৈকো পঠাইছিল। তেওঁলোকৰ ভিতৰত ধনীৰাম আৰু শিৱৰামৰ নামেই উল্লেখযোগ্য। তেওঁলোক দুয়ো ১৮৪৯ চনৰ ৫ মেই তাৰিখে 'ককিম্বো' জাহাজেৰে আমেৰিকাৰ বোষ্টন চহৰত উপস্থিত হৈছিল গৈ। অসমীয়াৰ ভিতৰত তেওঁলোক দুজনেই

প্ৰথম আমেৰিকা যাত্ৰী। অন্যহাতেদি গোৰা সম্ভ্ৰান্ত আৰু ৰক্ষণশীল সকলো অসমীয়া মানুহেই ইংৰাজী পঢ়াটো ঘিণ কৰিছিল। তেওঁলোকে ইংৰাজী পঢ়িলেই খৃষ্টান হয় বুলিহে ধাৰণা কৰাত শিক্ষাৰ প্ৰসাৰ একেবাৰেই নহৈছিল। আনফালে অসমীয়া আৰু সংস্কৃত পঢ়িবৰ কাৰণে কোনো সুবিধাও নাছিল। বঙালী ভাষাৰ স্কুলসমূহত ছাত্ৰসকলে একেবাৰেই উন্নতি কৰিব নোৱাৰিছিল।

*শিক্ষা*

সেই কাৰণেই মিলচ্ চাহাব নগাঁওলৈ অহাৰ দিনা এ, এইচ্ ডানফোৰ্থ (A. H. Dunforth) নামৰ মিচনেৰি চাহাব এজনে মিলচ্‌ক অসমৰ শিক্ষা সম্বন্ধে এখন দৰ্খাস্ত দি কৈছে—

"মই কব খোজো যে বৰ্ত্তমান চৰকাৰৰ খাজানা তোলাই যেতিয়া একমাত্ৰ লক্ষ্য ( Taxes are almost the only motive that now moves ) তাৰ বাবে জনসাধাৰণক জীৱন ধাৰণৰ সা-সুবিধা কিছুমানো দান কৰিব লাগিব।" ( Mills Report পৃঃ ৮৯ )। সাম্ৰাজ্যবাদী গোষ্ঠীৰ এজনৰ এই কথাষাৰেই সেই সময়ৰ বৃটিছ কুশাসনৰ বিষয়ে বহু কথাৰেই ইঙ্গিত দিয়ে। তেওঁ আৰু কৈছে, "এই দেশৰ প্ৰত্যেকজন মানুহেই শক্তিমন্ত আৰু প্ৰত্যেকৰে আত্ম-চেতনা বোধ আছে। প্ৰত্যেকজন মানুহেই তেওঁলোকৰ ঘৰুৱা সুখ-সুবিধা আৰু অৰ্থনৈতিক উন্নতি নিজৰ হাতৰ মুঠিতে ৰাখিছে।" এই কথা কেইফাঁকিয়ে সেই সময়ৰ অসমীয়া মানুহৰ স্বভাৱ আৰু অৰ্থনৈতিক সমস্যাৰ বিষয়ে ভাল আভাস দিব পাৰিছে। দেশৰ প্ৰচলিত শিক্ষা প্ৰণালীৰ সম্বন্ধে তেওঁ কৈছে— "অসমৰ বৰ্ত্তমান প্ৰচলিত শিক্ষা-প্ৰণালীৰ দ্বাৰা লৰা ছোৱালী বিলাকৰ মানসিকতা ধ্বংস কৰিবলৈ লৈ যোৱা হৈছে। ......ইয়াৰ যোগেদি গোটেই শিক্ষা-প্ৰণালীটো বিদেশী পৰিকল্পনাৰ জৰিয়তে নিৰ্দ্ধাৰণ কৰা হৈছে। ............ বৰ্ত্তমান লৰা-ছোৱালীক বঙালী ভাষাৰ যোগেদি শিক্ষা দিয়াত তেওঁলোকে ১২ বছৰ ভাটৌৰ দৰে শব্দ আৰু বাক্য এটাকো নুবুজাকৈ পঢ়ি যায়। কি পঢ়ে তাৰ বিষয়ে একো ধাৰণাই নহয়। তাৰ পিচতেই ব্যাখ্যা, অনুবাদ, সূত্ৰ আদি



আৰম্ভ কৰে।" এমুঠি বঙালী কৰ্ম্মচাৰীৰ দুৰভিসন্ধিৰ কাৰণে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ শিক্ষাৰ ক্ষেত্ৰত বঙলা মাধ্যমৰ জৰিয়তে শিক্ষা দান কৰি শিক্ষাৰ নামত ষড়যন্ত্ৰেৰে কি ভীষণ অৱস্থাৰ সৃষ্টি কৰি শতিকা জুৰি অসমীয়া জাতিটো পিচ পেলাই নিলে, তাৰ নিদৰ্শন ওপৰৰ কথা খিনিয়েই সুন্দৰ ৰূপে ফঁহিয়াই দেখুৱাইছে। ১৮৫৩ চনত প্ৰাথমিক আৰু মাধ্যমিক দুয়োমিলি মাত্ৰ ১৩ খন পঢ়াশালিহে গোটেই জিলাখনত আছিল।

১৮৪৭ চনৰ পৰা খৃষ্টান মিচনেৰিসকলে শিৱসাগৰৰ পৰা প্ৰকাশ কৰা অসমীয়া ভাষাৰ 'অৰুণোদয়' নামৰ মাহেকীয়া কাকতখনিয়ে সদৌ অসমতে এটা আলোড়নৰ সৃষ্টি কৰিছিল। সেই বাতৰি কাকতখনত অসমৰ বিষয়ে বিভিন্ন বা-বাতৰি প্ৰকাশ পাইছিল। নগঞা মানুহেও কাকতখন পঢ়ি বৰ আমোদ পাইছিল।

*বেহা-বেপাৰ*

জিলাখনৰ কোনো কোনো ঠাইত হাট-বজাৰ পাতি দি সেইবোৰত মাহ-সৰিয়হ-গৰু-ম'হ-হাঁহ-কুকুৰা-শাক-পাচলি-মাছ-মঙ্গহ-কানি-ফটিকা আদি সকলোপ্ৰকাৰৰ বস্তু মুকলি-মূৰীয়াকৈ বেচিবৰ সুবিধা দিয়া হৈছিল। তাত সকলো শ্ৰেণীৰ মানুহেই বয়-বস্তু অবাধে বেচা-কিনা কৰিব পাৰিছিল।

নগাওঁ চহৰৰ সোঁ-মাজতে থকা মাৰোৱাৰী পট্টি আৰু হয়বৰগাৱঁত তেতিয়াই মাৰোৱাৰীসকলে ভালদৰে খোপনি-পুতি বেহা-বেপাৰৰ ক্ষেত্ৰত তেওঁলোকৰ স্থান গজগজীয়া কৰি বহিছিল। গোটেই জিলাখনৰ বেহা-বেপাৰৰ ক্ষেত্ৰত তেওঁলোকেই হাতৰ মুঠিত ৰাখিছিল। চৰকাৰে লিভাৰপুলৰ পৰা নিমখ অনাই মাৰোৱাৰী সকলৰ হতুৱাই বিক্ৰি কৰোৱাৰ কাৰণে নগঞা-ৰাইজে ভীষণ আপত্তি দৰ্শাইছিল। কিয়নো অসমীয়া ৰাইজে ৰজাদিনীয়া নীতিৰে অসমৰ বুকুৰ পৰাহে নিমখ উলিওৱাটো কামনা কৰিছিল। অথবা নিমখৰ নাটনি পৰিলে ভুটান বা নগা পাহাৰৰ পৰা নিমখ ৰপ্তানি কৰাৰহে ৰাইজ পক্ষপাতি আছিল।

### কলঙৰ দলং

১৮৪৭ চনৰ এপ্ৰিল মাহত নগাওঁ চহৰৰ সোঁ-মাজেদি কলং নৈৰ ওপৰত ৬০৬ ফুট দীঘল, ৩০ ফুট ওখ আৰু ১৬ ফুট বহলৰ কাঠৰ দলংখনৰ নিৰ্ম্মাণ কাৰ্য্য শেষ হয়। এই দলঙৰ শালকাঠৰ খুটাবোৰ ২৭ হাত ওখ আছিল আৰু প্ৰতি ৭ হাত আঁতৰে আঁতৰে তিনি শাৰীকৈ পোতা হৈছিল। সেই দলংখন সাজোঁতে সকলোবোৰ অসমীয়া বনুৱাইহে কঠোৰ পৰিশ্ৰমৰে কাম কৰিছিল। দলংখন সাজোঁতে এহেজাৰ টকা খৰছ হৈছিল। তাৰে ৩০০্ টকাহে চৰকাৰে ৰাজ-ভড়ালৰ পৰা সাহায্য দিছিল। বাকী টকা ৰাইজে কায়িক পৰিশ্ৰমৰ যোগেদি দান কৰিছিল। এই দলঙৰ ওপৰেদি দিনে প্ৰায় তিনি হেজাৰ মানুহ অহা-যোৱা কৰিছিল। ১৮৪৭ চনৰ ১৫ এপ্ৰিলৰ দিনা প্ৰথমে দলংখনৰ ওপৰেদি মানুহ অহা-যোৱা কৰিছিল। এই দলংখনৰ কাৰণে মিল্‌চে বাট্‌লাৰ চাহাবক ভূৰি ভূৰি প্ৰশংসা কৰিছিল। (মিলচ্‌ ৰিপট; ৪৬৩ পৃঃ)

### কাছাৰী ঘৰ

নগাৱঁৰ বৰ্ত্তমান কাছাৰীঘৰ থকা ঠাইতেই তেতিয়াৰ কাছাৰী ঘৰো আছিল। ঘৰটো বৰ ডাঙৰকৈ আৰু ধুনীয়াকৈ সজা হৈছিল। অসমীয়া মানুহে তেতিয়ালৈকে ইমান ডাঙৰ ঘৰ নেদেখাৰ কাৰণেই হবলা মানুহে সেই ঘৰটোক ইন্দ্ৰপুৰী বুলি আখ্যা দিছিল। তাৰ ভিতৰত আমোলাসকলে বৰ পীৰাত দলিচা-পাৰি বহি অসমীয়া চিঞাহীৰে পাখি-কলম আৰু খাগৰিৰ কলমেৰে লিখা-পঢ়া কৰিছিল। আজিৰ দৰে তিনি মহলীয়া, ঘৰত বিজুলী বাতি আৰু বিজুলী বিচনীৰ তলত চকি-মেজত বহি চুপি-কলমেৰে লিখা-পঢ়া কৰাটো তেতিয়াৰ মানুহে চিন্তাই কৰিব নোৱাৰিছিল।

যোৰহাটৰ উপৰিও চেৰাপুঞ্জীৰ সৰু ঘৰৰ লগত নগাৱঁৰো মণিৰাম দেৱানৰ ঘনিষ্ঠ সম্বন্ধ আছিল। গাৰো পাহাৰ আৰু খাচীয়া জয়ন্তীয়া পাহাৰ ইংৰাজে দখল কৰাৰ পিচতেই মণিৰাম দেৱানক নংখ্লাও চেৰাপুঞ্জী আৰু গাৰো পাহাৰত চৰকাৰে দায়িত্বপূৰ্ণ পদবীত নিয়োগ কৰিছিল।



তেতিয়াৰে পৰাই খাচি, জয়ন্তীয়া আৰু গাৰোসকলৰ লগতো দেৱানৰ বিপ্লৱী চিন্তাধাৰাৰ যোগসূত্ৰ স্থাপিত হৈছিল। পুৰন্দৰ সিংহৰ ১৮৩৮ চনলৈকে প্ৰধান মন্ত্ৰী হোৱাৰ পিচত মৃত্যুলৈকে তেওঁ অসমৰ অতীত ৰক্ষাৰ কাৰণেই যুজিছিল। এই বিপ্লৱী নেতাজনৰ পাৰিষদবৰ্গ আৰু বহু দৃঢ়মনা নগঞা লোকৰো অভাৱ নহৈছিল। সেই কাৰণেই নগাৱঁতো বিদ্ৰোহৰ চিন্তাধাৰাই ভালদৰে শিপাইছিল; কিন্তু বিস্ফুৰিতহে হোৱা নাছিল। পশ্চিমীয়া চিপাহীৰ লগত ষড়যন্ত্ৰ কৰি জিলা কলেক্টৰক বধ কৰিবলৈ চেষ্টা কৰা অপৰাধত আমোলাপট্টিৰ কৃষ্ণকান্ত গোস্বামীৰ উপৰি চফিউন-নেচা (নগাওঁ লোকেল বোৰ্ডৰ ভূতপূৰ্ব্ব চেয়াৰমেন মহম্মদ ৰফিক চাহাবৰ বুঢ়ীমাক) নামৰ এগৰাকী নগঞা ভদ্ৰপৰিয়ালৰ স্বাধীনতা-প্ৰিয় বিদুষী মুছলমান মহিলাই ১৮৫০ চনৰ পিচতে দ্বীপান্তৰী হৈ কলিয়াপানীলৈ যাব লগা হয়। তাৰ উপৰিও অসমৰ চাৰিওফালে হোৱা বিপ্লৱৰ প্ৰস্তুতিৰ লগতে পৰ্ব্বতীয়া ভাইসকলৰ আন্দোলন আৰু সেইবোৰৰ কাৰ্য্যকলাপৰ বাবেও নগঞা ৰাইজ বিপ্লৱী হৈ উঠিছিল।

### অত্যাচাৰী স্কন্‌চ

এই প্ৰসঙ্গতে ১৮৫৮ চনৰ পিচত অহা নগাৱঁৰ ডিষ্ট্ৰিক্ট অফিচাৰ বা বৰচাহাবৰ লেফ্‌টেনেণ্ট স্কন্‌চ্‌ (Lt. Sconce) চাহাবৰ বিষয়ে আলোচনা নকৰাটো অপ্ৰাসঙ্গিক হব। স্কন্‌চ্‌ এজন অতি অত্যাচাৰী আৰু দুৰ্ম্মতিপৰায়ণ শাসনকৰ্ত্তা আছিল। তেওঁ জিলাধিপতিৰ কাৰণে একেবাৰেই অলায়ক মানুহ আছিল। সকলো কামকে তেওঁ অতি মইমতীয়া ভাৱে কৰিছিল আৰু তেওঁৰ কাৰ্য্যৰ বিৰুদ্ধে কোনো কথাকে গ্ৰাহ্য নকৰিছিল। তেওঁৰ মতে তেওঁক দেখা কৰিবলৈ যোৱাটোও দোষণীয় কথা। কেতিয়াবা কেতিয়াবা তেওঁক অতি আৱশ্যকীয় কাৰণত দেখা কৰিবলৈ যোৱা মানুহক মাৰধৰ কৰিছিল অথবা পোনে পোনে জেইললৈ পঠিয়াইছিল। অথচ তেৱেঁই আছিল জিলাখনৰ হৰ্ত্তা-কৰ্ত্তা। তেওঁৰ বাহিৰে অন্য এজনৰ ওচৰলৈ যাব পৰা উপযুক্ত বিচাৰকো জিলাখনত নাছিল। তেওঁ মৌজাদাৰসকলৰ ওপৰতো সদায় চোকা নজৰ ৰাখিছিল যাতে তেওঁলোকে খাজানা তোলাত অলপো ব্যতিক্ৰম নকৰে।

বাট্‌লাৰ চাহাবে মৌজাদাৰসকলৰ জৰিয়তে চকুৰ পচাৰতে গোটেই জিলাখনৰ বা-বাতৰি ৰখাৰো ব্যৱস্থা কৰিছিল। তেওঁলোকে চাহাবক নিজ নিজ এলেকাৰ চুৰি-ডকাইতি আদি বিভিন্ন প্ৰকাৰৰ খবৰো যোগান ধৰিব লগা হৈছিল। স্কন্‌চ্‌ চাহাবে অসমীয়া মানুহক তৃণ-তৰু যেনো নেদেখিছিল ; আনকি আইন-আদালতত আশ্ৰয় লোৱা প্ৰায় সকলোকে গৰু-পশুৰ দৰেহে ব্যৱহাৰ কৰিছিল। চাহাবজন একেবাৰেই বিবেকশূন্য আছিল বুলি কলেও বঢ়াই কোৱা নহব ! তেওঁ অন্যান্য চাহাব আৰু চৰকাৰী কৰ্ম্মচাৰী সকলকো প্ৰজাৰ ওপৰত অত্যাচাৰ কৰিবলৈ উচটনি দিছিল। চিপাহীবোৰৰ হতুৱাই মিছাতেই ৰাইজৰ ওপৰত জধে-মধে অত্যাচাৰ কৰোৱাইছিল। বৃটিছ চৰকাৰৰ আমোলত যিসকল জিলাধিপতিয়ে নগাঁৱত শাসনভাৰ চলাইছিল সেইসকলৰ ভিতৰত লেফ্‌টেনেণ্ট স্কনচ্‌ চাহাবেই আটাইতকৈ অত্যাচাৰী আছিল ! তেওঁৰ একমাত্ৰ লক্ষ্য আছিল দুৰ্ব্বব্যৱহাৰ আৰু উৎপীড়নৰ জৰিয়তে ৰায়তৰ পৰা খাজানা আদায় কৰাটোহে। তেওঁৰ শাসন কালত নগঞা প্ৰজাৰ চকুৰে সৰিয়হ ফুল দেখিছিল। আনকি হিন্দুৰ নাম-ঘৰ আৰু ধৰ্ম্ম-মন্দিৰৰ ওপৰতো তেওঁ অত্যাচাৰ চলাইছিল। পুণ্য সনাতন শঙ্কৰী ধৰ্ম্মৰ ওপৰত অন্যায় মন্তব্য কৰি ৰাইজৰ অন্তৰত জুই দুগুণে জ্বলাই তুলিছিল। বাটেদি গুলাই যাওঁতে তেওঁক চালাম নিদিয়া দেখিলে গণ্যমান্য মানুহ পালেও উৎপীড়ন কৰিছিল। ১৮৬০-৬১ চনত এই অত্যাচাৰী চাহাবজনেই নগাঁৱৰ জিলাধিপতি আছিল। প্ৰকৃততে কবলৈ গলে এই চাহাবজনেই ফুলগুৰিত হোৱা প্ৰজা-বিদ্ৰোহৰ কাৰণে প্ৰত্যক্ষ ভাৱে দায়ী আছিল ! স্বদেশ আৰু স্বজাতিৰ অৰ্থে আৰু ইংৰাজ চৰকাৰৰ দুঃশাসনৰ কাৰণেহে ফুলগুৰীয়া ৰাইজে বিদ্ৰোহ কৰিছিল।

১৮৫৮ চনত মহাৰাণী ভিক্টোৰীয়াই ঘোষণা কৰিছিল যে ভাৰতীয় প্ৰজাৰ উন্নতিয়েই ৰজাৰ শক্তি, তেওঁলোকৰ সন্তোষেই ৰজাৰ নিৰাপত্তা আৰু প্ৰজাৰ সুখেই ৰজাৰ আটাইতকৈ উপযুক্ত পুৰস্কাৰ। কিন্তু লেফ্‌টেনেণ্ট স্কন্‌চ্‌ চাহাবে এই সকলোবোৰ ঘোষণাৰ সম্পূৰ্ণ বিৰুদ্ধে কাম কৰিলেও তাৰ উচিত বিচাৰ কৰা নহল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ অত্যাচাৰী ইংৰাজ



শাসন মহাৰাণীৰ ঘোষণাৰ পিচতো তীব্ৰতৰ হৈ নগাঁৱত চলিয়েই থকাৰ কাৰণেই নগাঁৱত প্ৰবল বিদ্ৰোহে দেখা দিলে। অথচ যি জন মুখ্য বিষয়াৰ কুশাসনৰ ফলত ফুলগুৰিত প্ৰজা-বিদ্ৰোহ হৈছিল, বিচাৰত দোষী বুলি প্ৰমাণিত হলেও তেওঁক অস্থায়ীভাৱে কিছুদিন চাকৰিত তলথাপলৈ নমাই পুনৰ সেই পদতেই অধিষ্ঠিত কৰা হৈছিল।

1695
8.12.95

# পঞ্চম অধ্যায়

## অসমত কানি

ভাৰতৰ প্ৰতিবাসী চীন দেশতেই পৃথিৱীৰ ভিতৰত আটাইতকৈ পূৰ্ব্বতে কানিৰ প্ৰচলন আছিল বুলি জনা যায়। সেই দেশৰ পৰাই বেহা-বেপাৰ আৰু অন্যান্য কাৰণত পৃথিৱীৰ বহু দেশত কানিৰ প্ৰচলন হৈছিল। আমাৰ লগত চীন দেশৰ বাণিজ্য অতি পুৰণি-কলীয়া; আনকি অসমৰ লগত চীনদেশৰ মানুহৰ অহা-যোৱা কৰাৰো পাৰম্পৰিক সম্বন্ধ প্ৰাচীন যুগৰ পৰাই আছিল। সেই কাৰণেই অসম আৰু ভাৰতৰ অন্যান্য ৰাজ্যলৈকো ব্যৱসায়-বাণিজ্যৰ জৰিয়তে কানিৰ আমদানি হৈছিল বুলি সহজেই অনুমান কৰিব পাৰি।

তথাপিও অসমত কিমান দিনৰ পৰা কানিৰ প্ৰচলন হৈছিল তাৰ সঠিককৈ ঠাৱৰ কৰা টান। কিন্তু এইটো অতি সঁচা কথা যে আহোম ৰজাসকলৰ আমোলতে অতি কমকৈ হলেও সম্ভ্ৰান্ত পৰিয়ালবৰ্গৰ ভিতৰতে লুকুৱাই-চুৰকৈ কানিৰ প্ৰচলন হৈছিল।

মোগল সম্ৰাটসকলে সোতৰবাৰ অসম আক্ৰমণ কৰিছিল; আৰু প্ৰতিবাৰৰ আক্ৰমণতেই কম বেছি পৰিমাণে অসমীয়া প্ৰজাৰ মাজত একোটা বিষবাষ্প প্ৰয়োগ কৰিছিল। মোগল সৈন্যবিলাকৰ মাজত মুকলি মুৰীয়াকৈ কানি খোৱাৰ নিয়ম আছিল। আনকি শৰাইঘাটৰ যুদ্ধলৈ অহা মানসিংহৰ সৈন্য বিলাকৰো বহুতেই কানি খাইছিল। অসমত প্ৰচুৰ কানিৰ প্ৰচলনৰ কাৰণে মোগলসকলৰ অসম আক্ৰমণেই প্ৰত্যক্ষভাৱে দায়ী আছিল। অসমত আগৰেপৰা অতি কম পৰিমাণে কানিৰ প্ৰচলন থাকিলেও কানি খোৱাৰ অতি সহজ আৰু তিতা নলগা নিয়ম অসমীয়া



প্ৰজাই মুঠেইকৈ নেজানিছিল। মোগল সৈন্যবিলাকেহে অসমীয়া মানুহক কানি খোৱাৰ বঢ়িয়া পদ্ধতি শিকাই দি জাতিটোক নিস্তেজ আৰু দুৰ্ব্বল কৰি পেলাইছিল।

আগৰ কালত অসমীয়া মানুহে কানি খোৱা মানুহক অতি ঘৃণাৰ চকুৰেহে চাইছিল। আহোম ৰজাসকলৰ আমোলতো কানীয়াক হীন ব্যৱহাৰ কৰা হৈছিল। আনকি স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্ব কালতো কোনো কোনো দোষৰ শাস্তিৰ বাবে অন্যান্য শাস্তিৰ লগতে দোষীক জোৰ কৰি কানি খুৱাই শাস্তিৰ বিধান কৰা হৈছিল।

মণিৰাম দেৱানৰ লিখনিৰ পৰা জনা যায় যে আগতে কোনো কোনো অসমীয়া মানুহে পানীত গুলি খাইছিল যদিও তেনেকৈ খালে বৰ তিতা লগাৰ বাবে মানুহে কানি খাবলৈ ভাল নেপাইছিল। "কিন্তু, কানি খোৱাৰ অতি সহজ, সৰল আৰু তিতা নলগা উপায় ওলাল বঙ্গদেশৰ পৰা আমদানি কৰা বৰকান্দাজ চিপাহী অসম সোমোৱাৰ লগে লগে।" (ডাঃ সূৰ্য্যকুমাৰ ভূঞা) মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবৰ কাৰণে স্বৰ্গদেউ গৌৰীনাথ সিংহই সেই সময়ত গোৱালপাৰাত থকা ইষ্ট্ ইণ্ডিয়া কোম্পানীৰ বিষয়া মিষ্টাৰ হিউ বেইলী চাহাবক ইংৰাজ সৈন্য খুজি পঠায়। বেইলী চাহাবে ১৭৮৯ চনত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ সাহায্যাৰ্থে অসমলৈ কিছুমান সৈন্য পঠাইছিল। সেই সৈন্যবোৰ গোকাট কানীয়া আছিল। সিহঁতৰ পৰাইহে অসমীয়া মানুহে তিতা-নলগাকৈ সহজ উপায়েৰে কানি খাবলৈ শিকে।

দেৱানে অসম বুৰঞ্জীত আৰু লিখি থৈ গৈছে যে শিৱসিংহ ৰজাৰ দিনৰে পৰা দুই-এজন মুছলমান মানুহে কদাচিত কানি খাইছিল। কিন্তু পাণত ভাজি, টিকিৰা কৰি কানি খোৱা দস্তুৰটো কেৱল বৰকান্দাজ বঙালে (মিঃ হিউ বেইলী চাহাবৰ সৈন্যৰ লগত অহা বঙ্গদেশ আৰু অন্যান্য ৰাজ্যৰ কিছুমান অতি দুষ্ট প্ৰকৃতিৰ ডকাইত আৰু চৰিত্ৰহীন মানুহ) অসমত প্ৰচাৰ কৰিলে। সিহঁতেই "পাণৰ লগত মোহাৰি হোঁকাত লগাই ধোৱা খোৱাৰ তিতা নলগা" নিয়ম অসমীয়া মানুহক শিকাই দিয়াত প্ৰথমতে মাহেকে-পষেকে কানি খোৱাৰ পৰাই নিচাত আৱদ্ধ হৈ পৰিল।

বৰকান্দাজহঁতে অসমীয়া মানুহক একমাত্র কানি খাবলৈ শিকাইয়েই নেৰিলে ; সিহঁতে আফুখেতি কৰাৰ সকলো পদ্ধতিও শিকাই দি প্ৰবল-প্ৰতাপী অসমীয়া জাতিক একেবাৰে পঙ্গু কৰি পেলালে। মোৱামৰীয়া বিদ্ৰোহৰ সময়ৰ পৰা সিহঁতে নানান বেশেৰে অসমত সোমাই অসমীয়া মানুহক নগুৰ-নাগতি কৰি জুলুকি জুলুকিকৈ শিকাইছিল। প্ৰকৃততে স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত অসমীয়া সমাজৰ সকলো অঙ্গতে ব্যাপকভাৱে কানিৰ প্ৰচলন হয়। "তেওঁৰ ৰাজত্বকালতেই ১৭১৫ শকত বঙ্গদেশৰ পৰা আফুগুটি অনাই বেলতলাত সদৰিকৈ কানি খেতি কৰা হয়। সেই সময়ত মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ অসমলৈ অহা কাপ্তান ওৱেলচ চাহাবৰ বহুত সৈন্য জহনী আৰু গ্ৰহণীত মৰে। কোনো কোনো বৃটিছ সৈন্যৰ লগত আফিং থকাৰ কাৰণে তাৰ দ্বাৰাই বহুত মানুহ আৰোগ্য হয়। সেই কাৰণেই কানি বৰ উপকাৰী বস্তু বুলি সেই সৈন্যবিলাকৰে কাৰোবাৰ পৰা গুটি লৈ প্ৰথমে তাৰ খেতি কৰা হয়। তেতিয়াৰ পৰাই কানিৰ ব্যৱহাৰ বহল ভাবে হবলৈ ধৰিলে। আদিতে ঔষধ বা দৰব বুলি সম্ভ্ৰান্ত লোকেহে খাইছিল। পিচত ক্ৰমান্বয়ে ভোগৰ বস্তু বুলি পৰিগণিত হোৱাত সকলোৱে ব্যৱহাৰ কৰিবলৈ ধৰিলে। বেলতলাৰ কানি বৰ উত্তম বুলি প্ৰসিদ্ধ আছিল আৰু সেই কানিহে ৰজাৰ ঘৰলৈ গৈছিল। কানি এবিধ মাদক দ্ৰব্য। সি প্ৰথমে দেশত ৰোগ-নাশক দৰব বুলি সোমাই এতিয়া আপুনিয়েই ৰোগৰ মূল হৈ দেশ অধিকাৰ কৰিছে। বৃটিছ সৈন্য আহিবৰ পূৰ্ব্বে বেপাৰ কৰা মানুহৰ পৰা বঙাল দেশৰ কানি দেশত প্ৰকৃত দৰব ৰূপে ব্যৱহাৰ হৈছিল। খেতি নাছিল। সি সময়ৰ পৰাহে ইয়াৰ খেতি হবলৈ ধৰিলে।" (৺গুণাভিৰাম বৰুৱা) তেতিয়াৰ পৰাই আফুখেতিও অসমীয়া মানুহে মুকলি-মূৰীয়াকৈ কৰিবলৈ সুবিধা পালে।

স্বৰ্গদেউ গৌৰীনাথ সিংহ নিজেও এজন গোকাট কানীয়া আছিল। তেওঁ কানিৰ ৰাগীতেই দিনটোৰ অধিক সময় কটোৱাৰ বাবেই শৰীৰ আৰু মানসিক শক্তিও অতি দুৰ্ব্বল আছিল। চফল ডেকা বয়সত ৰজা হবলৈ সুবিধা পায়ো ৰাজকাৰ্য্যৰ প্ৰতি তেওঁৰ অকণো স্পৃহা নাছিল।



গতিকেই ৰজাৰ পৰাই প্ৰজাই কানি খাবলৈ উৎসাহ আৰু প্ৰেৰণা পাইছিল। লৰ্ড কৰ্ণওৱালিচৰ দিনত অসমত মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ পঠোৱা কেপ্তেইন ৱেলচ চাহাবেও কোম্পানীৰ বহুমুখী লাভৰ আশাত অসমলৈ কানি আমদানি কৰাৰ পৃষ্ঠপোষকতা কৰিছিল। স্বৰ্গদেউ-গৌৰীনাথ সিংহৰ ৰাজত্ব কালতেই সদৌ অসমতে আফু খেতিৰ প্ৰচলন হয় আৰু অসমীয়া ল'ৰা-বুঢ়া-ডেকা-গাভৰু সকলোৱে কানি খাবলৈ আৰম্ভ কৰে। অসমত আহোম ৰাজত্বৰ বেলিমাৰৰ ক্ষেত্ৰত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ অকৰ্ম্মণ্য ৰাজত্বই ৰাক্ষসীৰ বেশেৰে বহুফালৰ পৰাই গ্ৰাস কৰি পেলাইছিল।

আফুগুটিৰ পৰা হোৱাৰ কাৰণে কানিৰ অন্য এটা নাম আফিং। আহিন-কাতি মাহত আফুখেতি কৰা হয়। ফাগুন-চ'তত খেতি উঠে। আফু-গছবোৰ দুহাতমান ওখ হয়। ইয়াৰ গুটিবোৰো একোটা ডাঙৰ বগৰীৰ সমান। মাঘ-ফাগুনত গুটিবোৰ যেতিয়া পুৰঠ হয় তেতিয়া গুটিবোৰ আগদিনা চোকা কটাৰীৰে আঁকিয়াই থোৱা হয়। সেই আঁকবোৰৰ পৰা বগা এঠা ওলায়। পিচদিনা এঠাবোৰ ধৰি পৰিষ্কাৰ কাপোৰত মচি থোৱা হয়। কাপোৰত লাগি থকা এঠাকেই আফিং বোলা হয়। আফিং কাপোৰত লগাই তৈয়াৰ কৰাৰ বাবেই হবলা অসমত ইয়াৰ নাম কানি হয়। কোনো কোনো ঠাইত ই কেপাকানি নামেও জনাজাত। সেই কানিকেই মানুহে সেৱন কৰে।

গ্ৰহণী আদি কিছুমান বেমাৰৰ কাৰণে কানি উপকাৰী। প্ৰথমতে ঔষধত ব্যৱহাৰ কৰাৰ জৰিয়তেই ক্ৰমান্বয়ে ইয়াৰ ব্যাপক প্ৰচলন হোৱাতো অসম্ভৱ নহয়। শেষত এই কৰালৰূপী কানিয়েই মহাব্যাধিৰূপে অসম-ভূমিত ধ্বংসলীলাৰ সৃষ্টি কৰে। মিল্‌চ্‌ চাহাবৰ ৰিপৰ্টৰ পৰা জনা যায় যে ১৮৫৩ চনত অসমৰ মুঠ জনসংখ্যাৰ চাৰি ভাগৰ তিনি ভাগেই কানি খাইছিল।

কোমল-পাণ কুটি জুই-তাপত কানি ভাজি জুলীয়া কৰি চুয়োকে মিহলাই মলাধপাত খোৱাৰ নিচিনাকৈ হোঁকাৰ মূৰত টিকিৰা কৰি খাবলৈ শিকাৰ পৰাই অসমীয়া জাতি ধ্বংসমুখী হৈ পৰিল। বহুত মানুহে

কানিৰ লগত দৈ-গাখীৰ মচলাযুক্ত আঞ্জা আৰু অন্যান্য জুতি লগোৱা মাংস আদি উপাদেয় বস্তুৰ ভাজি আদিও ব্যৱহাৰ কৰাৰ কাৰণে খৰচো বেছি হৈছিল। গতিকেই কানিৰ লগত কানীয়াই ঘৰৰ সকলো বয়বস্তু বেচি উদং কৰিছিল। অন্য হাতেদি কানি কোনো কোনো মানুহৰ কাৰণে জীৱন-ধাৰণৰ অত্যাৱশ্যকীয় বস্তুৰ ভিতৰতে পৰিগণিত হোৱাত কানি নহলে একেবাৰেই থাকিব নোৱাৰিছিল। আনকি তিৰোতাৰ হাতৰ কাণৰ গহনা, গোহালীৰ গৰু, স্থাৱৰ অস্থাৱৰ সা-সম্পত্তি বেচি কানিৰ লগতেই হেজাৰ হেজাৰ অসমীয়াই শেষ কৰিছিল। সদৌশেহত ই পঞ্চামৃত আৰু সৰ্ব্বশুদ্ধি স্বৰূপে অসমীয়া সমাজত প্ৰচলন হৈছিল। আনকি পেটৰ কামোৰ, মূৰৰ কামোৰ, সূতিকা, লৰা-ছোৱালীৰ বিভিন্ন বেমাৰৰ ঔষধ আদিৰ কাৰণেও ইয়াক ব্যৱহাৰ কৰা হৈছিল। পানী-কেঁচুৱাই কান্দিলেও মাকহঁতে কানি খুৱাইহে শুৱাই থৈছিল। বেমাৰৰ প্ৰতিকাৰ বিচাৰি গণকৰ ওচৰলৈ গলেও চাৰি পাঁচজন ভকতক মাতি কানিয়া সেৱাৰ লেঠা ভাঙিবলৈ উপদেশ দিছিল। মতা মানুহৰ উপৰিও আনকি গোপিনী সবাহতো আই-বাই সকলোৱে মিলি কানি খালেহে সবাহৰ গুণ ধৰে বুলি মানুহৰ বিশ্বাস হৈছিল। তেনেবোৰ ক্ষেত্ৰতো কানি মুকলি মুৰীয়াকৈ সামূহিক ভাবে অবাধে সেৱন কৰা হৈছিল। কানি খোৱাৰ ক্ষেত্ৰত সৰু-বৰৰ ভেদ ভাৱ নাছিল।

কানিৰ যুগত একমাত্ৰ "কলীমতি"য়েই সকলো কথাৰে মূলবস্তু হৈ অসমীয়া সমাজ ধ্বংসৰ শেষ শিখৰত উপনীত কৰিছিল। ঊনৈশ শতিকাৰ মাজ-ভাগত অসমৰ শতকৰা ৭৫ জন মানুহেই কানি খাই ৰাগীত বিভোৰ হৈ দিনৰ দিনটো কানিৰ খোলাতে অলসভাৱে কটোৱাৰ কাৰণে খেতি-খোলাও নহৈছিল। কানিয়ে মানুহৰ নৈতিক চৰিত্ৰ ইমান তললৈ নমাইছিল যে ইয়াৰ কাৰণেই অন্যান্য বয়বস্তুৰ উপৰিও ল'ৰা-ছোৱালী বিক্ৰী কৰি আনকি কানি খাবলৈ পইচাৰ অভাৱত নিজৰ তিৰোতাৰ সতীত্ব নষ্ট কৰাইও কানি খাইছিল। বয়বস্তু চুৰ কৰাৰ প্ৰকোপ অতিকৈ চৰি গৈছিল।

সেই কাৰণেই মণিৰাম দেৱান, আনন্দৰাম ঢেকীয়াল ফুকন



আদি অসমৰ বিশিষ্ট মনীষীসকলে কানি বৰবিহ তুলি অসমীয়া সমাজ নতুনকৈ গঠন কৰিবৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছিল। ফুকনে আবেগময়ী ভাষাত কৈছিল ঃ--

"হে কৃপাময় জগদীশ্বৰ, এই অসমদেশৰ লোকসকল স্বদেশ. সভ্য, গিয়ানী আৰু ধাৰ্ম্মিক হবলৈ মতি দিয়া, সিবিলাকৰ অভাৱ আৰু দুৰৱস্থাৰ কথা জানিবলৈ জ্ঞান দিয়া আৰু তোমাৰ বিচিত্ৰ শক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ, আজ্ঞা পালিবৰ যোগ্য কৰা। যি সময়ত অসম হাবি গুছি ফুলবাৰী হব, নৈত ডোঙা গুছি জাহাজ হব, ঘৰ বাঁহৰ গুছি শিল-ইটাৰ হব, গাৱেঁ গাৱেঁ হেজাৰ পঢ়াশালী, গিয়ানৰ সভা, চিকিৎসালয়, দুখীয়া দৰিদ্ৰৰ পৰিত্ৰাণৰ আলয় হব আৰু যি কালত লোকসকলে পৰস্পৰে হিংসা নকৰি আটায়ে আটাইক ভাতৃত্ব চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিছা সাক্ষী নিদি লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেটি পায়ো কাৰো অন্যায় নকৰিব, বেশ্যা, কানি আৰু সুৰা এই কথা দেশৰ লোকে ভু নেপোৱা হব, সেইসময় হে পৰমপিতা জগদীশ্বৰ, সিদ্ৰে ঘটোৱা।"

গতিকে ১৮৬১ চনত চৰকাৰে আফুখেতি আইন অসঙ্গত বুলি ঘোষণা কৰাৰ ফলত ৰাইজ উপকৃত হৈছিল। কিন্তু বৃটিছ চৰকাৰৰ কুশাসন আৰু কৰৰ হেঁচা সহিব নোৱাৰিহে ফুলগুৰিৰ প্ৰজা বিদ্ৰোহী হৈছিল। ইয়াৰ উপৰিও আইনখনো অতি ত্ৰুটীপূৰ্ণ আছিল। আফুখেতি উঠাই দিয়াটো সেই বিদ্ৰোহৰ পৰোক্ষ কাৰণহে আছিল। খৰধৰকৈ আফুখেতি নিসিদ্ধ কৰি, অধিক পৰিমাণে বেচি দামত চৰকাৰী কানি বিক্ৰী কৰাতোও অনুচিত হৈছিল। তদুপৰি নিতান্ত আৱশ্যকীয় ক্ষেত্ৰত কোনো লোকলৈ কিছুদিনৰ কাৰণে ৰেহাইৰ ব্যৱস্থা কৰিবও লাগিছিল। বয়স আৰু স্বাস্থ্যৰ প্ৰতি লক্ষ্য কৰাতোও উচিত আছিল।

## ষষ্ঠ অধ্যায়

### ফুলগুৰিৰ ধেৱা

মনিৰাম দেৱানে অসমত যি এটা মহান বিপ্লৱৰ পাতনি মেলিছিল সেই বিপ্লৱৰ অৰিহণা যোগাবলৈ নগঞা ৰাইজকো প্ৰস্তুত কৰি তোলা হৈছিল। গতিকেই তেওঁ নগঞা নেতাসকলৰ লগত সকলো সময়তে আলোচনা কৰিবলৈ কেতিয়াও নেপাহৰিছিল। আনকি কলিকতালৈ যাওঁতেও দেৱানে কলঙেদি আহি নগাৱঁত সোমাই ৰহাৰ ৰহীয়াল বৰুৱাৰ ঘৰত ভিতৰুৱাকৈ বিদ্ৰোহৰ বিষয়ে আলোচনা কৰিহে কলিকতালৈ ৰাওনা হৈছিল। ৰহীয়াল বৰুৱাৰ ঘৰত দেৱানে কেইবাখনো গোপন মেল পাতিছিল। সেই মেলবোৰত টোপখুচি, সৰাগাওঁ, খাইগড়, বাৰপূজীয়া আৰু মিকিৰ গাৱঁৰ পাচোৰজা আৰু মায়ং, কুমৈ, নেলি, বঘৰা, ঘগুৱা, তেতেলিয়া আৰু সুখুনাগুগীয়াৰ সাতোজনা ৰজাৰ উপৰিও চহৰী, উত্তৰখোলা আৰু গোভাৰ কটকী, জাগীয়লীয়া গোহাই, কপিলী উপত্যকাৰ লস্কৰসকল আৰু নগাৱঁৰ সকলো অংশৰ নেতৃস্থানীয় ডা-ডাঙৰীয়া আনকি মৌজাদাৰ সকলেও যোগদান কৰি বিপ্লৱ সংগঠনৰ বিষয়ে বহলাই আলোচনা কৰিছিল।

ইংৰাজে শাসনভাৰ লৈ সাতোৰজা-পাচোৰজা সকলৰ হাতৰ পৰা দোষীক শাস্তি দিয়া 'শিল-ধম-চাবুক-চমতা' এই বিশেষ ক্ষমতা কাঢ়ি নি তেওঁলোকে সদা-সৰ্ব্বদা উপভোগ কৰি অহা পাইক, বিচাৰ আদি অন্যান্য ক্ষমতা আৰু সা-সুবিধাবোৰ বিলোপ কৰাত সেই সেই পৰিয়ালৰ মুৰব্বী বা ৰাজপোৱালীসকল বিদ্ৰোহী হৈ উঠিছিল। দেৱানে স্থানীয় প্ৰতাপশালী ৰজা-পোৱালীসকলকে ৰথৰ সাৰথি কৰি গোটেই নগাৱঁতে



বিদ্ৰোহৰ অগনি জ্বলাই তুলিবলৈ সমৰ্থবান হৈছিল। গতিকেই সকলোৱেই ভেদ-ভাব পাহৰি জাতি-অজাতি, উচ্চ-নীচ সকলো শ্ৰেণীৰ মানুহেই ৰাতি ৰাতি ইংৰাজ খেদাৰ গোপন আলোচনা কৰিছিল। বিদ্ৰোহী সৈন্যসকলক সাময়িক ভৰণ-পোষণৰ কাৰণে নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ পৰা চাউল-পাত, ৰচদ-পাতি আদি তোলা আৰু বিভিন্ন গাৱঁৰ উপযুক্ত সাহিয়াল ডেকা-লোকসকলক সৈনিকৰ প্ৰশিক্ষণ দি ইংৰাজৰ লগত যুঁজিবলৈ প্ৰস্তুতিৰ কামো পূৰ্ণোদ্যমে চলিছিল। সেই কাম ১৮৫৫-৫৬ চনৰ পৰাই আৰম্ভ হৈছিল। উপযুক্ত সময়ত যি কোনো অৱস্থাতে যাতে সকলো সৈন্য আৰু অন্যান্য মানুহ লগ লাগি বিদ্ৰোহ গঢ়ি তুলিব পৰা যায় তাৰ বাবেও সকলো প্ৰকাৰৰ যথোপযুক্ত ব্যৱস্থা হাতত লোৱা হৈছিল।

বগা বঙালক অসমৰ চাৰি ঢাপৰ সিপাৰ কৰি থৈ আহিবৰ কাৰণে ৰহাৰ ওচৰৰ মোলানকটাত ভিবি কমাৰৰ হতুৱাই কমাৰশাল পতাই যুদ্ধৰ সঁজুলি তৈয়াৰ কৰিবলৈ ভাৰ দিয়া হল। টোপাকুচিৰ পৰা মণিপুৰ টোপগাৱঁলৈ যোৱা বাটৰ কাষৰ বুঢ়া মোলানকটাত থকা বৰ আহঁতৰ তলতে ডাঙৰকৈ ঘৰ সাজি ভালকৈ আঁৰ বেৰ দি শাল পাতি ভিবি কমাৰে ৰণলৈ যুদ্ধৰ সঁজুলি তৈয়াৰ কৰিছিল। সেই ঠাই ডোখৰ আজি-কোপতি ভিবি কমাৰৰ ঠাই বুলিয়েই জনাজাত। যুদ্ধৰ সঁজুলিৰে এটা ডাঙৰ ঘৰ ঠাহ খাই পৰিছিল। খাৰ-বাৰুদ আৰু অন্যান্য সামগ্ৰী তৈয়াৰ কৰিবলৈ বাঢ়ৈ আৰু খনিকৰো নিয়োগ কৰা হৈছিল। তেওঁলোকে সকলোৱে মিলি কাঁৰফাঁই, চুটীয়া ধেনু, জাঠী আদিও তৈয়াৰ কৰিছিল। কটহগুৰি গাৱঁৰ লক্ষণ চিং ডেকাক নগঞা সৈন্যসকলৰ সেনাপতি পাতি তেওঁৰ ওপৰতেই সৈন্য পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। লক্ষণ চিং ডেকা এজন বাহুবলী, সাহসী আৰু স্বাধীনতাপ্ৰিয় লোক আছিল। জনসাধাৰণৰ ওপৰতো তেওঁৰ প্ৰভাৱ যথেষ্টই আছিল। প্ৰবাদ আছে যে ডেকাই হেনো "ঢালৰ চাতত ডবিয়া তামোলৰ থুৰিপাত কাটিবও পাৰিছিল।" তেওঁ ৰাইজক নিৰ্ভয় দি কৈছিল, "ৰাইজে ইংৰাজৰ হিলৈ বৰটোপলৈ ভয় কৰিব নেলাগে। মই বৰুণৰ বাণেৰে সেই সকলোবোৰ ক'লা কৰি অকামিলাকৈ পেলাম।" তেওঁৰ উদ্দীপনাময়ী বাণী আৰু কিছুমান অলৌকিক

কাৰ্য্যই ৰাইজক স্বাধীনতা যুদ্ধৰ কাৰণে মতলীয়া কৰি তুলিছিল । প্ৰবাদ আছে যে তেওঁক দাবে ঘপিয়ালেও নেকাটিছিল । লক্ষণ চিং ডেকাই নগঞা ৰাইজক উপযুক্ত ভাৱে নেতৃত্বৰ যোগান ধৰিবও পাৰিছিল ।

সকলো মিলি নগাওঁ জিলাৰ বিভিন্ন অঞ্চলৰ পৰা বছা বছা বাৰ শ ডেকা সৈন্য যুদ্ধৰ কাৰণে প্ৰস্তুত কৰা হৈছিল । ইংৰাজৰ উন্নত ধৰণৰ বন্দুক বৰটোপৰ আগত পুৰণিকলীয়া অস্ত্ৰ-শস্ত্ৰৰে যুদ্ধ কৰি ইংৰাজক ঘটুৱাব নোৱাৰিব বুলি জানিও মনৰ আৱেগত সেইবোৰ সঁজুলিকে হাতত লৈ মৰো-জীওঁ সোঁ আধিকৈ মাতৃ-মুক্তিৰ আহ্বানত শ শ যুবকে দেশৰ হকে প্ৰাণ বিসৰ্জ্জন দি যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল । অন্য হাতেদি কিছুমান মানুহে ভাবিছিল যে চিপাহী বিদ্ৰোহত লিপ্ত হৈ ঘনে ঘনে পৰাজয় বৰণ কৰি ইংৰাজ সৈন্য অসমলৈ অহাতো একেবাৰেই অসম্ভৱ হব । কিয়নো সেই সময়ত উত্তৰ ভাৰতত ইংৰাজৰ অৱস্থা একেবাৰেই শোচনীয় হৈ পৰিছিল । আৰু তেওঁলোকে ভাৰতত সাম্ৰাজ্য ৰক্ষা কৰিব নোৱাৰিব বুলিয়েই সকলোৱে ধাৰণা কৰিছিল । গতিকেই কোনো কোনো লোকে অসমত বিশেষকৈ নগাওঁ জিলাত যি মুষ্টিমেয় ইংৰাজ সৈন্য আছিল তেওঁলোকক ফুঁতে উৰুৱাই দিব পাৰিব বুলিও অনুমান কৰিছিল । অসমৰ সকলো ঠাইতে একে সময়তে বিদ্ৰোহ আৰম্ভ হলে অন্য ঠাইৰ পৰা নগাওঁ জিলালৈ সৈন্য অনাটোও অসম্ভৱ হব বুলি ৰাইজে অনুভৱ কৰিছিল ।

দেৱানৰ লগতে ৰাইজক নেতৃত্বৰ যোগান ধৰা উপযুক্ত লোকসকলক ফাঁচি দি বা দ্বীপান্তৰী কৰাৰ উপৰিও অন্যান্য সকলকো নানান প্ৰকাৰে নিষ্পেষণ কৰাৰ কাৰণে সদৌ অসমতে ৰাইজৰ উত্তেজনা উপশম হৈ হতাশাই আবৰি ধৰিছিল । চিপাহী বিদ্ৰোহতো ইংৰাজে জয়লাভ কৰাৰ ফলত অসমৰ বিভিন্ন ঠাইত গজি উঠা স্বাধীনতাৰ বাসনাও মৰহি হৈছিল । সেই কাৰণেই নগাঁও জিলাতো ইংৰাজৰ বিৰুদ্ধে যি যুদ্ধৰ আখৰা কৰি সৈন্য-সামন্ত গোটাই বিপ্লৱৰ পাতনি মেলিবলৈ ব্যৱস্থা কৰা হৈছিল সেইবোৰো সেমেকি পৰাত মানুহবোৰ ঘৰাঘৰি গুছি গৈ খেতিয়ে পথাৰে লাগিছিল গৈ ।

কিন্তু, কৰ-কাটলৰ হেঁচাই ফুলগুৰি আৰু ৰহা অঞ্চলৰ ৰাইজক পুনৰ সজাগ কৰি তুলিলে । দিনক দিনে বৃদ্ধি হোৱা খাজানাৰ উপৰিও



১৮৬১ চনত নতুনকৈ আয়কৰ লগোৱাৰ ব্যৱস্থা কৰা হ'ল । কোন মানুহৰ ওপৰত কেনেভাৱে আয়কৰ লগোৱা হব তাৰো কোনো নিশ্চয়তা নাছিল । তাৰ উপৰিও সেই বছৰতে টিকটৰ ওপৰতো কৰ লগোৱা হল । ইয়াৰ বাহিৰেও তামোল পাণৰ ওপৰতো চৰকাৰে কৰ লগাবলৈ ব্যৱস্থা কৰিছে বুলি জনৰৱ ওলাল ।

ইমানতো ক্ষান্ত নেথাকি ১৮৬১ চনত চৰকাৰে অসমীয়া ৰায়তে হেজাৰ হেজাৰ বছৰ ধৰি বিনা কৰে ভোগ কৰি অহা অসমৰ জঙ্ঘলী কাঠ, বাঁহ, বেত খেৰ, খাগৰি আদিৰ ওপৰতো কৰ লগোৱাৰ ব্যৱস্থা কৰিলে । এনেয়ে মানুহৰ কৰ শোধাবৰ শক্তি নাছিল তাতে এনেকুৱা নাভূত নাশ্ৰুত কৰৰ বোজাই ৰাইজক অতিষ্ঠ কৰি তুলিলে । গতিকেই ৰহা আৰু ফুলগুৰি অঞ্চলৰ ৰজা-পোৱালীসকলে তেওঁলোকৰ চিৰাচৰিত বহাগী মেলাবোৰত ঢাল-তৰোৱাল আৰু অন্যান্য যুদ্ধ শিক্ষা পুনৰ ব্যাপক ভাবে দিবলৈ ধৰিলে । বহাগ মাহত ৰাইজৰ উপকাৰৰ অৰ্থে 'হোম সবাহ' নামৰ এটি উৎসৱো তেতিয়া সেইবোৰ অঞ্চলত পতা হৈছিল । সেই উৎসৱতো দেশৰ স্বাধীনতাৰ অৰ্থে সাজু হবলৈ আনকি প্ৰয়োজন হলে প্ৰাণ বিসৰ্জ্জন দিবলৈকো সকলোৱে আঠুকাঢ়ি আশীৰ্ব্বাদ ললে । লক্ষণ চিং ডেকাৰ অধীনত ফুলগুৰি আৰু ৰহা অঞ্চলৰ প্ৰশিক্ষণ-প্ৰাপ্ত ডেকাসকলো মাতৃভূমি আৰু স্বজাতিৰ অৰ্থে মৰিবলৈ পুনৰ সাজু হৈ উঠিল ।

সেই সময়ত নগাওঁ জিলাত কলং নদীৰ পৰা ব্ৰহ্মপুত্ৰলৈকে এই বিৰাট অঞ্চলটোত কম পৰিশ্ৰমতে প্ৰচুৰ পৰিমাণে আফু খেতি অবাধে কৰা হৈছিল । ব্ৰহ্মপুত্ৰ আৰু কলঙৰ বান-পানীয়ে পলস পেলাই থৈ যোৱা মাটিত অতি কম পৰিশ্ৰমতে সেই খেতি লহ্‌পহ্‌কৈ বাঢ়ি আহি প্ৰচুৰ পৰিমাণে ফচল যোগাইছিল । এই অঞ্চলৰ দুই এখন ঠাই আজিও আফুতলি নামেই জনাজাত হৈ ৰ'ল । ৰাইজে নিজে আফুখেতি কৰি কানি খোৱাৰ উপৰিও এই অঞ্চলৰ মানুহে পৰিশ্ৰম কৰি ৰাজ্যৰ অন্যান্য ঠাইলৈকো কানি আমদানি কৰি পইচা ঘটিব পাৰিছিল । ধান-মাহ-সৰিয়হ-কুহিয়াৰ আলু-ৰঙালাও আদিতকৈ আফু খেতিহে সেই সময়ত

হয়তো বিদ্ৰোহে দেখা দিব। কিন্তু, সেই দুখন জিলাৰ ৰায়তে চৰকাৰৰ আদেশ নীৰবেই মানি লৈছিল।

১৮৬১ চনৰ ১৭ চেপ্তেম্বৰৰ দিনা ফুলগুৰি আৰু অন্যান্য অঞ্চলৰ প্ৰায় এহেজাৰ লোকৰ সমদল এটাই আয়কৰ, পাণ-তামোল, কাঠ-বাঁহ, বেত, খেৰ-খাগৰি আদিৰ ওপৰত লগোৱা কৰ কাটলবোৰৰ বিৰুদ্ধে বিক্ষোভ কৰি নগাওঁ জিলাৰ উপায়ুক্ত স্কনচ্ (Lieutenant Herbert Sconce) চাহাবৰ আদালতত হাজিৰ হয়। তেতিয়া উপায়ুক্তজনে খঙত টিঙিৰি তুলা হৈ ৰাইজক নানান কটুকথা কৈ তেওঁৰ ওচৰলৈ যাবলৈ বন্ধ কৰে। সমদলটোক অবৈধ ঘোষণা কৰি পুলিচৰ হতুৱাই মাৰ কিল কৰাই থানাত আবদ্ধ কৰি ৰাখে। কোনো এজন গণ্যমান্য লোকৰ মধ্যস্থতাত কোনোমতেহে সেইদিনা সন্ধিয়া সমদলটোৰ সকলোকে মুকলি কৰি দিয়া হয়।

৯ অক্টোবৰৰ দিনা আকৌ অঞ্চলৰ গাওঁবুঢ়া আৰু মুখিয়াল লোকসকলৰ এটা বৈধ সমদল গৈ উপায়ুক্তজনাক আফু খেতি তুলি দিয়া আৰু কৰ-কাটল বোৰৰ পৰা পৰিত্ৰাণ বিচাৰি এখন দীঘলীয়া আবেদন দাখিল কৰিলেও তাৰো কোনো ফল নধৰিলে। সেই কাৰণেই ৰাইজে দলবদ্ধ হৈ কৰ নিদিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু কৰ্তৃপক্ষক তেওঁলোকৰ দুখ-দুৰ্গতিৰ বিষয়ে জনাই থাকিবলৈ দৃঢ়মত পোষণ কৰে। ফুলগুৰি অঞ্চলৰ ৰাইজে নগাওঁ জিলাৰ সমূহীয়া স্বাৰ্থজড়িত কৰ-কাটলৰ বিষয়বোৰ লৈ আলোচনা কৰিবৰ কাৰণে অন্যান্য অঞ্চলৰ ৰাইজকো আমন্ত্ৰণ জনাই দীঘলীয়াকৈ পোন্ধৰ অক্টোবৰৰ পৰা পাচ দিনীয়া "ৰাইজৰ মেল" পাতিবলৈকো ঠিৰাং কৰে। সেই সিদ্ধান্ত অনুসৰিয়েই দূৰ-দূৰণিৰ ঠাইবোৰৰ মুখিয়ালসকললৈ নিমন্ত্ৰণ জনোৱা হ'ল। কামপুৰ-যমুনামুখৰ লস্কৰসকল, নেলি, বৰৰা, মায়ং, কুমৈ, তেতেলিয়া আদিৰ লালুং বা তিৱা ৰজা পোৱালীসকলকো সেই মেললৈ আমন্ত্ৰণ কৰি মানুহ পঠোৱা হল। ফুলগুৰিৰ "ৰাইজৰ মেল"ৰ প্ৰস্তুতিৰ কাৰণে অঞ্চলটোৰ সকলোবোৰ গাৱঁতে ডিমৌৰ পৰা ৰহালৈকে দিনে ৰাতিয়ে খেলে খেলে সৰু সৰু মেলৰো ব্যৱস্থা কৰা হল। কিন্তু, সেই কালত নগাওঁ জিলাৰ অটব্য হাবিৰ হাতী, বাঘ, ভালুক, আদি অতিক্ৰমি ঠিক সময়ত দূৰ-দূৰণিৰ মান্যৱন্ত-



লোকসকল আহি মেলত উপস্থিত হবহি নোৱাৰিলে। ("The meeting was scheduled to be held at Phulaguri on 15 October for five days at a stretch so as to enable the ryots of the remotest villages to take part in its deliberations.) (Political History of Assam, Volume One, Page 91 by H. K. Borpujari, S.K. Borpujari and A. C. Bhuyan Published by govt of Assam.)

চৈধ্য অক্টোবৰ তাৰিখে চোৰাংচোৰাৰ জৰিয়তে ফুলগুৰিত এখন ডাঙৰ মেল হোৱাৰ বাতৰি পাই উপায়ুক্তই হলধৰ বৰুৱা নামৰ এজন ডাৰোগাৰ লগত এজন কেৰাণী, এজন জমাদাৰ আৰু দহজন বৰকান্দাজ চিপাহী পঠায়। (উনবিংশ শতিকাৰ অসম-সংবাদ পৃঃ ১৩৭— যোগেন্দ্ৰ নাৰায়ণ ভূঞা)। ১৫ অক্টোবৰৰ দিনা ৰাতি তেওঁলোক ফুলগুৰিলৈ গৈ ১৬ তাৰিখে ছশমানলোক নামঘৰত গোট খোৱা দেখিলে। ডাৰোগাজনে ৰাইজক তাৰ পৰা গুচি যাবলৈ হুকুম দিয়াত তেওঁলোকে ফাঁকি-ফুঁকা নিদি পাচদিন কৰ-কাটলৰ বিষয়ে আলোচনা কৰিব খুজিছে বুলি কৈ ডাৰোগাৰ কথা অমান্য কৰে। ডাৰোগাই ৰাজ সাক্ষীত কৈছে সেই-দিনাও "মানুহখিনিৰ প্ৰায়বোৰৰে হাতে হাতে টাঙোন আছিল। তেওঁলোকৰ মেজাজ দেখি আৰু বেলি মাৰ যাওঁ যাওঁ হোৱা বাবে মই (ডাৰোগা হলধৰ বৰুৱাই) ভাবিলোঁ যে তেতিয়াই কিবা এটা কৰাটো ততোৱালৰ কাম নহব। লগতে মই ভাবিলোঁ যে ঘটনাটো ডেপুটি কমিচনাৰক জনোৱাতো উচিত হব। সেই উন্মত্ত মানুহজাকৰ নেতা কেইজনৰ নাম মই পাইছো বুলি জনালোঁ। কিন্তু সেইদিনাই সিহঁতক গ্ৰেপ্তাৰ কৰাটো সহজ নহব বুলি কলোঁ।" (উনবিংশ শতিকাৰ অসম-সংবাদ পৃঃ— ১৩৮)। সেইদিনা ৰাইজ ঘৰাঘৰি গুচি যোৱাত একো অঘটন নোহোৱাকৈ দিনটো পাৰ হ'ল। ১৭ তাৰিখে ডাৰোগাই কেইজনমান ৰাইজৰ নেতৃত্ব কৰা লোকক গ্ৰেপ্তাৰ কৰে। সেইদিনাৰ সভাত ৩৫০০ জনমান মানুহ গোট খাইছিল। "১৮ তাৰিখে প্ৰায় ১০ বাজি ২ মিনিটমান যোৱাত লেফটেনেন্ট ছিংগাৰ (Lieutenant Singer, the Assistant Commissioner) আৰু

জেইল ডাৰোগা ফুলগুৰি ওলালহি। মই (হলধৰ বৰুৱা) থকা ঠাইলৈ খবৰটো দি মোক মাতি পঠালে। মই গলোঁ আৰু তেওঁ মানুহ গোট খোৱা ঠাইডোখৰ দেখুৱাবলৈ ক'লে। ঠাইডোখৰ আছিল ঠেক আৰু তেওঁ ঠিয় হৈ থকাৰ ওচৰতে। পাচে তাত কোনো নথকাৰ কাৰণে চাহাব মোৰ লগত নামঘৰলৈ আহিল মই ভয় কৰিছোঁনেকি বুলি তেওঁ মোক সুধিলে। মই কলোঁ বোলো হয় ভয় লাগিছে। তেতিয়া তেওঁ মোক হুকুম দিলে যে বৰকাগুাজ ছটাৰে সৈতে অনাদৰ মহৰিকো সদৰলৈ পঠাই দিব লাগে। কাৰণ তেওঁৰ বোধেৰে ইমানবোৰ মানুহৰ দৰকাৰ নাই। পিছে মই হুকুমটো নেমানি পুলুকা মাৰিলোঁ। কাৰণ আমাৰ মানুহ বৰ বেছি নাছিল। তেওঁ আমাক ৰখি থাকিবৰ বাবে বৰকান্দাজটোক পাচিবলৈ মোক হুকুম দিলে। মানুহখিনি কোনপিনৰ পৰা আহে চকু ৰাখিবলৈ ক'লে। ১২ বজাত মই কলো বোলো লাঠি আৰু যাঠি লৈ বহুতো মানুহ আহি আছে। সিহঁতে ধনুকাড়ো সাজিছে বুলি শুনিছোঁ। লেফটেনেণ্ট ছিংগাৰ চাহাবে মানুহবোৰৰ গতি-গোত্ৰ চাই আৰু খবৰ কাগজৰ নিচিনা কিবা এখন ২।৩ ঘণ্টামান পঢ়ি সময় কটালে। প্ৰায় ৩ বজাত তেওঁ নামঘৰৰ পৰা কেইগজমান দূৰত থকা মানুহৰ জুমটোৰ ওচৰলৈ খোজ ললে। জেইল ডাৰোগা, মহৰী, ছটা চিপাহী, যাঠিৰে সৈতে ১১টা বৰকান্দাজ আৰু মই চাহাবৰ লগে লগে গলোঁ। জুমটোৰ পোনৰখিনি মানুহক পাওঁতেই লেফটেনেণ্ট ছিংগাৰ চাহাবে মানুহখিনিক বুজাই ক'লে বোলে তেওঁলোক তেনেকৈ গোট খোৱা অবিধি হৈছে। তেওঁলোকৰ যদিহে কিবা ওজৰ আপত্তি আছে তেনেহলে দৰ্খাস্ত লিখি সেইবোৰ জনাওক। তাৰ পিচত চাহাবে মানুহখিনিক সিহঁতৰ লাঠিবোৰ পেলাই দিবলৈ কলে। সেই কথাত সিহঁত সৈমান নহল। লেফটেনেণ্ট ছিংগাৰে তেতিয়া সিহঁতৰ পৰা টাঙোনবোৰ লৈ আহিবলৈ মোক হুকুম দিলে। মই নিজ হাতে তিনডাল নে চাৰিডাল টাঙোন আনিলোঁ। সেই কথাত মানুহবোৰ খঙত জকি উঠিল; আৰু আটাইবোৰ ঠিয় হল (সেই সময়লৈকে সিহঁত বহি আছিল) আৰু আন কিছুমান মানুহ সেই ঠাইলৈ আহিল।



পোন প্ৰথমে মোৰ গাতে যাঠিৰ খোঁচ লাগিল। চাহাবে আটাহ পাৰি মানুহ মখাক গোলমাল নকৰিবলৈ ক'লে। তেতিয়া তাতকৈ এখোজো আগ নবঢ়া হলে কিজানি তেওঁ সাৰিল হেঁতেন। কিন্তু, তেনেতে চিপাহী নে বৰকান্দাজ এটাক কোনোবাই লাঠিৰে টঙনিয়ালে আৰু তেতিয়া চাহাবৰ খং উঠাত সেই মানুহটোক ধৰিবলৈ আমাক হুকুম দিলে। মই তেতিয়া বৰ বেচিকৈ হকা-বধা নকৰিবলৈ চাহাবক সকীয়াই দিলো। তেওঁৰ বাহুত ধৰি আৰু কাওঁকাওঁ কৰি কলো বোলো আৰু বেছি আগবাঢ়িব নেলাগে। তেওঁ মোৰ সঁকীয়নি শুনাহেঁতেন কিজানি সকলো ভালেই হলহেঁতেন। পোন প্ৰথম মাৰটো সোধোৱা মানুহটো আছিল মৰা সিং। আমাৰ দলটোৰ তিনটা নে চাৰিটাৰে সৈতে লেফ্‌টেনেণ্ট ছিংগাৰ চাহাবে নিজে মৰা চিঙৰ লাঠিডাল কাঢ়ি আনিলে। বহুতো মানুহে তেতিয়া সিহঁতৰ লাঠি জোকাৰি আমাক ভয় খুৱালে; আৰু হাতীগড় মৌজাৰ বাহুডোম (এই মানুহজনৰ নাম ডাৰোগাই মিচাকৈ দেখা সাক্ষী হিচাবে আদালতত প্ৰকাশ কৰিছিল) নামৰ মানুহ এটাই মূৰত সোধোৱা একেটা মাৰতে লেফ্‌টেনেণ্ট ছিংগাৰ চাহাবক মাটিত বগৰাই পেলালে। (যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ উনবিংশ শতিকাৰ অসম সংবাদ পৃ-১৪০)। এইখিনি বহুতো নাল লগাই কোৱা ইংৰাজৰ ভৃত্য ডাৰোগা এজনৰ বিবৃত্তিহে। প্ৰকৃততে বাহু কৈৱৰ্ত্ত সেইদিনা ৰাইজৰ মেলত উপস্থিত নাছিলেই। ইয়াৰ পৰাই ঘটনাৰ প্ৰকৃত ৰূপটো ওলায় পৰিছে।

১৮ অক্টোবৰৰ দিনা জিলাধিপতি নিজেই ফুলগুৰিলৈ গৈ ৰাইজক আফুখেতি উঠোৱাৰ বিষয়ে বুজনি দিবগৈ বুলি আগতে জাননী দিয়াত স্কন্‌চ চাহাবৰ ব্যৱহাৰ আৰু অত্যাচাৰত অতিষ্ঠ হৈ থকা নগঞা ৰাইজ বিশেষকৈ ফুলগুৰীয়া বাসীসকলে বৰচাহাবক সেই সুযোগতে তলে তলে শিকনি দিবৰ কাৰণে খাপপিতি আছিল। কিয়নো সেই জনা চাহাবেই ফুলগুৰীয়া গণ্যমান্য লোকক অপমান কৰি জেইলতো ভৰাইছিল। এবাৰ তেওঁ কোনো কাৰণত ফুলগুৰিলৈ যাওঁতে তাৰ ওচৰৰ গড়মুৰ সত্ৰৰ নামঘৰৰ ভিতৰত শ শ মানুহৰ উপস্থিতিত জুতা, মুজা, টুপীসহ সোমাই

বৈকুণ্ঠ স্বৰূপ গোঁসাই ভেটিৰ ওপৰত থকা সিংহাসনত বীৰদৰ্পে বহি ধৰ্ম্মপ্ৰাণ ৰাইজৰ সৰল অন্তৰ মৰ্ম্মাহত কৰি তুলিছিল। ৰাইজে তাৰো পোটক তুলিবৰ কাৰণে চেলু বিচাৰি ফুৰিছিল।

কিন্তু সৌভাগ্যই নে দুৰ্ভাগ্যই কব নোৱাৰি সেইদিনা তেওঁ নিজে ফুলগুৰিৰ সভা ভাঙিবলৈ নগৈ নগাঁৱলৈ নতুনকৈ বিলাতৰ পৰা অহা ডেকা ছোট চাহাব লেফ্‌টেনেণ্ট্‌ চিঙ্গাৰকহে ( Lt. Singer, Junior Assistant Commissioner ) নগঞাইঁতক ভালকৈ শিকনি দিবলৈ বুজাই পঠালে। সেই চাহাবজনৰ অসমীয়া ৰাইজৰ হাব-ভাব আৰু আচাৰ নীতিৰ লগত একেবাৰেই অপৰিচিত আছিল। মিঃ স্কন্‌চে তেওঁৰ লগত কিছু চিপাহীও নিবলৈ উপদেশ দিলে।

বৰ্ত্তমান ফুলগুৰি হাটখোলাৰ কাষতে কলং নদীৰ পাৰত সকলো ৰাইজ গোট খাই চাহাবলৈ বাট চাই আছিল। সকলো ৰাইজৰ চকুতে যুগ যুগ ধৰি থুপ খাই থকা বিদ্ৰোহৰ অগ্নিশিখাবোৰ প্ৰস্ফুটিত হৈ পৰিছিল।

সভালৈ আহোঁতে ৰাইজে কোনো বন্দুক-বাৰুদ, জাঠি-জোং বা আপত্তিজনক অন্যান্য অস্ত্ৰ-শস্ত্ৰ হাতত লৈ অহা নাছিল। কিন্তু, তেওঁ-লোকৰ হাতে হাতে একোডাল লাখুটিহে আনিছিল। হলধৰ ডাৰোগাই তেওঁৰ আদালতত দিয়া বিবৃত্তিত বন্দুক-বাৰুদ, জাঠি-জোং আদি অস্ত্ৰ-শস্ত্ৰ ৰাইজে হাতত নিয়াৰ কথা মিচাকৈয়ে কৈছিল। সেই সময়ত অসমীয়া মানুহ যি কোনো কাৰণত বাহিৰলৈ ওলালে 'জাপি-লাঠি-টঙা' লগত নিয়াৰ নিয়মো আছিল। তাৰ উপৰিও প্ৰত্যেকৰ হাতত তামোল-পাণৰ টেমি-কটাৰিৰ মোনা আৰু মূৰত পাগুৰিও আছিল। ফুলগুৰি বিদ্ৰোহৰ মূল কাৰণ আছিল অৰ্থনৈতিক আৰু ইয়াৰ প্ৰধান হোতাসকল আছিল লালুং ( তিয়া ), কছাৰি, কৈৱৰ্ত্ত আদি জনজাতি আৰু অনুসূচিত জাতিৰ সৰল সহজ হজুৱা মানুহ।

বৰ্ত্তমান ফুলগুৰি বজাৰ আৰু কলং নদীৰ মাজৰ ঠাই ডোখৰত তেতিয়া তিনি জোপা ডাঙৰ আঁহত গছ আছিল। আঁহত গছ কেই-জোপাৰ কেউফালে মানুহবিলাক তিনি জুম হৈ বহি আছিল। অসমীয়া



ৰাইজৰ আচাৰ-নীতিৰ লগত একেবাৰেই অপৰিচিত মাত্ৰ কেইদিনমানৰ আগতে আহি নগাওঁ পোৱা বিলাতী চাহাবজনে ৰাইজৰ প্ৰত্যেকৰ হাতে হাতে লাখুটি দেখি খঙত জ্বলি পকি উঠিছিল।

আধামৰা অৱস্থাতে লেফ্‌টেনেণ্ট চিঙ্গাৰ চাহাবক চোচোৰাই নি কলং নদীত উটুৱাই দিয়া হল। তিনিজন চিপাহীয়েও লাঠিৰ কোবত প্ৰাণ হেৰুৱালে। তেতিয়া অন্য চিপাহীবোৰ একেলগ হৈ চাহাবক পানীত পেলাই দিয়া কলঙৰ ফালে মানুহৰ জুমৰ মাজলৈ গুলিয়াবলৈ ধৰিলে। ৰাইজৰ বচা বচা মানুহেও চিপাহীহঁতৰ ফালে বিহ কাড় মাৰিবলৈ ধৰাত চিপাহীবোৰ নগাওঁ চহৰলৈ পলাই পত্ৰং দিলে। সেই সময়ত তিনি হেজাৰমান হে মানুহ গোট খাইছিল। লাখুটিবোৰ জোৰেৰে পুলিছ আৰু চাহাবে মানুহৰ হাতৰ পৰা কাঢ়ি নিয়াত সকলোৱে খঙত "ধৰ ধৰ মাৰ মাৰ" কৈ চিঞৰি উঠিছিল।

তেতিয়া অলপো পলম নকৰি প্ৰশিক্ষণ-প্ৰাপ্ত সৈন্য কিছুমানে বন্দুক বাৰুদ লৈ কচলু খোৱাত থকা জিলাৰ খাৰঘৰ দখল কৰি ট্ৰেজাৰিও লুটপাত কৰিবলৈ কলঙৰ দুয়োপাৰে দুদল আৰু অন্য এটা সৰু দল ৰহা থানা দখল কৰিবলৈ আগবাঢ়ি গল। ৰহা থানা দখল কৰিবলৈ যোৱা দলটোৱে থানাৰ ডাৰোগা গোলাপ চিঙকো আধামৰা কৰি কলঙত উটুৱাই দিয়ে।

নগাওঁ চহৰলৈ উজাই অহা কলঙৰ উত্তৰ পাৰৰ দলটোৰ লগত লেফটেনেণ্ট চিঙ্গাৰ চাহাবক উদ্ধাৰ কৰিবলৈ পঠোৱা লেফ্‌টেনেণ্ট্‌ স্কন্‌চ্‌ চাহাবৰ চিপাহীৰ লগত শেনচোৱাৰ আগত ডিমৌ বিলৰ কাষত ইকৰাণিৰ মাজত ভেটা-ভেটি হৈ গুলীয়া-গুলি হয়। তেতিয়া সেই ঠাই ডোখৰ জনশূন্য আৰু ইকৰা, নল-খাগৰিৰে ভৰা আছিল। সুৰুকীয়া বাটেৰেহে মানুহ অহা যোৱা কৰিছিল। সেই খণ্ড-যুদ্ধৰ ফলত বৰবা আটিৰ চোৱাবৰ লালুং নামৰ এজন মানুহ ইংৰাজ চিপাহীৰ গুলিৰ আঘাতত মৃত্যু হয়। বাকীবোৰ পলাই সাৰে।

সেই সময়ত নগাঁৱত অসম লাইট ইন্‌ফেন্‌ট্ৰিৰ মাত্ৰ ২৫ জন চিপাহীহে আছিল। অৱস্থা বিষম যেন ভাবি উপায়ুক্ত স্কন্‌চে তেজপুৰ আৰু গুৱাহাটীৰ পৰা সৈন্য সাহায্য বিচাৰে। ১৯ অক্টোবৰৰ দিনা পুৱাই

কেপ্তেইন কেম্পবেলৰ নেতৃত্বত ৫০ জন ইংৰাজ চিপাহী নগাওঁ পায়হি। বিদ্ৰোহীসকলৰ এখন জৰুৰী মেল ফুলগুৰিত আগদিনা হোৱা ঘটনাস্থলিৰ কাষতে বহিছিল। কেপ্তেইন কেম্পবেলৰ সৈন্যদলে সভাস্থলিৰ নিৰস্ত্ৰ লোকসকলৰ এজনো সাৰিব নোৱাৰাকৈ ঘেৰি ধৰিলে, আৰু তৎক্ষণাৎ সভাভঙ্গ কৰি ঘৰাঘৰি যাবলৈ আদেশ দিলে। কিন্তু, ৰাইজে এক মিনিটতে সেই কাম কৰিব নোৱাৰাত সৈন্যবিলাকক গুলি কৰিবলৈ আদেশ দিলে। সাম্ৰাজ্যবাদী সেনাধক্ষৰ মতে বিদ্ৰোহীসকলে সৈন্যবাহিনীলৈ বিষকাড় মাৰিছিল। জাউৰিয়ে জাউৰিয়ে মৰা গুলিৰ ফলত ১৯ জনৰ মৃত্যু হল বুলি চৰকাৰী কৰ্তৃপক্ষই জনালেও প্ৰকৃততে ৩৯ জন লোকে প্ৰাণ হেৰুৱাই আৰু মেললৈ যোৱা বহুলোক গুৰুতৰ ৰূপে ঘাইল হৈ মাটিত পৰি চিঞৰ বাখৰ কৰে। চটফটাই থকা খোজ কাঢ়িবলৈ অসমৰ্থ খিনিৰ বাহিৰে বাকী সমৰ্থবান ৬৬ জন লোকক গ্ৰেপ্তাৰ কৰি জেইলত সোমোৱাইগৈ। তেওঁলোকৰ গাতো গুলি লাগি তেজেৰে ৰাঙলি হৈছিল। ঘুনীয়া মানুহখিনিক ফুলগুৰিৰ পৰা নগাওঁ চহৰলৈ খোজকঢ়াই নিওতেও মাৰধৰ কৰি অবৰ্ণনীয় অত্যাচাৰ কৰা হৈছিল। সেইদিনা তাতকৈ বেচি মানুহ জেইলত ৰাখিবৰ অকণো সুবিধা নাছিল।

২৩ অক্টোবৰ তাৰিখে অসমৰ আয়ুক্ত জেনেৰেল হেনৰি হপকিঞ্চনে ( Henry Hopkinson ) আৰু এশজন গোৰা পল্টন লৈ নগাওঁ পায়হি। তেওঁ আহিয়েই ফুলগুৰি, নেলি কচুহাট ( কচুৱা ), ৰহা আদি ঠাইবোৰলৈ সৈন্যবাহিনী নি নিৰপৰাধী মানুহবিলাকক গ্ৰেপ্তাৰ কৰি অত্যাচাৰৰ সীমা নোহোৱা কৰিছিল। "Henry Hopkinson made immediate arrangement for despatch of troops from Tezpore and himself arrived on 23rd with a party of the Assam light Infantry. Emboldened thus, The Deputy Commissioner visited Phuloguri, Neli, Kachuhat, Raha and several other places and effected the arrest forty one persons including sons of "Old Latuug Rajas" alleged to have been implicated in the murder of Singer,



But for the timely arrival of the military and police, it was feared, the distubance would have spread to other quarters. "The begining of the tumult" remarked Hopkinson, the Commissioner of Asaam," is like the letting out of water if not stopped at first, it becomes difficult to do so afterwards" ( Polilical History of Assam, Vol. I Page 92 ),

( অসমৰ কমিচনাৰ হপকিঞ্চনে দ্ৰুতগতিত বিদ্ৰোহ দমনৰ অৰ্থে নগাৱঁলৈ সৈন্যবাহিনী পঠাই ২৩ তাৰিখে নিজেও আহি ফুলগুৰি, নেলি, ৰহা, কচুহাট (কচুৱা) আদি ঠাইবোৰ পৰিভ্ৰমণ কৰি পূৰ্ব্বৰ লালুং ৰজা পোৱালী সহ ৪১ জনক গ্ৰেপ্তাৰ কৰে। সময়মতে ব্যৱস্থা নোলোৱাহলে বিদ্ৰোহ দমন কৰা কঠিন হলহেতেন বুলি হপকিঞ্চনে মন্তব্য কৰিছিল )। গতিকে ফুলগুৰীয়া ৰাইজৰ মেলৰ প্ৰভাৱ কিমান দূৰলৈ শিপাইছিল তাক সহজেই অনুমান কৰিব পাৰি। সেয়েহে চৰকাৰে বিদ্ৰোহ কঠোৰ হাতেৰে দমন কৰিছিল। সেই দমন নীতিয়ে সৰ্ব্বসাধাৰণৰ অন্তৰত ভয়ঙ্কৰ ভয়ৰ সৃষ্টি কৰিছিল।

১৮৬১ চনৰ নবেম্বৰ মাহৰ অৰুণোদয়ৰ সংখ্যাত ফুলগুৰি ধেৱাৰ বিষয়ে এনেদৰে উল্লেখ আছে—

"নগাৱঁৰ দ্ৰোহীবোৰৰ বহুকথা আমি শুনিবলৈ পোৱা নাই। তথাপি চিঙ্গৰ নামৰ চোট চাহাবক সেই বিদ্ৰোহীবোৰে বধ কৰাৰ দুদিনমানৰ পাচে, তেজপুৰৰ পৰা শ্ৰীযুত কাপ্তান কেম্পবেল চাহাবে লগত ৫০ চিপাহী লৈ সিহঁতৰ অনেক দ্ৰোহী লোক য'তে গোট খাই আছিল, সেই ঠাইলৈ গৈ তাতে সিহঁতক লগ পালে। পাচে চাহাবে সিহঁতক দ্ৰোহ ভাঙি আপোন আপোন ঠাইলৈ গুচি যাবলৈ আজ্ঞা কৰিলে। কিন্তু, সিহঁতে চাহাবৰ সেই আজ্ঞালৈ কটাক্ষ ন কৰি, চাহাবৰ আগত বৰ সাহ দেখালে, আৰু সিহঁতৰ কোনো কোনোৱে কঁৰিয়াবলৈ ধৰিলে। সেই হেতুকে সিহঁতে কাপ্তান চাহাবৰ আজ্ঞা শুনি তাক পালন কৰিবলৈ একো ন কৰাত, চাহাবে চিপাহীবিলাকক সিহঁতক গুলি কৰিবলৈ আজ্ঞা দিলে। তাতে চিপাহীএ গুলিয়াবলৈ ধৰাত তাৰ

দ্বাৰাই সিহঁতৰ ১৯ টা মৰিল বুলি শুনিছো । তাৰ পাচে আৰু বাৰ্ত্তা পালোঁ বোলে দুই তিনি কুৰি প্ৰধান দ্ৰোহীয়া মানুহক ধৰি জিলালৈ আনিলে আৰু এতিয়া জিলাৰ শ্ৰীযুত স্কোঞ্চ বৰ চাহাবে সিহঁতক সোধ পোচ কৰিছে ।”

“কানি খেতি কৰিবলৈ নিষেধ কৰা আৰু নতুন ইনকম্ টাক্সৰ কথাতে সেই নগঞাঁলোকে এনে কুসাহসৰ কাম কৰিলে । কিন্তু, অসম দেশত ৰাজ খাজানা কিমান লঘুকৈ লগোৱা হৈছে, ভাৰতবৰ্ষত আন কোনো দেশত খাজানা সিমান কম নহই । আৰু অসম দেশৰ আন সকলো থলতকৈ ধানৰ খেতি আৰু বাৰীৰ অন্য অন্য সহ আদিৰ কথাত নগঞাঁলোকৰ বৰ উন্নতি বুলি আমি জানিছোঁ । কিন্তু, অসমীয়ালোকে যেতিয়া অলপ ধন পাই তেতিয়া সেই ধনেৰে কি কৰিব উচিত তাক ভালকৈ নুবুজি একে বেলিয়ে তাৰে কানি কিনি খাবলৈ ধৰে । আৰু সেই নগঞাঁলোকৰ মাজত সেইবিলাক কুৰীতি অতি প্ৰৱল ।”

সেই ৰছৰৰে অক্টোবৰৰ সংখ্যাত আছে—

“আমি যোৱা মাহত নগাৰৰ দ্ৰোহী লোকৰ অৰ্থে যি বাৰ্ত্তা শুনিলো সেই কথা আমাৰ অৰুণোদয় পাঠক সকলোৱে শুনিব পাই, এই হেতুকে তাৰ বিশেষ সংবাদ চাপিবলৈ বৰ প্ৰয়োজন নাই ; অকল সেই দ্ৰোহীবোৰৰ চৰিত্ৰ কিছুমান পাঠকসমূহৰ সন্তোষৰ নিমিত্তে বৰ্ণনা কৰিব খোজো ।”

“সিহঁতে বিনা অস্ত্ৰে যুঁজিবলৈ সাহ কৰিছিল । হাতত অকল ভলুকা বাঁহৰ টাঙ্গোন আৰু চৰাই-পছু কঁৰিওৱা কাঁৰফাঁই আৰু চুটিয়া ধেনু আৰু টোনত জাতি বাঁহৰ কাঁৰ, আৰু কিজানি কোনো কোনোৰ হাতত দুই এপাত বৰছা আৰু জাঠিও বা দুখন এখন কপি বা আঁকুৰি দাও থাকিব পাই । এনেবোৰ অস্ত্ৰেৰেই ইংৰাজীৰ হিলৈ আৰু বৰটোপৰ সন্মুখে যুদ্ধলৈ সাহ কৰে ।”..........

“তোমালোকে ইংৰাজীৰ হিলৈ বৰটোপলৈ কিয় ভয় কৰিছাহঁক ? মই বৰুণৰ বাণেৰে হিলৈ বৰটোপ আটাইবোৰকে ক'লা কৰি পেলাম । আৰু বৰটোপৰ গুলিবোৰ ময় কোঁচপাতি ল'ম ; তোমালোকে ভয় ন



কৰি সিহঁতৰ বিৰোদ্ধে উঠা ।”

“অ' নগাওঁ জিলাতনো কেইটা ইংৰাজ আছে ? যি কেইটা আছে সিহঁতক ভলুকা বাঁহৰ টাঙ্গোনেৰেই গুৰি কৰিম । ব'লাহক ভয় ন কৰিবা । ময়েই সেই কেইটাক মাৰি পেলাম । তোমালোকে অকল খাজানা গাৰ্ড লুৰিবলৈ মাথোন ওলোৱা ; আৰু ইংৰাজীৰ হিলৈ, খাৰ, বৰটোপ আদি যি যি আছে, সেইবোৰকো ময় হাতকৈ লৈ-তাৰে সৈতেই পাছেকৈ আমাৰ বিৰোদ্ধে যিবোৰ আহিব, সেইবোৰক ৰণ কৰি খেদাম ।”

( ওপৰৰ কথাখিনি ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই লিখা আৰু অসম সাহিত্য সভাৰ নগাৱত বহা ২৭ তম অধিবেশনৰ স্মৃতি গ্ৰন্থৰ “নিবন্ধমালা”ত প্ৰকাশিত “অৰুণোদই-সংবাদপত্ৰত নগাৱৰ বাতৰি নামৰ প্ৰৱন্ধটিৰ ২৩২, ২৩৩ আৰু ২৩৪ পৃষ্ঠাৰ উদ্ধৃতি )

গুৰুতৰ ৰূপে আঘাত পোৱা সকলেও মৃত্যুৰ সময়তো বন্দুকৰ গুলিত তেজেৰে লুতুৰি-পুতুৰি হৈ এটুপি পানীৰ পৰাও বঞ্চিত হৈছিল । ছুদিনলৈ কোনো অন্য মানুহকহে নেলাগে চিপাহী-চন্তৰীয়েও বন্দী-সকলক পানী এটুপিও দিবলৈ বন্ধ কৰি দিয়া হৈছিল । ঘটনাস্থলীলৈ কোনো লোকে জেইলত আত্মীয়স্বজনৰ খবৰ বাতৰি কৰিবলৈ গলেও তেওঁলোককো নিষ্পেষণ কৰি ঘৰলৈ ফিৰি আহিব নোৱাৰাকৈ বাকী সকলৰ লগতে বন্দী কৰি জেইলত ভৰাইছিল । জেইলতো আহত-সকলৰ কাৰণে কোনো চিকিৎসাৰ ব্যৱস্থা একেবাৰেই কৰা নহল । বৰঞ্চ তেওঁলোকৰ ওপৰত আৰু নতুন নতুন অত্যাচাৰ হে চলিল । ঘটনাস্থলীলৈ কোনো মানুহকে যাবলৈ নিদিয়াত মৰাশবোৰ গেলি পচি যাবলৈ আৰম্ভ কৰিছিল ।

এই অমানুষিক হত্যাকাণ্ডৰ পিচত ফুলগুৰি অঞ্চলত কান্দোনৰ ৰোল উঠিল । মৃত ডেকাসকলৰ জীৱনৰ কোঁহে কোঁহে লাগি থকা অসীম বাসনাবোৰ পুলিচৰ গুলিত অকালতে ক্ষন্তেকৰ ভিতৰতে চূৰমাৰ হৈ গল । বিধবাসকলে হিয়া ধাকুৰি কান্দিলে । পিতৃ-মাতৃ আৰু পৰিয়ালবৰ্গৰ চকুৰ পানীয়ে ৰাট নেদেখা হ'ল, কিন্তু তাৰপৰা একো প্ৰতিদান নেপালে ।

শ শ জন মানুহ গুলি, লাঠি আৰু বুট জোতাৰ আঘাততো চিৰদিনৰ কাৰণে ঘূণীয়া হ'ল। কাৰোবাৰ হাত, কাৰোবাৰ ভৰি কাৰোবাৰ চকু বা অন্যান্য অঙ্গহানি হৈ আজীৱন দুখ-দৈন্যৰ মাজতেই কালযাপন কৰিব লগীয়া হ'ল।

তাৰ পিচতো চাৰি শ জনমান মানুহক ফুলগুৰিতে বাঁহৰ গঁৰাল সাজি চিপাহী চন্তৰীৰ মাজত অমানুষিক অত্যাচাৰ কৰি ভালেমান দিন ৰাখিছিল। ইয়াৰ উপৰিও গোটেই অঞ্চলৰ পৰা ন ন মানুহ গঁৰালত সুমুৱাই বন্দীৰ সংখ্যা বৃদ্ধি কৰা হৈছিল। তেওঁলোকক ৰদ-বৰষুণৰ পৰা ৰক্ষা কৰিবৰ কাৰণে বহুদিনলৈকে ঘৰছে নেলাগে কোনো ছাঁৰো ব্যৱস্থা কৰা হোৱা নাছিল। ৰহাতো বাঁহৰ গৰাল সাজি বন্দী ৰখাৰ দিহা কৰা হৈছিল।

অন্যহাতেদি মৰা শ বোৰৰ পৰিয়ালবৰ্গক কেইবাদিনলৈকে ওচৰ চাপিবলৈ নিদিয়াত আৰু চৰকাৰেও শবোৰ আঁতৰোৱাৰ কোনো ব্যৱস্থা নকৰাত শবোৰৰ ওপৰত মাখিৰ ভেন্‌ভেননি আৰু পোকে লাকু লাকু হৈছিল। আহত বন্দীসকলৰ লগতে শবোৰো পুলিচে দিনে-ৰাতিয়ে পহৰা দি ৰাখিছিল। মৰাশৰ গোন্ধত যেতিয়া মানুহ থকাতো অসম্ভৱ হ'ল, তেতিয়াহে চিপাহীবোৰে শবোৰ সংকাৰ কৰিবৰ কাৰণে পৰিয়ালবৰ্গক এৰি দিছিল। তেতিয়াও পুলিচৰ অত্যাচাৰৰ ভয়ত সেইবোৰ পৰিয়ালৰ লোকসকলে চুৰ কৰি নিয়াদি নি কলঙৰ দক্ষিণ পাৰৰ হাবিৰ মাজত থকা এখন বিলৰ কাষত সংকাৰ কৰিছিল গৈ। যিখন বিলৰ পাৰত শবোৰ দাহ কৰা হৈছিল সেই বিলখনৰ নাম আজিও মানুহ-পোৰা বিল নামেৰেই খ্যাত হৈ ৰল। বিলখন ফুলগুৰিৰ পৰা একমাইল দূৰত কলঙৰ দক্ষিণ পাৰত অৱস্থিত।

## চিপাহীৰ অত্যাচাৰ

এই দুৰ্ঘটনাৰ পিচতো গোৰা আৰু দেশীয় চিপাহীবোৰে ফুলগুৰি আৰু ৰহাত ৬ মাহলৈ ছাউনী পাতি নিগাজীকৈ বহি গোটেই অঞ্চলটোতে যি নিদাৰুণ আৰু অবৰ্ণনীয় অত্যাচাৰ চলালে তাৰো বিবৰণ দিয়া



ভাষাৰ অভাৱ। চিপাহীহঁতে বিনা দোষতে কোনো সোধ-পোচ নকৰাকৈ নিৰীহ প্ৰজাৰ ওপৰত মাৰকিল কৰিছিল। কুমাৰী আৰু অকুমাৰী নাৰীৰ ওপৰত পাশবিক অত্যাচাৰ কৰি জীয়াৰী-বোৱাৰীৰ সতীত্ব নষ্ট কৰিছিল। যাৰে তাৰে ঘৰত ৰণুৱা চিপাহী সোমাই লুট পাত কৰি টকা-সিকা সোণ-বান আৰু কাপোৰ-কানি লুটি লৈ গৈছিল। ডকাইতি কৰোঁতে ঘৰত অন্য একো নেপালে হয় তিৰোতাৰ ওপৰত অত্যাচাৰ কৰিছিল নহয় পেৰা-পেটাৰি ভাঙি গৃহস্থক মাৰ-ধৰ কৰি গুচি গৈছিল। গোটেই অঞ্চলটোতে বৰ্বৰ মানৰ আক্ৰমণৰ দৰেই অত্যাচাৰ হোৱাত মানুহে ত্ৰাহি ত্ৰাহি সুৰঁৰিছিল। মাত্ৰ তিনটা যুগৰ আগতে হৈ যোৱা মানৰ আক্ৰমণৰ দুৰ্গতিৰ কথাও মানুহৰ চকুৰ আগতে থকাৰ দৰেই আছিল। মানহঁতে নগাঁও চহৰৰ ওচৰৰ ডিমৰুগুৰি, ভোটাইগাওঁ আৰু কাষৰি গাৰত শ শ মানুহ সাঙুৰি একেটা ঘৰত সুমুৱাই জুই দি নাচি নাচি ৰং চাইছিল। মানৰ আৰু ইংৰাজৰ অত্যাচাৰ ফুলগুৰি আৰু ৰহা অঞ্চলৰ ৰাইজে একে পৰ্য্যায়তে ভোগ কৰিছিল। গাৱঁত থাকিব নোৱাৰি বহুত লালুং-কছাৰি আদি জনজাতীয় লোক চিৰকালৰ কাৰণে পৈত্ৰিক ভেটি এৰি কপিলী উপত্যকা আৰু উত্তৰ কাচাৰ অঞ্চললৈ গুচি গৈছিল। অনা-জনজাতীয় সকলো জুৰিয়া, মাহগুৰি আদি জিলাৰ বিভিন্ন অঞ্চললৈ উঠি গৈছিল।

পুলিচৰ অত্যাচাৰলৈ ভয় কৰি মানুহ পলাই হাবিত সোমাইছিল; আনকি হাবিত সোমাবলৈ যাওঁতে চিপাহীৰ অত্যাচাৰৰ ভয়ত পলৰীয়া সকলে কোলাত কেঁচুৱা থকা তিৰোতাক লগ নিদিছিল। কিয়নো কেঁচুৱাৰ কান্দোন শুনি চিপাহীহঁতে হাবিৰ মাজতো মানুহৰ উমান পাই অত্যাচাৰ কৰিবৰ ভয় আছিল। সেই কাৰণেই কেঁচুৱা মাইকীৰ হাতৰ পৰা নিজৰ জীউতকৈও অধিক কেঁচুৱাক বাকীসকলে টিপা মাৰি মাৰিছিল নাইবা হাবিৰ মাজত নিজৰ প্ৰাণ বচাবলৈ নানান হিংস্ৰজন্তুৰ ভোগৰ কাৰণে কোলাৰ সন্তান এৰি থৈ গৈছিল।

ৰণুৱা চিপাহীবোৰৰ ভৰণ-পোষণৰ অৰ্থে ফুলগুৰি আৰু ৰহা অঞ্চলৰ সকলো মানুহে ৰচদ-পাতিৰ যোগান ধৰিব লাগিছিল। আৰু

নানান প্ৰকাৰৰ জোৰ-জুলুম কৰি পাইকাৰী জৰিমনা আদায় কৰিছিল। কাৰোবাৰ ৰচদ-পাতি যোগোৱাত অলপ ব্যতিক্ৰম হলে অথবা পাইকাৰী জৰিমনা ঠিক সময়ত শোধাব নোৱাৰিলে চিপাহীইঁতে ৰাজদ্ৰোহী বুলি সৌকাৰে কোবাই টাঙোন্, চৰ-কিল-ভুকু আদিৰে তাৰ পোটক ভালদৰে তুলিছিল।

সেই অঞ্চলৰ গাওঁসমূহত থকা ৰজাদিনীয়া বা ন-পুৰণি সকলো বন্দুক আৰু অস্ত্ৰ-শস্ত্ৰও বাজেয়াপ্ত কৰা হৈছিল।

অত্যাচাৰৰ ফলত সেই বিৰাট অঞ্চলটোৰ ৰাইজে সেই বছৰ পথাৰলৈ হাল-কোৰ নিবলৈ এৰাত গোটেই অঞ্চলটোতে ভীষণ দুৰ্ভিক্ষই দেখা দিছিল। কিয়নো হালোৱাতলিৰ পৰা পুলিচে মানুহ ধৰি নিও অত্যাচাৰ কৰিছিল ; আনকি শৌচ কৰি থকা অৱস্থাতো পুলিচে লাঠিৰে মানুহৰ মূৰ ভাঙিছিল।

মণিৰাম দেৱানৰ লগতে উজনি অসমৰ নেতৃবৃন্দক ফাঁচিশালত তুলি বা দ্বীপান্তৰী কৰিলে হয় কিন্তু, সৰ্ব্বসাধাৰণ ৰাইজৰ ওপৰত বিশেষ অত্যাচাৰ কৰিবলৈ ইংৰাজ চিপাহী বিলাকে সুবিধা পোৱা নাছিল। ইংৰাজ চাহাব সকলে বহুত দিনৰ পৰা অসমীয়া ৰাইজৰ ওপৰত অত্যাচাৰ কৰিবলৈ যি হেঁপাহ পুহি ৰাখিছিল তাক উজনি অসমত পূৰাব নোৱাৰি চিঙ্গাৰ চাহাবক বধ কৰাৰ চেলুতে নগাঁৱৰ ফুলগুৰি আৰু ৰহা অঞ্চলৰ নিৰীহ সহজ-সৰল প্ৰজাৰ ওপৰত বিদ্ৰোহৰ পোটক তুলিছিল। সসাগৰা পৃথিবীৰ অধিকাৰী সুসভ্য ইংৰাজ জাতিয়ে বিশেষকৈ দয়াৱতী মহাৰাণী ভিক্টোৰীয়াৰ ৰাজত্বত অসমত এটা মচিব নোৱাৰা কলঙ্কৰ চিন ৰাখি গল।

এনে এটা ডাঙৰ বিদ্ৰোহ আৰু হত্যাকাণ্ডৰ কথাও সেই সময়ত ভাৰতৰ অন্যান্য প্ৰদেশতহে নেলাগে-অসমৰ অন্যান্য জিলাৰ আনকি নগাঁও জিলাৰে অন্য অংশৰ মানুহেও ভুকে পোৱা নাছিল বুলিলেও বঢ়াই কোৱা নহব। তাৰ একমাত্ৰ কাৰণ আছি বিদ্ৰোহে অন্য ঠাইতো শিপা মেলিব পাৰে বুলি চৰকাৰে ভয় কৰি বাতৰি প্ৰচাৰ নকৰিছিল ; আৰু যৎসামান্য ভাৱে কৰিলেও সিও এমুঠি হজুৰা কানীয়াৰহে বিদ্ৰোহ বুলি অতি হীন ভাৱে প্ৰচাৰ কৰি সকলো দোষৰ বোজা বিদ্ৰোহীসকলৰ গাতে জাপি দি অপপ্ৰচাৰৰ দ্বাৰা চৰকাৰ



দোষমুক্ত হৈছিল। তাৰ উপৰিও মৃত আৰু আহত সকলৰ সংখ্যাও অতি কমকৈ দেখুৱাই বিদ্ৰোহৰ ফলাফলো লঘুকৈ দেখুওৱা হৈছিল। আজিৰ দৰে তেতিয়া জনসাধাৰণৰ দুখ-দুৰ্গতিৰ সঠিক বাতৰি প্ৰচাৰৰ কোনো বাহনো নাছিল।

মৃত আৰু আহত সকলৰ নাম আৰু সংখ্যা চৰকাৰে আন্দোলন বিয়পাৰ ভয়ত কোনো দিনেই প্ৰকাশ নকৰিলে। আনকি কাৰাগাৰত সোমোৱা মানুহৰ তালিকাখনো তিনি বছৰৰ পিচতে পুৰি পেলোৱা হৈছিল। গোটেই আন্দোলনটো সামান্য কানীয়া কেইটামানৰহে বিদ্ৰোহ বুলি প্ৰচাৰ কৰি আন্দোলনৰ বিষ নাইকীয়া কৰিছিল। তাৰ প্ৰধান কাৰণ আছিল মণিৰাম দেৱানৰ বিদ্ৰোহ কলিতে মোহাৰি পেলোৱাৰ পিচত গোটেই অসমৰ জনসাধাৰণ ক্ষোভত গুজৰি গুমৰি থকাৰ কথা চৰকাৰে ভালকৈ গম পাইছিল। ফুলগুৰি ধেৱাৰ কথাবোৰ প্ৰকৃত প্ৰচাৰ হলে অসমত এটা উদ্গীৰণৰ সৃষ্টি হব পাৰে বুলি ভাবিয়েই কৰ্তৃপক্ষই ঘটনাৰ বিবৰণ লুকঢাক কৰি ইয়াক সামৰিক বাহিনীৰ অতিশয় গোপনীয় খবৰ বা "ক্লাচিফাইড ইনফৰমেচন" বুলি গণ্য কৰিছিল। সেই সময়ত নগাঁও জিলাৰ লগতে লগলাগি থকা নগা, খাচী আদি পৰ্ব্বতীয়া জাতিসমূহো স্বাধীনতাৰ বাবে ব্যগ্ৰ হৈ পৰিছিল। দুখৰ কথা যে ৰাইজৰ পিনৰ পৰাও তেতিয়া সেই বিষয়ৰ তথ্যপাতি যোগাৰ কৰি প্ৰচাৰৰ ব্যৱস্থা কৰিব পৰা উপযুক্ত লোকৰ অভাৱ হৈছিল। যি কেইজন মুষ্টিমেয় শিক্ষিত লোক সেই সময়ত অসমত আছিল তেওঁলোকে চৰকাৰী বিষয়-বাব খাই মুখ বন্ধ কৰি ৰাখিছিল। সেই কাৰণেই চৰকাৰী ভাষ্যই শিলৰ ৰেখা হৈ পৰিছিল। ফুলগুৰি ধেৱাৰ তেজৰ শিখা নগঞা তথা অসমীয়া ৰায়তৰ অলিখিত হিয়াত লিখা ব্যথাভৰা ইতিহাস।

ৰাইজৰ ওপৰত হোৱা অমানুষিক অত্যাচাৰ সহিব নোৱাৰি লক্ষণ সিং ডেকা সেনাপতিয়ে "ময়েই বিদ্ৰোহী সকলৰ সেনাপতি আছিলোঁ" বুলি বৰ চাহাবৰ ওচৰত ধৰা দিলেহি। টোপা-কুচিৰ ৰংবৰ ডেকায়ো "ময়ে প্ৰথমে চিঙ্গাৰ চাহাবক মাৰিছিলোঁ" বুলি তেওঁৰ চুৰিয়াত লাগি থকা তেজৰ দাগ দেখুৱালেহি। ঔগুৰিৰ চাংবৰ লালুঙেও "ময়ো মাৰিছিলোঁ" বুলি লাখুটিৰ তেজ দেখুৱাই দোষ স্বীকাৰ কৰিলেহি।

বিচাৰত সেনাপতি লক্ষণ চিং ডেকা, চাংবৰ লালুং আৰু ৰংবৰ ডেকাৰ ফাঁচিৰ হুকুম হোৱাত তেওঁলোকক নগাঁও জেইলতে ফাঁচি দিয়া হয়। তাৰ উপৰিও ৰূপচিং লালুং, চিৰচিং লালুং, নৰচিং লালুং, কটহগুৰিৰ হেবেৰা লালুং, দেউবালিৰ বাহু কৈবৰ্ত্ত, আৰু বনমালী কৈবৰ্ত্ত, কটিয়া লালুং সৰ্ব্বমুঠ সাতজনক যাবজ্জীৱন দ্বীপান্তৰী কৰি কলীয়াপানীলৈ পঠালে। ৬০ জন মানুহক ১০ বছৰৰ পৰা ১ বছৰলৈকে বিভিন্ন ম্যাদত সশ্ৰম কাৰাদণ্ড বিহা হল। আগতে উল্লেখ কৰি অহা পাচো-ৰজা আৰু সাতো-ৰজা সকলৰ যি যৎ সামান্য সা-সুবিধা আছিল সেইবোৰো বন্ধ কৰি দিয়া হল। ৰহীয়াল বৰুৱা, জাগীয়লীয়া গোহাই, খোলা আৰু গোভাৰ কটকী, টোপাকুচি, সৰাগাঁও, খাইগড়, বাৰপূজীয়াৰ ৰজা পোৱালী সকল - আদি সম্ভ্ৰান্ত লোকসকলকো কাছাৰীলৈ নি লটি-ঘটি কৰা হৈছিল। তাৰ উপৰিও সেই অঞ্চলৰ বহুত মৌজাদাৰ আৰু অন্যান্য সৰু সৰু চাকৰিয়ালকো চাকৰিৰ পৰা বৰ্খাস্ত কৰি তাৰ ঠাইত নতুন মানুহ নিয়োগ কৰা হল।

এই সংক্ৰান্তত দ্বীপান্তৰী হোৱাসকলৰ ভিতৰত দেউবালি গাৱঁৰ বাহু কৈৱৰ্ত্তৰ বিষয়ে বহুত আচৰিত কথা শুনা যায়। তেওঁ হেনো বনৰীয়া ম'হো শিঙত ধৰি নচুৱাব পাৰিছিল আৰু তেওঁ অকলেই দহজনৰ সমান আহাৰ খাইছিল কাৰণেই দহজনৰ সমান শাৰীৰিক পৰিশ্ৰমো কৰিব পাৰিছিল। তেওঁ বৰ বাহুবলী আৰু থুলন্তৰ পুৰুষ আছিল ৰাবেই মানুহে তেওঁক বাহুবলী বুলিহে মাতিছিল। সেইসময়ত বাহু এজন চফল ডেকা আছিল।

প্ৰকৃততে বোলে বাহুৰ গাত কোনো দোষেই নাছিল; আনকি বিদ্ৰোহীসকলৰ সভালৈকো তেওঁ যোৱা নাছিল। তথাপি সমাজৰ সকলো ক্ষেত্ৰতে জিলিকি থকা মানুহ বাবেই তেৱেঁা চৰকাৰৰ ৰোষৰ পৰা হাত সাৰিব নোৱাৰিলে। লেফ্‌টেনেণ্ট স্কন্‌চ্‌ চাহাবে হলধৰ ডাৰোগাৰ চক্ৰান্তত এনে এজন নিৰ্দ্দোষী মানুহকো দ্বীপান্তৰীত কৰি পুত্ৰ-পৰিয়াল সকলোকে হুৰাও ৰাৱে কন্দুৱাইছিল।

কিন্তু বাহুৱে মাতৃভূমিক অতিকৈ ভাল পাইছিল কাৰণেই হবলা ১৯১৩ চনত প্ৰথম মহাসমৰৰ আগে আগে ফুলগুৰি বিদ্ৰোহৰ প্ৰায় ৫৩



বছৰৰ পিছত তেওঁ আন্দামানৰ পৰা আহি পুনৰ নগাওঁ পোৱাত মানুহ অতি আচৰিত হৈছিল। সেই সময়ত 'এমডেন' নামৰ জাৰ্ম্মান জাহাজ এখনে অন্যান্য বহুত সমৰ্থবান আন্দামানত দ্বীপান্তৰী হৈ থকা ভাৰতীয় লোকৰে সৈতে বাহু কৈবৰ্ত্তকো ভাৰত ভূমিত এৰি দি যায়হি। জাৰ্ম্মান সকলে প্ৰথম মহাসমৰৰ আগে আগে সমগ্ৰ পৃথিৱী জয় কৰিবৰ কাৰণে যি ফন্দী পাতিছিল তাৰ ফল স্বৰূপেই দ্বীপান্তৰী হৈ শোকে-ক্ষোভে আন্দামানত থকা ভাৰতীয়সকলক মুক্তি দিবৰ অভিপ্ৰায়েৰে সমৰ্থবান বন্দীসকলৰ এটা ডাঙৰ অংশ বঙ্গোপসাগৰ পাৰ কৰি ভাৰতলৈ পঠাই দিছিল। বাহুও সৌভাগ্যবশতঃ তেওঁলোকৰ মাজতে আহি নগাওঁ পাইছিলহি। তেওঁক তেতিয়াও হৃষ্ট-পুষ্ট আৰু ৰঙ্গিয়াল দেখা গৈছিল। তেওঁ আহিহে কলীয়া-পানীৰ বিষয়ে প্ৰথমতে নগঞা ৰাইজক সবিশেষ কয়হি। বাহুৱে দেউবালি গাৱঁৰ পৈত্ৰিক ভেটিতে বসবাস কৰি পুনৰ বিয়াও কৰায়। তেওঁৰ ১৯২৩/২৪ চনত প্ৰায় ৯০ বছৰ বয়সত মৃত্যু হয়।

কৰ বৃদ্ধিৰ কাৰণে ১৮৬২ চনৰ জানুৱাৰী মাহত জয়ন্তীয়া সকলো বিদ্ৰোহী হৈ পৰে।

১৮৯২ চনত খাজানা বৃদ্ধিত অতীষ্ঠ হৈ কামৰূপ জিলাৰ ৰঙীয়া, লছিমা, বজালি, বৰমা, নলবাৰী, পাতিদৰং, সৰুক্ষেত্ৰী, উত্তৰ বৰভাগ আদিত আৰু দৰং জিলাৰ পথৰুঘাট তহছিলৰ ৰাইজে মেল বহুৱাই চৰকাৰৰ বিৰোদ্ধে থিয় দিয়ে। বিদ্ৰোহে শীৰ্ষস্থান পোৱাত ১৮৯৪ চনৰ ১০ জানুৱাৰীৰ দিনা পুলিছে গুলি চালনা কৰি ৰঙীয়াত ২৭ জনক হত্যা আৰু বহুতকো ঘূনীয়া কৰে। সেই মাহৰে সাতাইশ তাৰিখে মঙ্গলদৈ মহকুমাৰ পথৰুঘাটত অসংখ্য ৰাইজ সমবেত হৈ চৰকাৰৰ বিৰোদ্ধে বিদ্ৰোহ ঘোষণা কৰাত জিলা উপায়ুক্ত এণ্ডাৰচন, মহকুমাধিপতি ৰেমচন আৰু পুলিছ বিষয়া বেৰিংটনে সৈন্য সামন্ত লৈ ৰাইজৰ মেলত যোগদান কৰা সকললৈ গুলি কৰাত ২৫ জনৰ থিতাতে মৃত্যু আৰু এশজনমানে সাংঘাতিক ভাৱে আঘাত পায়। কৃষক-বিদ্ৰোহে নামনি অসমত বিয়পি পৰাত চৰকাৰে কঠোৰ ভাৱে নিষ্পেষণ কৰি বহুতকে বিভিন্ন ম্যাদত সশ্ৰম কাৰাবাস বিহিত্ত বিদ্ৰোহ দমন কৰিছিল। ফুলগুৰি-ধেৱাই অসমত কৃষক-বিদ্ৰোহৰ পাতনি মেলিছিল।

## ৭ম অধ্যায়

### *আন্দামানৰ কাৰাগাৰ*

৩৭৩ টা সৰু বৰ দ্বীপৰ সমষ্টি আন্দামান আৰু নিকোবৰ দ্বীপ পুঞ্জৰ মাটিকালি ২৫৮০ বৰ্গমাইল। তাৰে মাত্ৰ ২৮ টা দ্বীপতহে এতিয়ালৈকে আধুনিক জগতৰ পোহৰ পৰিছে। বাকীবোৰত ধনুকাড় লৈ চিকাৰ বৃত্তিধাৰী নঙঠা অধিবাসীসকলৰ বসতি। ইংৰাজ-ৰাজত্ব কালত দ্বীপান্তৰী হোৱা গুৰুতৰ অপৰাধীসকলৰ বংশধৰ সকলেই আন্দামান-নিকোবৰৰ বৰ্ত্তমানৰ সভ্য সমাজ। ১৯৪২ চনৰ পৰা ১৯৪৫ চনলৈকে এই দ্বীপসমূহ জাপানৰ অধীনত আছিল। ১৮৮৮ চনত ইংৰাজে দখল কৰা আন্দামান নিকোবৰ দ্বীপপুঞ্জও ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনাই ভাৰতৰ অন্তৰ্ভূক্ত হৈ স্বাধীনতা লাভ কৰে। ১৯৪৫ চনত আজাদ হিন্দ ফৌজৰ সাৰ্ব্বাধিনায়ক নেতাজী সুভাষ চন্দ্ৰ বসুৱে সৰ্ব্বপ্ৰথমে আন্দামানত ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰি কেইবাহেজাৰো বন্দীক মোকোলাই দি ভাৰত জয় কৰাত সহায়ক হব বুলি ভাবি আৰু ভাৰতবাসীৰ মন জয় কৰিবলৈ নানান বুদ্ধিৰে সাগৰ পাৰ কৰি মাতৃভূমিলৈ পঠাই দিয়ে।

বৃটিছ ৰাজত্বকালত ভাৰতৰ সকলোবোৰ প্ৰদেশৰ হত্যা আৰু অন্যান্য গুৰুত্বৰ অপৰাধত অপৰাধী পুৰুষ-মহিলাক যাবজ্জীৱন কাৰাদণ্ড বিহি আন্দামানলৈ পঠোৱা হৈছিল। অন্যায় ইংৰাজ শাসনৰ বিৰোদ্ধে ঠিয় দিয়া সকলকো গুৰুতৰ অপৰাধীৰ শ্ৰেণীত পেলাই যাৱজ্জীৱন কাৰাদণ্ড দি তালৈকে পঠোৱা হৈছিল। ১৯৩১ চনলৈকে ব্ৰহ্মদেশখনো ভাৰতৰ ভিতৰতে থকাত ব্ৰহ্মৰ অপৰাধী সকলকো আন্দামানলৈকে পঠোৱা হৈছিল। সেই কালত আন্দামানলৈ পঠোৱা অৰ্থই হৈছিল জীয়া মানুহক যমৰ ঘৰলৈ পাঠোৱা।



কিয়নো আন্দামানলৈ পঠোৱা বন্দীসকল জীৱনকালত কেতিয়াও ফিৰি আহিব নোৱাৰিছিল আৰু তাতো শাসকসকলৰ অমানুষিক অত্যাচাৰৰ ফলত কয়দী সকলে সোনকালেই দেহা পেলাব লগীয়া হৈছিল। দৈহিক আৰু মানসিক চিন্তাই বন্দীসকলৰ জীৱনী শক্তি অতিকৈ চমু কৰি পেলাইছিল। আন্দামানলৈ পঠোৱা বন্দীসকলে কোনো দিনেই ঘৰৰ ঘৰ-বাতৰিৰ কাৰণে চিঠি পত্ৰৰো আদান প্ৰদান কৰা নিষেধ আছিল। গতিকে মৰা-জীয়াৰ খবৰো কোনেও পাব নোৱাৰিছিল।

অসমৰ পৰাও কোনো কোনো হত্যাকাণ্ডত অপৰাধীৰ উপৰিও অন্যায় বৃটিছ শাসনৰ বিৰোদ্ধে গৰজি উঠা ছুতিৰাম বৰুৱা, মায়াৰাম নাজিৰ, মধু মল্লীক ( বঙালী ভদ্ৰলোক ) বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলিক আন্দামানলৈ পঠোৱা হৈছিল। ফুলগুৰি ধেৱাৰ সংক্ৰান্ততো ৰূপচিং লালুং, চিবচিং লালুং, নৰচিং লালুং, হেবেৰা লালুং, বাহু আৰু বনমালি কৈৱৰ্ত্তকো আন্দামান বা কলীয়া পানীলৈ পঠোৱা হৈছিল। সাতজনৰে বাহু কৈৱৰ্ত্ত দৈবক্ৰমে আন্দামানলৈ পঠোৱাৰ ৫৩ বছৰৰ পিচত আচৰিত ভাৱে ৰহা দেওবালিৰ তেওঁৰ পূৰ্ব্বৰ ঘৰ ওলাইছিলহি। তেওঁৰো আক্ষৰিক জ্ঞান নথকাত আন্দামানৰ চেলুলাৰ জেইলৰ তেওঁৰ মুখে শুনা বৰ্ণনাবোৰ কোনেও লিপিবদ্ধ কৰাৰ প্ৰয়োজন বোধ নকৰিলে। আজিলৈকে অসমীয়া ভাষাত কোনো লোকেই ইংৰাজ শাসন কালৰ আন্দামানত কয়দী সকলৰ ওপৰত চলোৱা অবৰ্ণনীয় অত্যাচাৰৰ বিষয়ে লেখা পোৱা নেযায়। বৰ্ত্তমান আন্দামানৰ চেলুলাৰ জেইলখন এটি স্মৃতি মন্দিৰ। সাত উইংচৰ ৭৫৬ টা কোঠালিৰ এটাত স্বাধীনতা আন্দোলনৰ স্মৃতি বিজৰিত মিউজিয়াম গঢ়ি উঠিছে আৰু আন এটাত গোবিন্দবল্লভ পশু চিকিৎসালয়খন আছে।

১৯০৫ চনৰ বঙ্গ ভঙ্গ আন্দোলনৰ পূৰ্ব্বলৈকে আন্দামানৰ জেইলৰ বিষয়ে কোনো ভাৰতীয়ই একো খবৰকে পোৱা নাছিল। কিয়নো কয়দী পঠোৱাৰ বাহিৰে কোনো মানুহকেই তালৈ যোৱা নিষিদ্ধ কৰি দিছিল। গতিকে সেই যমৰজাৰ অজাম্ভি মুলুকৰ বাতৰিও ভাৰতীয় লোকৰ কাৰণে দুঃসাধ্য হৈয়ে আছিল। ১৯০৫ চনৰ বঙ্গ ভঙ্গ আন্দোলনে গোটেই ভাৰততে ভৰপক দিয়াত প্ৰায় তিনিশ বিহাৰী, বঙালী, পাঞ্জাবী আৰু

উত্তৰ প্ৰদেশৰ শিক্ষিত লোকক আন্দামানৰ চেলুলাৰ জেইললৈ নিৰ্ব্বাসিত কৰা হৈছিল। জেইলৰ ম্যাদ শেষ হোৱাত সেই বন্দীসকলক পুনৰ ভাৰত ভূমিলৈ ফিৰাই অনা হৈছিল। সেই সকলৰ কোনো কোনোৱে বিভিন্ন ভাৰতীয় আৰু ইংৰাজী ভাষাত আন্দামানত বন্দীসকলৰ ওপৰত কৰা অমানুষিক অত্যাচাৰৰ কাহিনী বাতৰি কাকত আৰু পুথি আকাৰে প্ৰকাশ কৰাতহে সেই বিষয়ে সদৰি হৈ পৰে। সম্ভৱতঃ ইংলণ্ডৰ পাৰ্লিয়ামেণ্টৰ কোনো সদস্যইও তাৰ আগলৈকে আন্দামানৰ জেইলৰ অত্যাচাৰৰ বিষয়ে অৱগত হোৱা নাছিল।

যাৱজ্জীৱন কাৰাদণ্ড হোৱা কয়দীসকলৰ বিশেষকৈ ফাঁচীৰ পৰা হাত সৰা দোষীসকলক আন্দামানলৈ পঠোৱাটো ইংৰাজ শাসনকালৰ এটা সাধাৰণ নিয়মত পৰিণত হৈছিল। ৰাজনৈতিক বন্দীসকলৰ গাত সেই নিয়ম বিশেষভাৱে প্ৰয়োগ কৰা দেখা গৈছিল।

কাৰাদণ্ডৰ হুকুম হোৱাৰ পিচত এদিন কলীয়া পানীলৈ ভৱনদী পাৰ কৰিব লগীয়া কয়দীজনক নামমাত্ৰ ডাক্তৰী পৰীক্ষা কৰোৱা হয়। বিশেষ ডাঙৰ অসুখত ভোগীলেহে কিছুদিন একেখন জেইলতে ৰাখি চিকিৎসা কৰোৱা হয়। সেয়ে নহলে পৰীক্ষাৰ দুই এদিনৰ পিচতেই কয়দী পোচাকৰেই হাতত লোৰ হাত কেৰেয়া লগাই চিপাহীৰ তত্ত্বাৱধানত কলিকতাৰ খিদিৰ পুৰলৈ পঠাই তাতে ভাপ জাহাজত তোলা হয়। তিনদিন তিনি ৰাতি শুকান চিৰা চোবাই চোবাই চতুৰ্থ দিনা পোৰ্ট ব্লেয়াৰ পায়গৈ। তিন দিন ঘনে ঘনে ৰং সলোৱা সাগৰৰ পানীৰ মহিমা আৰু সামুদ্ৰিক বিভিন্ন প্ৰকাৰৰ মাছ আৰু অন্যান্য নানা প্ৰকাৰৰ প্ৰাণীবোৰৰ জলকেলি চাই চাই আমনি লগাৰ পিচত চতুৰ্থ দিনা শাৰী শাৰী নাৰিকল গছৰে ভৰপূৰ মাটিৰ লগতে ধুনীয়া ধুনীয়া চাহাবৰ বঙলাবোৰ দেখি কয়দীসকলে দুখ বেজাৰ পাহৰি নতুনক সাবতি লবলৈ আগবাঢ়ি যায়। কিন্তু বন্দৰত নমাৰ লগে লগেই তেওঁ আকৌ ডাক্তৰী পৰীক্ষাৰ সন্মুখীন হৈ মূৰত বিচনা পাতি লৈ প্ৰকাণ্ড চেলুলাৰ জেইলৰ সিংহদ্বাৰত উপস্থিত হোৱাৰ লগে লগেই ভীমাকায় চেহেৰাৰ জেইল অধীক্ষক মিঃ ব্যাৰীয়ে অতি কৰ্কশ মাতেৰে কয়হি, "শেষত তহঁত



এইখিনি পালিহি। সৌ ঘৰবোৰ দেখিছহঁক! তাতে তহঁতৰ বন্ধুবোৰক লগ পাবিগৈহঁক। সেইবোৰতে ৰাখি আমি সিংহবোৰক পোহ মনাও। কিন্তু, সাৱধান! সিহঁতৰ লগত কথা বতৰা নেপাতিবিহঁক।" ব্যাৰী চাহাব সদায় অশান্ত। কয়দীক মাৰপিট আৰু কটুকথা কোৱাই তেওঁৰ একমাত্ৰ স্বভাৱ আৰু কাম হলেও অতি দুৰ্দ্দান্ত কয়দীবোৰৰ ওচৰত তেওঁ সেওমনা আছিল।

জেইলখনত সোমোৱাৰ লগে লগেই সাম্প্ৰদায়িকতাৰ বীজ আৰম্ভ হয়। বামুনৰ লগুন কাঢ়ি লোৱা হয়। কিন্তু, মুছলমানৰ দাড়ি আৰু শিখৰ চুলিত হাত দিয়া নহয়। যিবোৰ কয়দীয়ে মিছা কথা কৈ প্ৰভুসকলক তোষামোদ কৰে তেওঁলোকে প্ৰসাদ লাভ কৰে। অন্য হাতেদি যিসকলে ন্যায় বিচাৰৰ আশা পালি আনৰ ওপৰত প্ৰভুত্ব খটুৱাব নোৱাৰে তেওঁলোকৰ ওপৰত সদায় বেট আৰু চাবোকৰ কোব, কটুকথা আদি বিনামেঘে বজ্ৰপাত পৰাদি পৰি থাকে।

ৰাতিপুৱা চাৰি বজাত উঠি শৌচ প্ৰশ্ৰাব কৰি শাৰীপাতি থকা অৱস্থাত কেতিয়াবা পনীয়া মাৰভাত আৰু কেতিয়াবা গুৰি চাউলৰ উতলা পানী ঢালি অলপ নিমখ দি "কাঞ্জি" প্ৰস্তুত কৰি খাবলৈ দিয়ে। তাৰ পিচতেই কামৰ ভাগ কৰি দিয়া হয়। কামৰ ভিতৰত নাৰিকলৰ ৰচি তৈয়াৰ কৰা আৰু ঘানীত ঘুৰি ঘুৰি তেল পেৰাই অতি টান কাম। এই দুবিধ কামতেই প্ৰায় সকলোবোৰ কয়দীকে লগোৱা হয়। আন্দামানত নাৰিকল গছবোৰ প্ৰচুৰ পৰিমাণে আপোনা আপুনি গজে। সেইবোৰ চৰকাৰী সম্পত্তি। নাৰিকলবোৰ পাৰি আনি এডোখৰ কাঠেৰে মৰিয়াই নাৰিকলৰ বাকলি পিটি পিটি নৰম কৰি ফঁহিয়াই লোৱা হয়। তাৰ পিচত সেইবোৰ পানীত তিয়াই আকৌ পিটিবলৈ দিয়ে। তেনেকৈ কৰোতে কৰোতে গুৰিবোৰ গৈ গৈ একমাত্ৰ দীঘল অংশটো থাকেগৈ। সেইবোৰ আকৌ শুকুৱাই প্ৰত্যেক দিনে একোটা এসেৰীয়া মুঠা কৰিব লাগে। অনভ্যাসৰ কাৰণে আৰম্ভনীতে নাৰিকলৰ বাকলি পিটোতে হাতত ফোঁহা হৈ বিষত জ্বৰ উঠে। দিনে আধাপোৱামানহে দীঘল অংশ বাহিৰ কৰিব

পাৰি। আবেলি তিনি বজাত যেতিয়া কামৰ বুজ দিব লগীয়া হয় তেতিয়া জোখমতে কাম নোহোৱাত প্ৰহৰিৰ মূৰ্ত্তি দেখি চূৰ্ত্তি হেৰাই যায়। মাৰপিট, গালাগালি সহিব নোৱাৰি বহুতো পাগল হৈ যায়। কোনোৱে খণ্ডত ৰ'ব নোৱাৰি প্ৰহৰিকে মাৰপিট কৰি হত্যাও কৰি ফাঁচী শালত উঠে। বহুতে আত্মহত্যা কৰি ইহসংসাৰৰ শাস্তিৰ পৰা নিজকে আঁতৰাই নিয়ে।

ইয়াৰ বাহিৰেও ঘানিত ঘুৰি ঘুৰি তেল পেৰোতে মানুহে বমি কৰি মূৰ ঘুৰাই পৰি যায়। নিম্ন ৰক্তচাপ আৰু অন্যান্য অসুখত ভোগী ঘানি ঘূৰাব নোৱাৰিলে সৌকাৰ কোব, ঘোচা, কটু কথা আৰু লাঠিৰ টাঙোন খাব লাগে। কয়দীহঁত চৰকাৰ বাহাদুৰৰ গোলাম। গতিকে মৰি হাজি হলেও চৰকাৰৰ কাম কৰিবই লাগিব। সেই জেইলৰ এয়ে চিকিৎসাৰ নমুনা।

কয়দীহঁতে দুপৰীয়া খাবলৈ পায় ব্ৰহ্মদেশৰ মোটা চাউলৰ আধা পেটীয়া ভাত। লগত কচুৰ আলু, মৰিছা, কলীয়া কচুৰ পাত গেলা আলু, বাকলিসহ কাচকল, পুৰৈশাক আদি একেলগে ৰন্ধা অপূৰ্ব্ব আহাৰ। ভাতৰ ওচৰলৈ গলেই চকুৰ পানীয়ে বাট নেদেখা হয়। কাচিতহে সৰহীয়া পানীৰ মচুৰ ডালিৰ লগত মুখামুখী হয়।

জেইল ৰখীয়া পাঠান ৱাৰ্ডাৰ আৰু জামাদাৰ সকলৰ অত্যাচাৰৰ সীমা নাই। তাতোকৈ অত্যাচাৰ বেচি সাধাৰণ কয়দীৰ ওপৰত মাতব্বৰী কৰি প্ৰমোচন পোৱা মেট, কলাপাগুৰীৱালাসকলৰহে। যি যিমান সাধাৰণ কয়দীৰ ওপৰত অত্যাচাৰ বেচিকৈ কৰিব পাৰে তাৰেই সদনাম আৰু প্ৰমোচন। সাধাৰণ কয়দীৰ পৰা প্ৰথম প্ৰমোচন মেট আৰু শেষ প্ৰমোচন কালাপাগুৰীৱালা। মেটলৈ প্ৰমোচন পালে ১২ জন সাধাৰণ কয়দীৰ ওপৰত কৰ্তৃত্ব চলাবলৈ পায় আৰু কালাপাগুৰীৱালা সকলে দহজন মেটৰ ওপৰতো শাসন চলাব পাৰে অৰ্থাৎ একোজন কালাপাগুৰীৱালাৰ কৰ্তৃত্ব ১২০ জন সাধাৰণ কয়দীৰ ওপৰত। কালাপাগুৰীৱালা এজনে দৰমহাৰ পইচা কেইটাৰ বাহিৰে একোজন চৰকাৰী দৰমহা খোৱা ৱাৰ্ডাৰৰ প্ৰায় সমান ক্ষমতা লাভ কৰে। মেট আৰু কালাপাগুৰীৱালাসকলে



খাদ্য আৰু অন্যান্য বহু বিষয়ত সাধাৰণ কয়দীসকলতকৈ বেচি সুবিধা লাভ কৰে। বিচাৰহীন ভাৱে কয়দীৰ ডাইল, চাউল, শাক পাচলি আদিৰ অংশ চুৰকৈ বেচি চহকী হোৱাতো চৰকাৰী কৰ্ম্মচাৰীসকলৰ দৈনন্দিন কাৰ্য্যৰ ভিতৰতে। আন্দামানৰ চেলুলাৰ আৰু অন্যান্য কাৰাগাৰৰ কয়দীসকলে আধাপেটিয়াকৈ অখাদ্য খাই দেহৰ তেজ দি কোষাগাৰ পূৰ্ণ কৰিব লাগিছিল। সেই জেইলত মনুষ্যত্বৰ গোন্ধ লেশমানো নাই। সকলোবোৰ হিংস্ৰ জন্তুৰ মাজত থাকি থাকি হিংস্ৰ হৈ পৰে। কাৰো প্ৰতি কাৰো সহানুভূতি নাই। দুখ, ভাগৰ, মৰম, স্নেহ শূন্য সি এখন বেলেগ পৃথিবী।

তাত ইজনে সিজনৰ ভাষাও নুবুজে। এজন বঙ্গৰ, এজন দক্ষিণ ভাৰতৰ আৰু এজন হয়তো ব্ৰহ্মদেশৰ লোকৰেহে একোটা কামৰ গোট কৰা হয়। সকলোবোৰ কাম আকাৰে ইঙ্গিতেৰেহে সমাধা কৰা হয়। কল্পিত যমৰ ঘৰতো তেনে শাস্তিৰ কথা চিন্তা কৰিব নোৱাৰি।

কয়দীসকলে পেৰা হেজাৰ হেজাৰ টিন সৰিয়হ আৰু নাৰিকলৰ তেল ভাৰতৰ উপৰিও ইংলণ্ড আৰু অন্যান্য দেশলৈ পানী জাহাজেৰে চালান দিয়া হৈছিল। নাৰিকলৰ খোলাৰ পৰা হোকা আদিও তৈয়াৰ কৰা হৈছিল। তাৰ উপৰিও কোনো কোনোৱে কমাৰ, কুমাৰ, ঘৰসজা কাঠ আৰু ৰাজমিস্ত্ৰি আদিৰো কাম কৰিছিল।

আজীৱন দ্বীপান্তৰী হোৱা কয়দীসকলৰ ম্যাদ ২৫ বছৰ হলেও জেইল কৰ্তৃপক্ষৰ ইচ্ছা অনুসৰি ম্যাদ বৃদ্ধি কৰা হৈছিল। আন্দামানৰ জেইলত কয়দীৰ কোনো শ্ৰেণী বিভাগ নথকাত ৰজা আৰু খৰিভাৰীয়ে একে কামকেই কৰিব লগীয়া হৈছিল। অখাদ্য আৰু কঠোৰ পৰিশ্ৰমৰ কাৰণে শতকৰা ৯০ জনেই জেলইৰ ম্যাদ শেষ নৌহওতেই সিপুৰীৰ আলহি হয়গৈ।

কোনো লোক জেইলৰ ম্যাদৰ পিচত জীয়াই থাকিলেও তেওঁলোক ঘৰলৈ আহিবলৈ বা ঘৰৰ লগত যোগাযোগ কৰিবলৈ অনুমতি দিয়া নহৈছিল। সাধাৰণ কয়দীতকৈও ভাৰতৰ স্বাধীনতাৰ হকে যুঁজা

ৰাজনৈতিক কয়দীসকলৰ ওপৰত বেচি শত্ৰুভাৱ লৈ উৎপীড়ন চলোৱা হৈছিল। হুকুম অমান্যকাৰীসকলৰ ওপৰত চৰ, কিল, ভুকু, চাবুক-চমতাৰ কোব, লোৰ দাণ্ডাবোৰি পিন্ধাই বন্ধ কোঠা বা চেল ( cell ) ত ৰাখি হেচিয়ান কাপোৰ, নিমখৰ বস্তা পিন্ধোৱাও শাস্তিৰ অঙ্গ আছিল। স্বভাৱ চৰিত্ৰ চাই পাচ বছৰৰ মূৰে মূৰে সাধাৰণ কয়দীসকলক প্ৰমোচন দি মাহে বাৰ অনাকৈ বানচ দিয়া হয় যদিও ৰাজনৈতিক কয়দীসকল তাৰ পৰাও বঞ্চিত হৈছিল। তাৰ বাহিৰেও ৰবিবাৰৰ বন্ধৰ দিনটোও তেওঁলোকক জেইল পৰিস্কাৰ কৰা আদি কামত লগোৱা হৈছিল।

আন্দামানৰ অটব্য হাবিতলীয়া ঠাইত মেলেৰীয়াৰ প্ৰকোপ অত্যন্ত বেছি। জ্বৰ কয়দীসকলৰ গাত লাগিয়েই থাকে। তাৰ উপৰিও অখাদ্য খোৱাৰ বাবে গ্ৰহণীয়ে ব্যাপক ৰূপ ধাৰণ কৰে। চেলুলাৰ জেইলৰ ভিতৰত এখন ডাক্তৰখানা আছিল। তাৰ বাহিৰেও সৰু বৰ আৰু কেই-বাটাও দ্বীপত কেইখনমান আন আন জেইল আৰু চিকিৎসালয় আছিল। খাদ্য, ব্যৱহাৰ আৰু অন্যান্য অন্যায় আচৰণৰ কাৰণে জেইলবোৰত ৰাজনৈতিক বন্দীসকলে অনশন কৰিছিল যদিও তাক কৰ্তৃপক্ষই কঠোৰ হাতেৰে দমন কৰি সেইবিষয়ে বাহিৰৰ কাকো জানিবলৈ বা-বাতৰি নিদিছিল।

কোনো কোনো কয়দীক অটব্য জঙ্গলৰ পৰা কাঠ কাটিবলৈ দি সেইবোৰ জেইলৰ কৰ্ম্মকৰ্ত্তাসকলৰ ঘৰত জমা দিবলৈ কোৱা হয়। আন্দামান নিকোবৰ দ্বীপপুঞ্জত বছৰৰ সাত মাহেই বাৰিষা হোৱাত জোকৰ প্ৰকোপ যে বৰ বেচি। অৰণ্যলৈ পঠোৱা কয়দীসকল জোকৰ কামোৰত থাকিব নোৱাৰি পুনৰ জেইললৈকে ফিৰি আহিছিল। কিছুমান কয়দীক ৰিক্সা চলাবলৈ পঠাই দি সেই পইচাও জেইলাৰৰ হাততে জমা দিয়াৰ ব্যৱস্থা কৰিছিল।

ভাৰতীয় জেইলবোৰতো বন্দীসকলৰ ওপৰত প্ৰায় একেধৰণৰেই অত্যাচাৰ চলোৱা হৈছিল যদিও যতীন দাসে একেৰাহে লাহোৰ জেইলত ৬৩ দিন অনশন কৰি ১৯২৯ চনৰ ১৩ চেপ্তেম্বৰৰ দিনা মৃত্যু বৰণ কৰাত অত্যাচাৰৰ মাত্ৰা কমিছিল। কংগ্ৰেছী চৰকাৰ সমূহে ১৯৩৭ চনত বিভিন্ন প্ৰদেশৰ শাসনভাৰ লোৱাৰ পিচত জেইল সংস্কাৰ আইন পাচ হোৱাতহে কাৰাগাৰ সমূহত ৰাজনৈতিক বন্দীসকলে কঠোৰ শাস্তিৰ পৰা মুক্তি পাইছিল।



জেইলৰ ম্যাদ শেষ হোৱাৰ পিচতো জেইলৰ বাহিৰত কয়দীৰ দৰেই আন্দামানতে জীৱন ধাৰণ কৰিব লগীয়া হয়। তেতিয়া তেওঁলোকে সৰু সৰু খেৰৰ ঘৰ সাজি কঠোৰ শাস্তি আৰু কটু কথাৰ পৰাহে নিষ্কৃতি পায়। অৱশ্যে নিজৰ পৰিশ্ৰম অনুযায়ী উপাৰ্জন কৰি কচুপাত আদি খোৱাৰ পৰা ৰক্ষা পায় আৰু ইচ্ছা কৰিলে উপযুক্ত পাত্ৰী চাই বিয়া-বাৰুও কৰিব পাৰে। তেওঁলোকে কয়দীৰ জাঙীয়া, হাত কটা কুৰ্ত্তা, আৰু টুপী পিন্ধি চাৰিহাত দীঘল কাপোৰৰ পাগুৰী মাৰিব পাৰে। মাহে বাৰ অনাকৈ দৰমহাও পায়।

১৯১৪-১৮ চনৰ প্ৰথম মহাযুদ্ধৰ সময়ৰ পৰা আন্দামানৰ প্ৰকাণ্ড চেলুলাৰ জেইল আৰু অন্যান্য জেইলবোৰৰ ইংৰাজ যমদূতহঁতৰ কিছু মানসিক পৰিবৰ্ত্তন ঘটে। যুদ্ধৰ কালছোৱাত দিনে দিনে জাহাজত ভৰাই ইংলণ্ড আৰু অন্যান্য দেশলৈ আগৰ দৰে সৰিয়হ আৰু নাৰিকল তেল পঠাব নোৱাৰাত সেইবোৰ গুদামতে পচিবলৈ আৰম্ভ কৰে। আন্দামান নিকোবৰ দ্বীপপুঞ্জত জাৰ্ম্মান আক্ৰমণৰ সম্পূৰ্ণ সম্ভাৱনাই দেখা দিয়াত তালৈকো অসংখ্য সৈন্য আৰু বোমা-বৰটোপৰ আমদানি ঘটে। আন্দামানৰ চেলুলাৰ জেইলৰ বন্দীসকলক মুক্তি দি জাৰ্ম্মানৰ সহযোগী হবৰ কাৰণে আহ্বান জনাই হেজাৰ হেজাৰ প্ৰচাৰ পত্ৰিকা বিলি কৰা হৈছিল। শিখ সৈন্য আৰু ইংৰাজ বিৰোধী 'গদৰ' পাৰ্টিৰ যোগাযোগৰ ফলত আন্দামানতো চাঞ্চল্যকৰ অৱস্থাৰ সৃষ্টি হোৱাত যুদ্ধৰ মাজভাগতে কিছুমান সৎচৰিত্ৰৰ কয়দীক পোনপ্ৰথম বাৰৰ কাৰণে ভাৰত আৰু ব্ৰহ্ম-দেশৰ নিজ নিজ ঘৰলৈ পঠাই দিয়া হৈছিল। পিচৰ কালত ভাৰতত হোৱা ক্ৰমবৰ্দ্ধমান স্বাধীনতা আন্দোলনৰ কাহিনী চেলুলাৰ জেইলৰ কয়দী সকলৰ মাজতো প্ৰচাৰ হোৱাত উন্নৈশ শতিকাৰ আৰু কুৰি শতিকাৰ প্ৰথম দশকত অতিমাত্ৰা অত্যাচাৰৰ প্ৰকোপ কমিবলৈ বাধ্য হৈছিল। ১৯২১-২২ ৰ গান্ধীজীৰ অসহযোগ আন্দোলনৰ কৰ্ম্মীসকলেও সেইসময়ৰ ভাৰতীয় জেইলবোৰতো আন্দামান নিকোবৰৰ জেইলৰ কয়দীসকলৰ দৰেই সমানেই শাস্তি ভোগ কৰিছিল। ১৯৩০ চনৰ পৰাহে শাস্তিৰ মাত্ৰা কমিবলৈ আৰম্ভ কৰে। ১৯২৯ চনৰ ১৩ চেপ্তেম্বৰৰ দিনা যতীন দাসে

ৰাজনৈতিক বন্দীৰ ওপৰত জেইলবোৰত কৰা অত্যাচাৰৰ প্ৰতিবাদত ৬৩ দিনীয়া অনশন কৰি লাহোৰ জেইলত ছহীদ হোৱাত চৰকাৰে এটা তদন্ত কমিটি পাতি জেইল মেনুৱেল সংশোধন কৰি এ, বি, চি তিনিটা শ্ৰেণীত কয়দী সকলক বিভক্ত কৰিছিল।

স্বাধীনতা লাভৰ পিচত আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ জেইলবোৰৰ অৱস্থা ভাৰতৰ অন্যান্য ৰাজ্যৰ লগত একে। ৰাইজৰ মাজত বৰ্ত্তমান আৰ্থিক আৰু সামাজিক পৰিবৰ্ত্তন ঘটিছে। পূৰ্ব্বৰ কয়দীসকলৰ নাতি-পুতি সকলেই বৰ্ত্তমান গণতান্ত্ৰিক পদ্ধতিৰে চৰকাৰো গঠন কৰি শিক্ষা, কৃষ্টি আদিৰ সৰ্ব্বাঙ্গীন উন্নতিৰ অৰ্থে মনোনিবেশ কৰিছে। পূৰ্ব্বৰ কলীয়াপানী, অজান্তিমুলুক আদি নামবোৰ বৰ্তমান লুপ্ত। চাৰিওফালে সাগৰে আগুৰি থকা আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ সাহসী অধিবাসী সকলে এদিন যোগ্যস্থান অধিকাৰ কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। বিবোৰ সৰু সৰু দ্বীপত নঙঠা আদিবাসীসকলে বসতি কৰি আছে সেইবোৰ মানুহকো সভ্যতাৰ পোহৰলৈ আনিবলৈ চেষ্টা কৰাটো অতি আনন্দৰ কথা হৈছে।

(৺উপেন্দ্ৰ নাথ বন্দোপাধ্যায় নামৰ এজন বঙ্গভাষী লোকে ১৯০৫ চনৰ বঙ্গ-ভঙ্গ আন্দোলনত যোগদান কৰাৰ ফলত আন্দামানৰ চেলুলাৰ জেইলত দীঘলীয়া কাৰাবাস খাটি "নিৰ্ব্বাসিতের আত্মকথা" নামৰ যিখন পুথি লিখিছিল তাৰ সহায়তে আন্দামানৰ কাৰাগাৰৰ বিষয়ে এই অধ্যায়টি প্ৰস্তুত কৰা হৈছে)।

## 'স্বাধীনতা আন্দোলনৰ গীত'ৰ সংগ্ৰাহকে নিজে লিখা

### *ফুলগুৰিৰ ধেৱাৰ বিষয়ে অভিমত*

শ্ৰীবেণুধৰ কলিতাদেৱে লিখা 'ফুলগুৰিৰ ধেৱা' নামৰ পুথিখনি পঢ়ি আনন্দ পালোঁ। ফুলগুৰি ধেৱাৰ পৃষ্ঠভূমি হ'ল আহোম ৰাজত্বৰ পিচৰ কালছোৱাৰ অসমৰ অৱস্থা। লিখকৰ সাহিত্যত হাত থকা বাবেহে ইমান চমুতে সকলো কথা প্ৰকাশ কৰিব পাৰিছে, যি পৃষ্ঠভূমিত 'ফুলগুৰিৰ ধেৱা'ৰ জন্ম হ'ল। পুথিখনি পঢ়ি ভাল পালোঁ। লিখক যে এজন চিন্তাশীল সাহিত্যত হাত থকা পুথিখনি পঢ়িলেই বুজিব পাৰি।

পঢ়ুৱৈ সমাজে যে পুথিখনি পঢ়ি ভাল পাব মোৰ কোনো সন্দেহ নাই।

**বিমলা প্ৰসাদ চলিহা,**
মুখ্যমন্ত্ৰী, অসম।
২০।১২।৬১

"আমাৰ অপমানৰ অবধি নাই—আপোন পাহৰা জাতিক ইতিহাসেও ক্ষমা নকৰে। আমাক জাতীয় গ্লানিৰ পৰা মুক্ত কৰিবলৈ প্ৰয়াস কৰিছে "ফুলগুৰিৰ ধেৱা'ৰ মননশীল লেখকে। ৰাইজৰ আশীৰ্ব্বাদ তেওঁ পাব।"

**শ্ৰীমহীচন্দ্ৰ বৰা,**
নগাঁও
২৪।৬।৬১

সাহিত্যিক হিচাবে সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰাৰ হাবিয়াস চিন্তাশীল লিখক বেণুধৰ কলিতাৰ মনত ওপজা নাই। অন্যথা 'বিয়াল্লিছৰ স্মৃতি'ৰ পিচত 'ফুলগুৰিৰ ধেৱা'খনক ৰাইজৰ মাজত সদৰি কৰাৰ প্ৰয়াস তেখেতৰ নহ'ল-হেতেন! কলিতালৈ আমি আমাৰ অভিনন্দন এইবাবেই জনাইছোঁ যে আন বহুতৰ দৰে সাহিত্য তেখেতৰ "স্নবাৰি" নহয়, প্ৰশংসাৰ ফুলজাৰি লাভ কৰাৰ প্ৰশস্ত উপায় বুলি সাহিত্যক তেখেতে ভবা নাই। ফুলগুৰিৰ ধেৱা ৰচনাৰ উদ্যমো "বেদগ্ধখ্যাতি লোভায়" নহয়।
আকাশীগঙ্গা। ২য় বছৰ ১ম সংখ্যা ১৯৬২ চন।

### *লিখকৰ বিয়াল্লিছৰ স্মৃতি সম্পৰ্কে অভিমত*

"নামে ধামে বিয়াল্লিছৰ স্মৃতি" ভাৰতৰ তথা অসমৰ গৌৰৱময় যুগৰ এটি সুহুৰি। লেখকৰ এই বিনয়াবনত নিবেদনৰ অন্তৰালত আছে অসমৰ জাতীয় বুৰঞ্জীৰ এটি সোণালী অধ্যায়।"

**নতুন অসমীয়া**

.......... "যেনেকৈ এচৰু ভাতৰ এটা পিটিকিলেই গোটেই চৰু ভাতৰ অৱস্থা বুজা যায়, শ্ৰীমান বেণু কলিতাৰ '৪২ ৰ স্মৃতি পঢ়িলে কংগ্ৰেছৰ শেষ আন্দোলনত দেশৰ অৱস্থা উপলব্ধি কৰিব পাৰি।"..............

**শ্ৰীহলধৰ ভূঞা**

## *বিয়াল্লিছৰ নগঞা ছহিদৰ বিষয়ে অভিমত*

১৯৪২ চনত গান্ধীজীৰ 'কৰিম কিম্বা মৰিম' আহ্বানত সঁহাৰি দি ভাৰতৰ জনগণে যি বিপ্লৱৰ সূচনা কৰিছিল তাত অসমেও অৰিহণা যোগাইছিল। অসংখ্য লোকে বিপ্লৱত যোগদান কৰি সাম্ৰাজ্যবাদী বৃটিছৰ লাঠি, গুলী, ফাঁচিক তুচ্ছ জ্ঞান কৰি দেশৰ স্বাধীনতা আন্দোলনক আগুৱাই নিছিল। সেই সংগ্ৰামত নগাঁও জিলাৰ নজন মুক্তি যুঁজাৰুৱে প্ৰাণ আহুতি দি শ্বহীদ হৈছিল। তেওঁলোক হল ভোগেশ্বৰী ফুকননী, লক্ষী হাজৰিকা, ঠগী সুত, হেমৰাম পাতৰ, গুনাভি বৰদলৈ, বলো সুত, হেমৰাম বৰা, কলাই কোছ আৰু তিলক ডেকা। তেওঁলোক আছিল সাধাৰণ কৃষক পৰিয়ালৰ সন্তান। প্ৰকৃত দেশপ্ৰেমত উদ্বুদ্ধ হৈ এওঁলোকে স্বাধীনতাৰ বেদীত নিজকে উছৰ্গা কৰি শ্বহীদ হ'ল। এই মহান ত্যাগীসকলৰ চমু জীৱনী 'বিয়াল্লিছৰ নগঞা ছহিদ' পুথিত সন্নিবিষ্ট কৰি শ্ৰীবেণুধৰ কলিতাই এটি উল্লেখযোগ্য কাম কৰিলে। ইয়াৰ আগতে ফুলগুৰিৰ ধেৱা আৰু বিয়াল্লিছৰ স্মৃতি নামৰ দুখন পুথিতো স্বাধীনতা সংগ্ৰামলৈ নগঞা ৰাইজৰ অৱদানৰ কাহিনী লিপিবদ্ধ কৰিছিল।

'বিয়াল্লিছৰ নগঞা ছহিদ' পুথিখনে আজিৰ প্ৰজন্মৰ সন্মুখত স্বাধীনতা সংগ্ৰামৰ এছোৱা ডাঙি ধৰিছে। পুথিখন যে সংগ্ৰহযোগ্য তাত সন্দেহ নাই।

**দৈনিক অসম**
**১৩।১১।৮৯**

মহাত্মা গান্ধীৰ নির্দ্দেশ আৰু নীতি অনুসৰণ কৰি ভাৰতৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰা আৰু বৰ্ত্তমানেও জীৱন যাত্ৰাত মহাত্মাৰ আদৰ্শ আৰু নীতিকেই অনুসৰণ কৰি চলা শ্ৰীবেণুধৰ কলিতা নগাঁৱৰ এগৰাকী স্বল্পভাষী, অমায়িক আৰু নীৰব সমাজ কৰ্ম্মী আৰু সাহিত্যসেৱী লোক। ইয়াৰ পূৰ্ব্বে তেখেতে 'ফুলগুৰিৰ ধেৱা' আৰু 'বিয়াল্লিছৰ স্মৃতি' নামৰ দুখন বুৰঞ্জীমূলক পুথি প্ৰকাশ কৰি বৰ ভাল কাম কৰিছে। 'বিয়াল্লিছৰ নগঞা ছহিদ' নামৰ এই সৰু অথচ মূল্যবান পুথিখনিয়ে অসমৰ বুৰঞ্জী সাহিত্যলৈ যে উল্লেখযোগ্য বৰঙনি আগবঢ়াইছে তাত অকণো সন্দেহ নাই। শ্ৰীকলিতা নিজেই এজন মুক্তিযোদ্ধা কাৰণে পুথিখনত লিপিবদ্ধ হোৱা তথ্যসমূহ যে নিৰ্ভৰ যোগ্য আৰু নিখুত তাত অকণো সন্দেহ নাই, স্বাধীনতা লাভৰ পিচত স্বাধীনতা আন্দোলনৰ মহান ত্যাগৰ কথা পাহৰি লালসা আৰু ভোগ বিলাসৰ বহতীয়া হৈ মানুহৰ নৈতিক অধঃপতন হোৱাতো জাতিটোৰ কাৰণে অতিশয় বেদনাদায়ক হৈছে। শ্ৰীকলিতাৰ এই পুথিখনিয়ে আমাৰ সমাজলৈ নিশ্চয় কিছু চেতনা ঘূৰাই অনাত সহায় কৰিব বুলি আশা কৰা যায়। শ্ৰীকলিতাৰ পৰা নগাঁৱৰ স্বাধীনতা আন্দোলনৰ এখন পূৰ্ণাঙ্গ বুৰঞ্জী আশা কৰিব পাৰোনে ?

**শ্ৰীসৰ্ব্বেশ্বৰ ৰাজগুৰু**, এম, এ ডি ফিল

৩০।১০।৮৯

১৯৪২ চনৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামত নগাঁও জিলাৰ যি ন জন মুক্তি যুঁজাৰুৱে প্ৰাণ আহুতি দি শ্বহীদ হ'ল সেই ন জন শ্বহীদৰ চমু জীৱনী শ্ৰীমান বেণুধৰ কলিতাই কষ্ট কৰি সংগ্ৰহ কৰাৰ কাৰণে শ্ৰীমানক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। শ্ৰীকলিতাৰ শ্ৰম সাৰ্থক হ'ব যেতিয়া আমাৰ দেশৰ ভবিষ্যতৰ বংশধৰ যুৱক-যুৱতী সকলে তেওঁ লিখা জীৱনী পাঠ কৰি দেশ আৰু দহৰ হৈ প্ৰাণ বলি দিবলৈ কুণ্ঠাবোধ নকৰিব। তেওঁ স্বাধীনতা সংগ্ৰামৰ নগাঁও জিলাৰ অপ্ৰকাশিত ঘটনাসমূহো প্ৰকাশ কৰিবৰ কাৰণে চেষ্টা কৰাত আন্তৰিক সুখী হৈছোঁ। আৰু কৃতকাৰ্য্যতা লাভ কৰিবৰ কাৰণে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

**শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা,**

নগাঁও ( অসম )

৮।৬।৮৯

ইয়াৰ উপৰিও লিখকৰ "স্বাধীনতা আন্দোলনৰ গীত"খন প্ৰকাশিত হৈছে। তাৰ বাঁহিৰেও 'লোকসেৱক হলধৰ ভূঞাৰ জীৱনালেখ্য' খন লোকসেৱক হলধৰ ভূঞা জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিয়ে প্ৰকাশ কৰিছে। 'আমেৰিকাত কি দেখিলোঁ' 'পণ্ডিত কনক চন্দ্ৰ শৰ্ম্মা কাব্যতীৰ্থৰ জীৱনী' স্বাধীনতা আন্দোলনত নগাঁৱৰ দান সম্বলিত বিভিন্ন তথ্যপাতিৰ দুখন পুথি নগঞা প্ৰখ্যাত মুক্তি যুজাৰু সকলৰ চমু জীৱনী আৰু মহাত্মাৰ প্ৰেতাত্মা নামৰ এখন নাটকৰ লগতে বহুতো প্ৰবন্ধ অপ্ৰকাশিত অৱস্থাত আছে।

**—ঃ সমাপ্ত ঃ—**

16925
4.12.95